## খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

### ষষ্ঠ সংখ্যা
### ২০১১-১২ বৰ্ষ

সম্পাদক
আক্ৰাম হুছেইন



যিসকল পুণ্যাত্মাই নিস্বাৰ্থ সেৱাৰে
স্বদেশ আৰু স্বজাতিৰ হকে
প্ৰাণ আহুতি দিলে
তেওঁলোকৰ সোঁৱৰণত .......

—সম্পাদনা সমিতি



মহাবিদ্যালয় ভৱন (RCC)

# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

DR. PARIMAL KUMAR DATTA

KHARUPETIA COLLEGE
ESTD.1981
KHARUPETIA • DARRANG • ASSAM
তমসো মা জ্যোতির্গময়

ষষ্ঠ সংখ্যা

ইং ২০১১-১২ বৰ্ষ

দৰং ঃ অসম

তত্ত্বাৱধায়ক
জালাল উদ্দিন আহমেদ

সম্পাদক
আক্ৰাম হুছেইন

KHARUPETIA COLLEGE MAGAZINE: Volume VI, 2011-12, Published by Kharupetia College Students' Union, Kharupetia, Darrang (Assam).

# খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী

## সম্পাদনা সমিতি —

মুখ্য উপদেষ্টা : ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা, অধ্যক্ষ

উপদেষ্টা মণ্ডলী : আব্দুল কৰিম, মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
: নুৰুল ইছলাম, মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
: দীপক কলিতা, মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ
: ডঃ পৰিমল কুমাৰ দত্ত, মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ
: হবিবুৰ ৰহমান, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

তত্ত্বাৱধায়ক : জালাল উদ্দিন আহমেদ, সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

সম্পাদক : আক্ৰাম হুছেইন, আলোচনী সম্পাদক, ছাত্ৰ একতা সভা

সদস্যমণ্ডলী : নুৰ জামান, মুৰব্বী অধ্যাপক, আৰবী বিভাগ
: কনকলতা শইকীয়া, মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ
: ডঃ আচমান আৰা বেগম, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
: এচ,এ, ইছলাম, মুৰব্বী অধ্যাপক,হিন্দী বিভাগ
: আব্দুৰ ৰহিম, মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ
: আব্দুল আউৱাল, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
: জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা, গ্ৰন্থাগাৰিক
: কে, ডি, হুছেইন, উচ্চ বৰ্গৰ সহায়ক
: আব্দুল ৱাদুদ, উপ-সভাপতি, ছাত্ৰ একতা সভা
: শ্বাহজামাল হক, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

বেটুপাতৰ পৰিকল্পনা : সম্পাদনা সমিতি
আৰ্হি পাঠ : সম্পাদনা সমিতি

বিশেষ দ্ৰষ্টব্য : শুভেচ্ছাবাণী সমূহ অ-সম্পাদিত ৰূপত প্ৰকাশ কৰা হৈছে।
: আলোচনীখনৰ কোনো লিখনিয়ে যদি কাৰোবাৰ ব্যক্তিগত জীৱন চুই গৈছে বা অজ্ঞাতবশত নকল লিখনি প্ৰকাশ পাইছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহ'ব।

ছপা : পাৰামাউণ্ট অফ্‌চেট, বৰদৌলগুৰি, দৰং (ভ্ৰাম্যভাষঃ ৯৮৫৪০৪৬৩৮৩)





**মহাবিদ্যালয়ৰ অধ্যক্ষ**
**ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা**

## FILE PHOTO : EDITORIAL BOARD, COLLEGE MAGAZINE, 2011-12



Dr. Buddhin Ch. Hazarika
Principal
(Chief Advisor)



Abdul Karim
HoD, History
(Advisor)



Nurul Islam
HoD, Pol.Science
(Advisor)



Deepak Kalita
HoD, Economics
(Advisor)



Dr. Parimal Kr. Dutta
HoD, Sanskrit
(Advisor)



Habibur Rahman
Asstt. Prof.
(Advisor)



Nur Zaman
HoD, Arabic
(Member)



Abdur Rahim
HoD, English
(Member)



Abdul Awal
Asstt. Prof.
(Member)



Kanaklata Saikia
HoD, Assamese
(Member)



Dr. Asman Ara Begum
Asstt. Prof.
(Member)



S.A. Islam
HoD, Hindi
(Member)



Jeebendra Mohan Dev Sarma
Librarian
(Member)



K.D. Hussain
UDA
(Member)



Abdul Wadud
V.P, Students' Union
(Member)



Shahajamal Hoque
G.S., Students' Union
(Member)



**Jalal Uddin Ahmed**
Asstt. Prof.
**(Magazine Incharge)**



**Akram Hussain**
**Magazine Secretary**
Students' Union



DR. PARIMAL KUMAR DATTA

# "অশ্ৰু অঞ্জলি"



জন্মঃ ২৩ জানুৱাৰী, ১৯৬৮

মৃত্যুঃ ২০ ডিচেম্বৰ, ২০১১

যাৰ হাঁহিত আঁতৰি গৈছিল চৌপাশৰ গোমা সময়, যাৰ অনাবিল বন্ধুত্ব কিম্বা সংস্পৰ্শই মহাবিদ্যালয়ত একতাৰ এনাজৰিডাল কটকটীয়াকৈ ধৰি ৰাখিছিল, যিজনৰ সতে আন্তৰিক কথোপকথনে হৃদয়ত জগাই তুলিছিল জীয়াই থকাৰ দুৰ্বাৰ বাসনা আৰু অদম্য কৰ্মস্পৃহা- সেইজনেই আছিল সকলোৰে আপোন, প্ৰয়াত ৰূপজ্যোতি প্ৰসাদ দত্ত, আমাৰ মহাবিদ্যালয় পৰিয়ালৰ এজন উল্লেখযোগ্য সদস্য তথা ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক।

"বিদায় নোলোৱাকৈয়ে
গুছি যায় নৈ,
এয়ে নদীৰ নিয়ম...." (হীৰেন ভট্টাচাৰ্য্য)

বিদায় নোলোৱাকৈয়ে চিৰদিনৰ বাবে আমাক এৰি সন্তৰ্পনে গুছি গ'লগৈ ৰূপজ্যোতিও, তেওঁৰ আত্মাই বিচৰা শান্তিৰ কোনোবা প্ৰিয় ধামলৈ....। যাৰ অৱৰ্ত্তমানত মাথোঁ অনুভৱ কৰিছোঁ অপলক শূন্যতা। বতাহত উদাসীভাৱে বাজি ৰৈছে মাথোঁ কৰুণতাৰ এক অস্পষ্ট সুৰ....। যাৰ অবৰ্ত্তমানত আজি জমি উঠা নাই আড্ডা, কেন্টিনৰ চাহৰ কাপত নতুবা ডিপাৰ্টমেন্টৰ ৰুমবোৰত....।

এবুকু শূন্যতাৰে, দুধাৰি চকুলোৰে আমি মাথোঁ তোমালৈ শ্ৰদ্ধাঞ্জলি যাচিছো, স্নেহৰ এপাহি ফুলেৰে হৃদয়ৰ এগছি বন্তিৰে....। তোমাৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক।

মহাবিদ্যালয় আলোচনী
সম্পাদনা সমিতি

**Tarun Gogoi**

Chief Minister, Assam
Guwahati



*Dispur*
*13-08-2012*

## MESSAGE

I am happy to know that Kharupetia College, Kharupetia is going to publish its college magazine shortly.

I hope, the magazine will help in bringing out latent talent in the students by giving them an outlet to express their creative abilities. it will help in instilling confidence among the students and in giving them a sense of direction in life. I also hope, the magazine will be able to cater to the needs and aspirations of the students, teachers and well wishers of the institution.

I convey my best wishes for successful publication of the magazine.

(Tarun Gogoi)



**বসন্ত দাস**
ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)
অসম

মীন, জনসংযোগ, মুদ্ৰণ
আৰু লেখন সামগ্ৰী বিভাগ
ফোন নং ঃ (০৩৬১) -২২৩৭০৫৮ (কাৰ্য্যালয়)



## শুভেচ্ছাবাণী

দৰং জিলাৰ উচ্চ শিক্ষাৰ অন্যতম কেন্দ্ৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ পাব বুলি জানি আনন্দিত হৈছো।

দৰং জিলাৰ শৈক্ষিক ক্ষেত্ৰত অনুন্নত বুলি আলোচিত এটি অঞ্চলৰ নতুন প্ৰজন্মক উচ্চ শিক্ষাৰ আকাশলঙঘী বাটেৰে আগবঢ়াই নিবলৈ খাৰুপেটীয়া মহাবিদ্যালয়ে বিগত সময়ত আদৰণিয় প্ৰচেষ্টা চলাই সফলতাৰ সোণোৱালী বাটেৰে আগবঢ়াত আমি গৌৰৱান্বিত হৈছো। এই মহাবিদ্যালয় ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক বৌদ্ধিক দিশৰ উত্তৰণৰ বাবে প্ৰকাশ কৰি অহা বাৰ্ষিক আলোচনীখনে আদৰণিয় ভূমিকা লৈ আহিছে।

এই বছৰৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ প্ৰস্তুতিৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছো আৰু আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক দিশ উত্তৰণৰ লগতে শিক্ষানুষ্ঠান খনৰ সৰ্বতোদিশৰ এখন স্বচ্ছছবি প্ৰকাশ কৰিব পাৰিব বুলি আশা কৰিছোঁ।

(বসন্ত দাস)
মীন, জনসংযোগ, মুদ্ৰণ আৰু লেখন
সামগ্ৰী বিভাগ
অসম, চৰকাৰ

*Md. Ilias Ali*
Parliamentary Secretary
Assam

सत्यमेव जयते



## শুভেচ্ছাবাণী

মই অতি আনন্দিত যে, বিগত বছৰবোৰৰ দৰে চলিত বছৰতো খাৰুপেটীয়া মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ সমাজৰ প্ৰতিভা বিকাশৰ বাবে সম্পাদনা সমিতিয়ে নতুন আলোচনী প্ৰকাশৰ প্ৰস্তুতি হাতত লৈছে।

ক্ৰমাগতভাৱে বিগত বছৰ কেইটাত মহাবিদ্যালয়খনৰ আলোচনীৰ পাতত উন্নত মানৰ লিখনি প্ৰকাশ কৰি থকা পৰিলক্ষিত হৈছে, এই প্ৰয়াস নিশ্চয়কৈ প্ৰশংসনীয়। আশা কৰিছো চলিত বছৰৰ আলোচনীৰ পাতত মহাবিদ্যালয় পৰিয়ালে অধিক উন্নত মানৰ লিখনিৰ জৰিয়তে বৌদ্ধিক সমাজৰ প্ৰসংশা বুটলিব।

সম্পাদনা সমিতিয়ে আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হওঁক তাৰে কামনা কৰিলোঁ।

(মঃ ইলিয়াছ আলী)



**Abdul Mazid,** *M.A., B.T.*
***President,***
*Governing Body,*
*Kharupetia College, Kharupetia*

**Address ----------**
***Vill. : Morabhega***
*P.O. : Bhakatpara, Darrang (Assam)*
*PIN - 784190*
*Mobile No. : 9859204579*



## Good Will Message

I have the great Pleasure do know that the "Kharupetia College Magazine editorial board" is going to bring out its souvenir this year in the name and style of "Kharupetia College Magazine" in schedule time. The College Magazine is the only Mouth Piece through which the students are able to express their creative thinking.

I do hope that under your editorship and creative guidance the Mouth Piece of the college will come out success with valuable articles, poems, etc both from old and new writers from different angle.

In conclusion, I wish a splendid success of Kharupetia College Magazine.

(Abdul Mazid)
President
Kharupetia College Governing Body
Darrang (Assam)

খাৰুপেটীয়া মহাবিদ্যালয়ৰ
প্ৰশস্তিমূলক

# সমৱেত সংগীত

(মহাবিদ্যালয় সংগীত হিচাবে প্ৰস্তাৱিত)

ৰচনা ও সুৰ ঃ জীৱেন্দ্ৰমোহন দেৱশৰ্মা
গ্ৰন্থাগাৰিক, খাৰুপেটীয়া মহাবিদ্যালয়

স্থায়ীঃ তুমি আলোকৰ
জ্ঞানৰ পুণ্যভূমি
শত জনমৰ সাধনাৰে গঢ়া
মহাজীৱনৰ খনি।।

অন্তৰাঃ১ তুমি বিকশিত আজি
জ্ঞানৰ জ্যোতিৰে
চৌদিশ জ্যোতিষ্মান
তুমি জীৱন গঢ়াৰ অংগীকাৰেৰে
হ'লা আজি মহীয়ান
দিয়া দৃষ্টি দিয়া কৃষ্টি
নতুন পোহৰ সিঁচি। শত জনমৰ .....খনি।।

অন্তৰা ২ তুমি অগ্ৰগতিৰ
আন এটি নাম
পৰিচয় সমাজৰ
তুমি প্ৰভাতে প্ৰভাতে সিঁচি দিয়া
মহাবাণী জীৱনৰ
দিয়া ঋদ্ধি দিয়া সিদ্ধি
উঠক জয়ধ্বনি।। শত জনমৰ......খনি।।

# গীত

কথা আৰু সুৰ ঃ ডঃ আছমান আৰা বেগম

কিয় মোৰ বুকুতে শতৰুই হানিলে
গাভৰু দেহা মোৰ অনলে দহিলে
জ্ঞান আলয়ৰ আশাৰ তৰীবোৰ
ধোৱা হৈ উৰিলে
কত ইতিহাস কত পৰিহাস
বুকুৰে বাগৰি গ'ল
কি জগৰ লগালো কি পাপ কৰিলো
কিয় যে এনুৱা হ'ল
দুখৰ ৰাতিৰ মোৰ হিয়ালি জিয়ালি
কান্দোনৰ ৰোল
চৌদিশে উৰি গুছি গ'ল
তথাপি আছো মই তোমাৰেই লগতে
আশাৰ গজালি লৈ
তুমিও চোন আহিছা দুহাত উজাৰি
নিদানৰ সঁহাৰি হৈ
নোৱাৰা ৰুধিব নোৱাৰা বাধিব
সোণসেৰীয়া মোৰ বাট
আলি দোমোজাৰ বিফল কেঁকুৰীত
হেৰাব তোৰ জীৱনৰ আঁত।

বিঃদ্রঃ ২০১০ চনৰ ২০ নৱেম্বৰ তাৰিখে খাৰুপেটীয়া মহাবিদ্যালয় জুইত ভস্মীভূত হয়। তাৰেই পটভূমিত এই গীতটি ৰচনা কৰা হৈছে। গীতটি অসম কলেজ শিক্ষক সংস্থাৰ নামত উছৰ্গা কৰা হৈছে।



# — উচৰ্গা—

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ
কিম্বা তাৰ প্ৰতিফলনৰ বাবেই মহাবিদ্যালয়ৰ আলোচনীখনক
এখন দাপোনৰ লগত তুলনা কৰা হয়।
সেই মানসেৰেই খাৰুপেটীয়া মহাবিদ্যালয়ৰ
ষষ্ঠ সংখ্যা আলোচনীখন সৰ্বাঙ্গসুন্দৰকৈ
প্ৰকাশ কৰাৰ প্ৰচেষ্টাত
সম্পাদনা সমিতিক কায়িক-মানসিক ভাৱে
সহায়ৰ হাত আগবঢ়োৱা সকল,
মহাবিদ্যালয়ৰ শুভকাংক্ষী
তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত
খাৰুপেটীয়া মহাবিদ্যালয়
আলোচনী
উচৰ্গা কৰিলোঁ।

—সম্পাদনা সমিতি



# তত্বাৱধায়কৰ এষাৰ —

ৰবাৰ্ট লুইচ ষ্টিভেনচনে কৈছিল — "সাহিত্য ৰচনা কৰাটো কোনো কঠিন কাম নহয়, কিন্তু তুমি কি অৰ্থ বুজাব বিচাৰিছা সেইটো লিখাহে কঠিন। ইয়াৰ দ্বাৰা পাঠকৰ কোনো প্ৰভাৱ পৰিব নালাগে কিন্তু তুমি ঠিক বিচৰা ধৰণে তেওঁক প্ৰভাৱান্বিত কৰিব লাগে।"

কথিত আৰু লিখিত বস্তু ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ হোৱা শব্দটোক সাহিত্য বোলা হয়। বহল ভাষাত সৃষ্টিকাৰী লিখাৰ পৰা আৰম্ভ কৰি বেছি কাৰিকৰী আৰু বৈজ্ঞানিক কাৰ্য বুজাবলৈ ব্যৱহাৰ কৰা ব্যাখ্যাৰ বাবেই সাহিত্য ব্যৱহাৰ হয়। কিন্তু স্বাভাৱিক শব্দটো কাল্পনিক সৃষ্টি যিবোৰ হৈছে কবিতা, নাটক, গল্প, প্ৰবন্ধ আদিৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। সাহিত্যই এটা ভাষা নাইবা সংস্কৃতি আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰে। সাহিত্য ঐতিহাসিক বা সাংস্কৃতিক সঁজুলি সমূহতকৈ বেছি গুৰুত্বপূৰ্ণ। সাহিত্যই আমাক এখন নতুন জগতৰ অভিজ্ঞতাৰ সৈতে পৰিচয় ঘটায়। সাহিত্য জনসাধাৰণৰ দীৰ্ঘকাল প্ৰচলিত সংস্কাৰৰ ভিতৰুৱা জন সাহিত্য, লোক-সাহিত্য, মৌখিক সাহিত্য আদি শব্দ একে অৰ্থত আমাৰ ভাষাত ব্যৱহাৰ কৰা হয়। ইয়াৰ দ্বাৰাই প্ৰত্যেক জাতিৰ চিন্তাধাৰা আৰু প্ৰাণৰ হাবিয়াস বুজিব পাৰি। ই জাতীয় প্ৰাণৰ উৎস স্বৰূপ। ই মৌলিক আৰু নিজস্ব জন সাহিত্যৰ মাজেদি কোনো এটা জাতিৰ ইতিহাসে ঢুকি নোপোৱা প্ৰাচীনত্বকো ভূমুকি মাৰি চাব পাৰো। কোনো এটা জাতিৰ ভাৱধাৰাৰ ক্ৰম, কল্পনা বিলাসৰ সূঁতি, সামাজিক আচাৰ-নীতি, ধৰ্মভাৱ, প্ৰকৃতিৰ লগত সম্বন্ধ আৰু সৌন্দৰ্যবোধ আদিৰ কথা জানিব পাৰি।



শিক্ষানুষ্ঠানৰ আলোচনীবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে একোটা উপযুক্ত মাধ্যম স্বৰূপ বুলি ক'ব পাৰি। আলোচনীবোৰ লিখনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ যোগোৱাৰ লগতে এইবোৰে তেওঁলোকৰ চিন্তা চৰ্চাৰ পৰিসৰ বৃদ্ধিতো সহায় কৰে। মহাবিদ্যালয়ৰ আলোচনী এখন সম্পাদনা কৰি উলিওৱাটো এটা অতি জটিল কাম। এনে এটা জটিল কামৰ তত্বাৱধান কৰাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰ হৈছে যদিও সেই গুৰু দায়িত্ব পালন কৰাত কিমান সফল হৈছো সেইটো পঢ়ুৱৈ সমাজেহে বিচাৰ কৰিব পাৰিব। আলোচনী এখন গুণগত দিশৰ প্ৰতি লক্ষ্য ৰাখি সুস্থৰুচি সম্পন্ন ৰচনাৰ প্ৰয়োজনীয়তা আছে যদিও আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা তেনে কোনো উন্নতমানৰ লিখনি পোৱা টান। সম্পাদনা সমিতিৰ জৰিয়তে সম্পাদকে একাধিকবাৰ জাননীযোগে লিখনি আহ্বান কৰাৰ পিছতো পৰ্যাপ্ত সংখ্যক লিখনি সংগ্ৰহ নোহোৱাত আলোচনীৰ এই সংখ্যাটো যথা সময়ত প্ৰকাশ কৰি উলিওৱাটো সম্ভৱ হৈ নুঠিল। তথাপিতো সকলো বাধা-বিঘিনি নেওচি আলোচনীখন প্ৰকাশৰ ব্যৱস্থা কৰা হ'ল যদিও ই এখন দোষ ত্ৰুটি মুক্ত সৰ্বাঙ্গসুন্দৰ আলোচনী হ'ব বুলি আমি দাবী কৰাৰ প্ৰমূল্যবোধ নাই। সম্পাদনা সমিতিয়ে যৎপৰোনাস্তি চেষ্টাৰ পিছতো আলোচনীখনত দুই এটা ভুল ত্ৰুটি থাকি যোৱাটো স্বাভাৱিক। তৎস্বত্বেও আলোচনীখনৰ এই সংখ্যাটিয়ে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিব পাৰিলে আমাৰ সম্পাদনা সমিতিৰ পৰিশ্ৰম সাৰ্থক হ'ব বুলি ভাবিছো।



# তত্বাৱধায়কৰ এষাৰ —

খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী প্ৰকাশৰ বাবে মাহবিদ্যালয় পূঁজি আচুতীয়া ধন থকাৰ উপৰিও আলোচনীখনৰ প্ৰকাশৰ বাবে অসম চৰকাৰৰ ছাত্ৰ কল্যাণ আঁচনিৰ জৰিয়তে মুঠ ১ (এক) লাখ টকা অনুদান হিচাপে আগবঢ়াইছে। যাৰ ফলত আলোচনীখন প্ৰকাশ কৰাৰ খৰচ পাতি জোৰা মৰাত সহায়ক হৈছে। সেয়েহে খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিৰ হৈ মই অসমৰ চৰকাৰক বিশেষকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ক আন্তৰিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু আগন্তুক বৰ্ষতো মহাবিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াই ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ও সাহিত্যিক সৃষ্টিশীল প্ৰতিভা বিকাশত সহায় কৰাৰ কামনা কৰিলোঁ।



শেষত আলোচনীখন প্ৰকাশৰ বাবে সাজু কৰি উলিওৱাত আলোচনী সম্পাদনা সমিতিকে আদি কৰি বিভিন্নজনে আগবঢ়োৱা দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদনা সমিতিৰ মুখ্য পৃষ্ঠপোষক মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ, উপদেষ্টা মণ্ডলী অধ্যাপক শ্ৰীদিপক কলিতা, মহঃ আব্দুল কৰিম, শ্ৰীপৰিমল কুমাৰ দত্ত আৰু সদস্য/সদস্যা অধ্যাপিকা কলকলতা শইকীয়া, ডঃ আচমান আৰা বেগম, অধ্যাপক নুৰ জামান, আব্দুল আওৱাল, চিকদাৰ আনোৱাৰুল ইছলাম, গ্ৰন্থাগাৰিক শ্ৰীজীৱেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু কাৰ্যালয়ৰ জ্যেষ্ঠ উচ্চ বৰ্গৰ সহায়ক খন্দকাৰ দিলোৱাৰ হুছেইন আদি সকলো সদাশয় ব্যক্তিয়ে সৰ্বান্তকৰণে সহায় সহযোগিতা আগবঢ়োৱা কাৰণে আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদক মহঃ আক্ৰাম হুছেইনৰ নিষ্ঠা আৰু সক্ৰিয় ভূমিকা প্ৰশংসনীয় আৰু মহাবিদ্যালয়ৰ আলোচনীখনৰ যিবিলাক মূল্যবান লিখনীৰে আলোচনীখনৰ সৌন্দৰ্য বৃদ্ধি কৰাত সহায় কৰিছে সেই সকলোকো ধন্যবাদ জনালোঁ। সৰ্বশেষত খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীখনৰ আগন্তুত দিনত সৌষ্ঠৱ বৃদ্ধি হওঁক তাকে কামনা কৰিলোঁ। লগতে আলোচনীখন ছপা কৰাৰ ক্ষেত্ৰত বৰদৌলগুৰিস্থ পাৰামাউন্ট অফ্‌ছেটৰ স্বত্বাধিকাৰ প্ৰমুখ্যে সকলো কৰ্মকৰ্তাৰ শলাগ যাচিলোঁ।

জালাল উদ্দিন আহমেদ
তত্বাৱধায়ক
আলোচনী বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয়



# সম্পাদকীয় একলম

আলোচনী বিভাগ, ছাত্ৰ একতা সভা, খাৰুপেটীয়া মহাবিদ্যালয়



সম্পাদকীয় পাতনিতে অদৃশ্যজনৰ ওচৰত শত কোটি প্ৰণিপাত জনাইছো। আমাক স্বাধীন দেশৰ নাগৰিকৰ পৰিচয় আনি দিয়া মহাপুন্যাত্মা লোকসকলক মোৰ সহস্ৰ প্ৰণাম। যিসকল জীৱিত আৰু প্ৰয়াত ব্যক্তিৰ অশেষ প্ৰচেষ্টাৰ ফলত দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত কৃষিজীৱী চিহ্নিত খাৰুপেটীয়াত এক উচ্চ শিক্ষাৰ অনুষ্ঠান, খাৰুপেটীয়া মহাবিদ্যালয় নামৰ অনুষ্ঠানটি গঢ়ি তুলিলে সেইসকল মহান ব্যক্তিলৈ মোৰ প্ৰণিপাত যাচিলোঁ।

**ছাত্ৰ সমাজঃ**

ছাত্ৰই হ'ল দেশৰ ভৱিষ্যত জ্যোতি। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। কাইলৈ যে এই খাৰুপেটীয়া অঞ্চলৰ পৰা এজন সাহিত্যিক নোলাব তাৰ কোনো ঠিক নাই হয়তো এদিন নহয় এদিন খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰাই অসম তথা ভাৰতবৰ্ষৰ ভিতৰত এজন নামজ্বলা সাহিত্যিক ওলাবগৈ। আজিৰ শিক্ষাৰ লগতে মহাবিদ্যালয় ছাত্ৰ একতা সভাই বহুত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ্তমান যুগ প্ৰগতিৰ যুগ। এই প্ৰগতিৰ যুগত এখন দেশৰ সমাজ উন্নতিৰ পথত অগ্ৰসৰ হৈছে কোনো এক অদূৰ ভৱিষ্যতলৈ প্ৰতিখন সমাজে ভাতৃত্ববোধ আৰু একাগ্ৰতাৰে আগুৱাই যাব লাগিব। নহলে দেশৰ ভৱিষ্যত তিমিৰাচ্ছন্ন সি নিশ্চিত। বৰ্তমান যুগ বিজ্ঞানৰ যুগ এই বিজ্ঞানৰ যুগত দৈনন্দিন নতুন-নতুন বস্তুৰ উদ্‌ঘাটন হৈয়েই আছে। সেইবাবে আমি ছাত্ৰ সমাজ, সমাজৰ পৰা পূৰণা অন্ধ-বিশ্বাস, কু-সংস্কাৰবোৰক আঁতৰাই নতুনক থিয় কৰাওঁতে, হয়তো বহুত বাধা আহিব পাৰে। এই বাধা বিঘিনিবোৰ আঁতৰাই এখন নিকা, সৎ সমাজ গঢ়াত মূখ্য ভূমিকা গ্ৰহণ কৰিব লাগে সংগঠনবোৰে। এনে সংগঠনৰ বাস্তৱ স্বৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা। বৰ্তমানৰ সমাজ ব্যৱস্থাই আমাক পংগু কৰি পেলাব যদিহে আমি আমিবোৰে সমাজৰ পৰা দুৰ্নীতিক আঁতৰবোৰাৰ বাবে সচেষ্ট নহওঁ। সেয়েহে ছাত্ৰ সমাজৰ লক্ষ্য আৰু উদ্দেশ্য হ'ব লাগে এখন নিকা সমাজ গঢ়াৰ, কথাত কয় "জুই শালত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি।"

**বৰ্তমান সমাজৰ দৃষ্টিঃ**

বৰ্তমান পৰিস্থিতিয়ে কেনে সংকেত বহন কৰিছে তাক উনুকিয়াব লাগিব। যি সমাজ ব্যৱস্থাত নিৰাপত্তা বোলোতে একোৱে নাই তাৰ ভৱিষ্যত কি থাকিব পাৰে। আজি যেন এইখন দেশ, দেশ হৈ থকা নাই। দুৰ্নীতিয়ে যেন চাৰিওফালৰ পৰা আগুৰি ধৰিছে। সমাজৰ প্ৰকৃত ছবিখন পৰিবৰ্তন কৰি পেলাইছে। য'ত সমাজৰ গতি পথ নিৰ্ণয় কৰা টান। সত্য কথা এটি প্ৰচাৰ কৰিবলৈ যাওঁতে সাংবাদিকক নিৰ্মমভাৱে হত্যা কৰা হৈছে। কটকটীয়া নিৰাপত্তাৰ মাজতো জনাকীৰ্ণ অঞ্চলত বোমা স্থাপন কৰি দুস্কৃতিকাৰীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছে, য'ত শিশুসকল শ্ৰমিক বনাই একধৰণ মানুহে বিলাসীতা জীৱন যাপন কৰিছে।

জনসাধৰণৰ সেৱাৰ অৰ্থে ওলায় অহা জন-প্ৰতিনিধিবোৰে দুস্কৃতিৰ হাতৰ পৰা হাত সাৰি যাব পৰা নাই য'ত নেকি মৃত্যুৰ ভাবুকি দি আলফাই বৃহৎ ধন সংগ্ৰহ কৰাৰ ঘটনা আজিৰ যুগত দেখা গৈছে। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত কু-সংস্কাৰে আৱৰি ৰখা সমাজৰ পৰা একোটা নিৰীহ পৰিয়ালক ডাইনীৰ সন্দেহত নিৰ্মমভাৱে হত্যা কৰা হৈছে। একোজন পিতৃসম বৃদ্ধৰ দ্বাৰা শিশু ধৰ্ষন কাৰ্য্য কিমান বাৰু জঘন্য হ'ব পাৰে। এগৰাকী যুৱতীক মহানগৰৰ ৰাজপথত উলঙ্গ কৰিও দুবৃত্তই স্বচ্ছন্দে বিচৰণ কৰি আছে। গনতান্ত্ৰিক প্ৰমূল্যবোধক আজি চৰকাৰী অৱহেলা আৰু অমনোযোগীতাৰ দ্বাৰা বাৰে বাৰে উলঙ্গ কৰা হৈছে। সাহিত্য সভাৰ দৰে এখন জাতীয় অনুষ্ঠান কেইগৰাকী মুধাফুটা সাহিত্যিকৰ দ্বাৰা নিজৰ স্বাৰ্থৰ হকে ৰাজনীতি কৰি জাতীয় অনুষ্ঠানটিক কলুষিত কৰি তুলিছে। একেখন পথাৰতে হাল, কোৰ মাৰি, একেখন মঞ্চতে বিহু মাৰি, একেখন হোটেলতে চাহ-ভাত খোৱা মানুহ বিলাকৰ মাজত কি যাদুৰ দ্বাৰা হঠাতে হিংসাৰ দাবানল বিভিষীকাৰ সৃষ্টি কৰিলে যাৰ ফলত দেখা গ'ল কোক্ৰাঝাৰৰ বিদেশীৰ নামত ধ্বংসলীলা, হত্যালীলা, তেজৰ ফাকুখেলে আজি গোটেই ভাৰতবৰ্ষ চুই গ'ল। তেনে ক্ষেত্ৰত কি থাকিব পাৰে সমাজ ব্যৱস্থা। আজিৰ এই সমাজ ব্যৱস্থাত আমিবোৰ সজাগ হ'বৰ সময় আহি পৰিছে। যদি আমি শুই থাকো তেনেহলে আমাৰ দেশ মাতৃৰ গাত কলংকই ছানি ধৰিব সেই কাৰণে সকলো জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে এক হৈ জনমত গঢ়ি তুলি আমাৰ জাতীয় সত্বা, ঐক্য বজাই ৰাখিব লাগিব আজিৰ ছাত্ৰ সমাজে অন্যথা আমাৰ দেশ হৈ যাব নিঃশেষ।

**আলোচনী প্ৰকাশ সম্পৰ্কে ঃ**

আলোচনীখন হ'ল মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ। দাপোণত যেনেকৈ আমি আমাৰ প্ৰতিবিম্ব দেখা পাওঁ ঠিক তেনেকৈ মহাবিদ্যালয়ৰ আলোচনী এখনৰ জৰিয়তে আমি আমাৰ ক্ষুদ্ৰ প্ৰতিভা দেখা পাওঁ। ইয়াৰ অৰ্থ এইটোৱেই নহয় যিসকল ছাত্ৰ-ছাত্ৰীৰ গল্প, প্ৰবন্ধ, কবিতা আদি প্ৰকাশ নাপালে তেওঁলোকৰ প্ৰতিভা নাই তেনে নহয়। গোটেই আলোচনীখন কেৱল গল্প, প্ৰবন্ধ, কবিতাৰে সম্পূৰ্ণ কৰিব নোৱাৰি সেইবাবে দুই এটা গল্প কবিতা নিম্নমানদণ্ডৰ হোৱাৰ হেতুকে এৰাই চলিব লাগে। আলোচনী সম্পাদক হোৱাটো একো ডাঙৰ কথা নহয় সম্পাদক হৈ আলোচনী এখন ন কইনাৰ ৰূপত সজাই পৰাই ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহীকৈ প্ৰকাশ কৰি দিব পৰাটোহে ডাঙৰ কথা। যোৱা ইং ১৫।১০।২০১১ তাৰিখে আন আন বিষয়ববীয়াৰ সৈতে শপত গ্ৰহণ কৰো। শপত গ্ৰহণ কৰি কাৰ্য্যভাৰ হাতত লৈ মহাবিদ্যালয়ৰ লগতে ২০১১-১২ বৰ্ষত আলোচনীৰ মানদণ্ড কিমান উন্নত কৰিব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়। লিখনি বিচাৰি বাৰম্বাৰ জাননী দিয়াৰ পিছতো লিখনী নহাৰ ফলত আলোচনীৰ কাম-কাজ বহু পিছ পৰি যাব লগা হৈছে। এই মহাবিদ্যালয়খন ১৯৮১ চনত স্থাপিত যদিও বৰ্তমানে মাত্ৰ ৫ (পাঁচ)খনহে আলোচনী ইতিমধ্যে প্ৰকাশ পাইছে তাৰ একমাত্ৰ কাৰণ পুঁজিৰ অভাৱ বুলি কলে ভুল কোৱা হ'ব। ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ অভাৱ বুলি কলেহে সঠিক কোৱা হব। তাৰ উদাহৰণ এই সংখ্যাৰ আলোচনীখন। কলেৱৰ তথা আনুসংগিক অসুবিধাৰ বাবে যিসকলৰ লিখনিৰ স্থান নাপালে সেইসকলৰ প্ৰতি আমি ক্ষমাপ্ৰাৰ্থী। আলোচনীৰ লিখনি সমূহৰ প্ৰকাশ কৰাত যদি পূৰ্বে প্ৰকাশিত লিখনি প্ৰকাশ পাইছে তাৰ বাবে সম্পাদক তথা সম্পাদনা সমিতি দায়ী নহয়। আমাৰ সম্পাদনা সমিতিত সীমিত জ্ঞানেৰে আলোচনীখনি প্ৰকাশ কৰাত ৰৈ যোৱা ভুল-ভ্ৰান্তি, খুটি-নাটি আঙুলিয়াই দিলে পঢুৱৈ সমাজৰ ওচৰত কৃতাৰ্থ হৈ ৰম। এই মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১১-১২ বৰ্ষত ষষ্ঠ সংখ্যাটি পঢুৱৈ সমাজৰ সমাদৰ লভিব পাৰিলে সম্পাদনা সমিতিৰ কষ্ট সফল হ'ব বুলি আশা ৰাখিছোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০১১-১২ বৰ্ষৰ আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পুজিৰ ওপৰিও অসম চৰকাৰৰ ছাত্ৰ কল্যান আঁচনিৰ জৰিয়তে মুঠ ১,০০০,০০.০০ (একলাখ) টকা আগবঢ়াইছে। যাৰ ফলত মহাবিদ্যালয় পুজিৰ লগত মিলাই আলোচনীখনি প্ৰকাশৰ যথেষ্ট সুবিধা হৈছে সেই বাবে খাৰুপেটীয়া মহাবিদ্যালয় ২০১১-১২ বৰ্ষত ছাত্ৰ একতা সভা আৰু আলোচনী সম্পাদনা সমিতিৰ হৈ মই ম ঃ আক্ৰাম হুছেই নে অসম চৰকাৰৰ মাননীয়

মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ , অসম শিক্ষা মন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা মহোদয়লৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। লগতে, যি সকল গণ্য-মান্য ব্যক্তিৰ শুভেচ্ছা বাণীৰ মহাবিদ্যালয়ৰ আলোচনীৰ সৌন্দৰ্য্য ফুটাই তুলিলে সেই সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**সামৰণি ঃ**

২০১১-২০১২ বৰ্ষৰ আলোচনীখনিয়ে সফলতাৰে প্ৰদুত মুখ দেখাত প্ৰতিটো দিশতে গঠনমূলক পৰামৰ্শ দি মোক অনুপ্ৰাণিত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ, তত্বাৱধায়ক মহঃ জালাল উদ্দিন আহমেদ ছাৰ প্ৰমুখ্যে, নুৰুল ইছলাম ছাৰ (মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ), আব্দুল কৰিম (মুৰব্বী অধ্যাপক, ইতিহাস), দিপক কলিতা ছাৰ (মুৰব্বী অধ্যাপক অৰ্থনীতি), পৰিমল কুমাৰ দত্ত ছাৰ (মুৰব্বী অধ্যাপক, সংস্কৃত), হবিবুৰ ৰহমান ছাৰ (সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান), ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি নুৰ জামান ছাৰ (মুৰব্বী অধ্যাপক আৰবী) লৈ ধন্যবাদ জ্ঞাপন কৰিছো লগতে লিখনি সমূহ পুনৰীক্ষণ কৰি দিয়া, এছ এ ইছলাম ছাৰ (মুৰব্বী অধ্যাপক, হিন্দী), কনকলতা শইকীয়া বাইদেউ, ডঃ আছমান আৰা বেগম বাইদেউ, আব্দুল আওৱাল ছাৰ, জে, এম দেৱ শৰ্মা ছাৰ, আব্দুৰ ৰহিম ছাৰ, খন্দকাৰ দিলোৱাৰ হুছেইন ছাৰক ধন্যবাদ জ্ঞাপন কৰিলো। লগতে আব্দুল ওৱাহিদ ছাৰ, আমজাদ হুছেইন মজুমদাৰ ছাৰ, আব্দুল বাছাৰ ছাৰ, আব্দুল হান্নান ছাৰ, জাহিদা চুলতানা বাইদেউ, মিজানুৰ ৰহমান ছাৰ, ৰুকুন উদ্দিন ছাৰ, আব্দুল আজিজ ছাৰৰ লগতে সমূহ শিক্ষাগুৰুলৈ মোৰ কৃতজ্ঞতা যাচিলোঁ। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া বিশেষকৈ মহঃ ছাহজামাল হক (সাঃ সম্পাদক), মহঃ আব্দুল ওৱাদুদ (উপ-সভাপতি), মহঃ ইনামূল মজিদ (তৰ্ক আৰু বক্তৃতা), বন্ধু-বান্ধৱী— আকলিমা ইয়াছমিন, আব্দুল হালিম, ফাইজুৰ ৰহমান, শেখ আশ্ৰাফুন নাহাৰ, শ্বহিদুল ইছলাম, জমিৰ আলী, জেহিৰুল ইছলাম, ছফিকুল ইছলাম, আব্দুল কাইয়্যুম, চুলতান আহমেদ, আমজাদ হুছেইন, আব্দুল হাছেম, মুক্তাৰ হুছেইন, শ্বাহ ছাদিক আহমেদ, ৰাজা, ছাদ্দাম, মামুন, আমিৰ, খলিল, তৌহিদা, চুলতানা, নাজমা, বিটু, ৰুণা, নাজলিন, মঞ্জুৰাৱা, আখতাৰা আলম, নাছৰিণ, খালিদা (১) খালিদা (২), জেছমিন, শ্বাহিদা, মুৰ্শিদা, শ্বাহনাজ, ৰেহেনা, ৰেচমি, ওৱাহিদা, উম্মেহানী, আৰিফা, আদিলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত যিসকল লেখক-লেখিকাৰ দ্বাৰা আলোচনীখনি পূৰ্ণ হ'ল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলো লগতে মোক ব্যক্তিগত ভাৱে ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সময়ত সহায়, দিহা-পৰামৰ্শ দিয়া নছিমুদ্দিন আহমেদ (দাদা, গদাইঝাৰ) মঃ জিয়াউৰ ৰহমান (দাদা) ৰাজিৰ উদ্দিন আহমেদ (দাদা), মহিবুল ইছলাম (দাদা), শ্বহিদুল ইছলাম (দাদা), নজৰুল ইছলাম (চাচা), , আছিমুদ্দিন আলী (দাদা), গীতা দেৱী বাইদেউ (মৰিগাঁও) ৰেজিনা ইয়াছমিন বাইদেউ, আমিনা বেগম, আয়েশ্বা ছিদ্দিকা, আকলিমা বেগম আদিলৈ এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলো। কাৰ্য্যালয়ৰ তৰফৰ পৰা সহায় আগবঢ়োৱা আবুবক্কৰ ছিদ্দীক (UDA), শ্বহীদ আলী, চফিকুল ইছলাম, আব্দুচ চামাদ, লালমিয়া, কিনাল আলী, আবু তালেব আদিলৈ ধন্যবাদ জনালো। শেষত বৰদৌলগুৰিস্থ (দৰং) পাৰামাউন্ট অফ্‌ছেটৰ স্বত্বাধিকাৰী মঃ ফজলুৰ ৰহমান ফাইজ প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয় আই অসম

চিৰ চেনেহী মোৰ ভাষা জননী

ছাত্ৰ ঐক্য জিন্দাবাদ

শ্ৰদ্ধা আৰু সেৱাৰে —

***আক্ৰাম হুছেইন***
আলোচনী সম্পাদক
২০১১-১২ বৰ্ষ



# সূচীপত্ৰ —

## গল্প—

ভয় আৰু সাহস । মহঃ পিয়াৰুল ইছলাম। ১৯।। — বন্ধুত্বৰ এটি স্মৰণীয় পল। মিছ মঞ্জুৰাৱা বেগম। ২১।। — সীমাৰ সিপাৰে। মহঃ আক্ৰামা হুছেইন। ২২।। —সোঁৱৰণী। মিছ আখতাৰা আলম। ২৬।। — গল্পৰ সন্ধানত। মঃ হাছেন আলী। ২৭।। — ছিলমনিৰ বিননি। খন্দকাৰ দেলোৱাৰ হুছেইন। ৩০।। — প্ৰেমৰ চিঠিঃ এক অবুজ শিহৰণ। আলকিমা ইয়াছমিন।৩১।। — মহৎ। মহঃ আব্দুল হালিম ।৩২।। — প্ৰেম সম্পৰ্কে। মহঃ ৰাহুল আনছাৰী। ৩৩।।

## প্ৰবন্ধ —

স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদ আৰু জাতীয় সংহতি। এন জামান ।৩৪।। — বড়ো-কছাৰী জনগোষ্ঠীৰ উৎসৱ পাৰ্বণ ঃ এটি চমু আলোকপাত। জাহিদা চুলতান। ৩৮।। — কাৰ্লমাৰ্ক্স আৰু লেনিনৰ জীৱনৰ কেইটিমান দিশ। মহঃ আব্দুল মজিদ। ৪৪।। — অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ। মিচিৰা পাৰবিন। ৪৬।। — ইংৰাজী ভাষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অহেতুক ভয়। আব্দুৰ ৰহিম।৪৯।। — প্ৰাৰ্থনা- এক মানসিক ব্যায়াম। শ্ৰীধনশ্ৰী শৰ্মা। ৫৫।। — স্মৃতিৰ টুকুৰা ছবিৰে। জীৱেন্দ্ৰ মোহন দেৱশৰ্মা। ৫৮।।

## কবিতা—

তুমি। মিছঃ আৰিফা আখতাৰা। ৬৩।। — ভাইৰাছ। আশ্ৰাফুল আলম চৌধৰী।৬৪। তুমি অবিহনে। শেখ আশ্ৰাফুল নাহাৰ।৬৪।। — যি তোমাক নুবুজে। মিছ উম্মোহানী বেগম।৬৪।। — বন্ধুৰ অকাল মৃত্যু। ওমৰ আলী।৬৫। — উপলব্ধি। নুৰনেহাৰ বেগম।৬৫। — জীৱনৰ সিপাৰে। অবিৰ আলী।৬৬। — সংসাৰ বেদনা নহয়। মিছঃ মুৰ্শিদা খাতুন।৬৬। — মানৱ বোলে শ্ৰেষ্ঠ এয়া দেখোন জধামূৰ্খৰ কাণ্ড। মইবিল্লা হুছেইন।৬৭। —সপোন। জোৰাহীজ আলী আহমেদ।৬৭। — প্ৰেম। নাচৰিণ আখতাৰা আহমেদ।৬৮। — আশা। নাজমা পাৰবিন আহমেদ।৬৮। — নতুন বছৰৰ আগমণ। মণি আহমেদ।৬৮। — শান্তি ক'ত। ঝিলমিল বেজবৰুৱা।৬৯। — নদীৰ বুকুত কিয়েহু আনন্দ। শ্বাহালম চৌধৰী।৬৯।

# সূচীপত্ৰ —

## ENGLISH SECTION

Missing You : Arifa Shaina Yeasmin:70: __ 'LIFE' : Mrs. Mala Chakraborty: 70: __ Can't Live Without You : Ziarul Hoque (AGS):71: __ Destiny: Md. Suleiman Ali:71: __ Thanks for you love : Abdullah al Mamun:71: __ Rajiv Gandhi Orang National Park : Dr. Buddhin Ch. Hazarika:72: __ Right To Information in India : Md. Nurul Islam:76: __ Swami Vivekananda - A Great Educator : Dr.Parimal Kumar Datta:79: __ Distance Education : A Boon to the Learners : Abdul Awal:83: __Value Education : Core Components:87: A.H. Mazumdar

## HINDI SECTION

प्रेमचन्द के साहित्य में राष्ट्रीय चेतना। सिकदार आनवारुल इसलाम। 89 __ इस्लामिक जगत का महाभारत। आब्दुल मतिन। 92 __ शंकरदेव की साहित्यिक देन। मोस्ताफा नुरउज जामान। 94 __ कविता - 'ए स्त्री' मुहम्मद हासेन आली। 98 वो भी क्या जिन्देगी है?। म: श्वाहआलम चौधुरी। 98

## অন্যান্য—

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগীতা সমূহৰ ফলাফল। ৯৯—১০৫
ছাত্ৰ একতা সভাৰ সম্পাদকীয় প্ৰতিবেদন। ১০৬ — ১১৯
মহাবিদ্যালয়ৰ অধ্যক্ষৰ তালিকা। ১১৯
মহাবিদ্যালয়ৰ আলোচনীৰ তত্বাৱধায়ক আৰু সম্পাদকৰ তালিকা।১২০
আলোকচিত্ৰ। ১২১—১২৪



## গল্প—

# ভয় আৰু সাহস

মহঃ পিয়াৰুল ইছলাম
বি.কম (প্ৰথম বৰ্ষ)

ভয়ৰ বিপৰীত গুণটোক আমি সাহস বুলি জানো। ওপৰে ওপৰে চালে ভয় নথকা মানুহৰ সাহস আৰু সাহস নথকা মানুহৰ ভয় থাকে। আচলতে কথাটো কিন্তু ইমান সহজ নহয়। ব্ৰিটিছ সাংসদৰ প্ৰথম গৰাকী মহিলা সদস্যাৰ নাম আছিল এন্সি এষ্টৰ। এই গৰাকী মহিলাই ভয় কি বস্তু তাক জনা নাছিল। তেওঁ কাকো ভয় নকৰিছিল, তেওঁ শাৰিৰীক বিপদক ভয় নকৰিছিল, সমালোচকক ভয় নকৰিছিল। তেওঁৰ মনত ভয়ৰ কোনো অস্তিত্বই নাছিল।

এন্সি এষ্টৰ এগৰাকী অসাধাৰণ মহিলা আছিল। তেওঁৰ ক্ষেত্ৰত যিটো সত্য হ'ব পাৰে আন বহুতৰ ক্ষেত্ৰত সেইটো সত্য নহবও পাৰে। নোহোৱাটোৱে স্বাভাৱিক। সাহসৰ যিটো সংজ্ঞা সৰ্বসাধাৰণ মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে সেইটো হ'ল—যিজন মানুহে ভয় অনুভৱ কৰা স্বত্বেও ভয় দমন কৰিব পাৰে তেওঁকেই আমি সাহসী মানুহ বুলি কওঁ।

ভয় মানুহৰ এটা সহজাত প্ৰবৃত্তি। যিহেতু আত্মৰক্ষা জীৱ মাত্ৰৰেই স্বাভাৱিক ধৰ্ম। সেই কাৰণে প্ৰাণৰ প্ৰতি ভাবুকি আহিলেই মানুহে ভয় অনুভৱ কৰে আৰু সেই ভয়ৰ দ্বাৰা তাড়িত হৈ মানুহে বিপদৰ উৎস পৰিহাৰ কৰি চলে। কিন্তু আত্মৰক্ষা মানুহৰ স্বাভাৱিক ধৰ্ম হ'লেও মানুহৰ মাজত বিপুল ব্যৱধান আছে। নিজৰ প্ৰাণৰক্ষা কৰি চলাৰ বাহিৰে কুকুৰ শিয়ালৰ আন কোনো উদ্দেশ্য থাকিব নোৱাৰে। কিন্তু মানুহ হোৱাৰ গৌৰৱ বা যন্ত্ৰণা এইটোৱেই যে কেৱল প্ৰাণটো ৰক্ষা কৰিয়েই মানুহে জীৱনৰ সম্পূৰ্ণ আনন্দ লাভ কৰিব নোৱাৰে। কেতিয়াবা প্ৰাণটো ৰক্ষা কৰাতকৈ প্ৰাণটো বিসৰ্জন দিহে মানুহে বেছি সাৰ্থক হোৱা যেন অনুভৱ কৰে। কুকুৰ শিয়ালৰ জীৱনত প্ৰাণ ৰক্ষাৰ বাহিৰে আন কোনো উদ্দেশ্য নাই। কিন্তু মানুহে প্ৰাণ ৰক্ষা কৰাতকৈ বেছিকৈ চিন্তা কৰিব লগা হয় নিজৰ মনুষ্যত্ব ৰক্ষা কৰাৰ কথা। মনুষত্ব বুলিলে মানুহৰ সেইবোৰ গুণক বুজায় যিবোৰ গুণে মানুহক সেইবোৰ শিকায় যে কেৱল উশাহ-নিশাহ লৈ জীয়াই থকাটোৱেই জীৱন নহয়, যিবোৰ গুণে মানুহক জীৱনৰ অৰ্থ আৰু উদ্দেশ্য সন্ধান কৰিবলৈ শিকায়। যিবোৰ গুণে মানুহক একে সময়তে জৈৱিক, বৌদ্ধিক আৰু নৈতিক এই তিনিখন জগতৰ অধিবাসীত পৰিণত কৰে। যিবোৰ গুণে মানুহক সত্য আৰু আদৰ্শৰ কাৰণে প্ৰাণ উছৰ্গা

কৰিবলৈ প্ৰেৰণা দিয়ে। একে আষাৰে ক'বলৈ গ'লে মনুষ্যত্বই মানুহক এই শিক্ষা দিয়ে যে মানুহে অনুভৱ আৰু বিশ্বাস কৰা বহুতো কথাৰ মূল্য জীৱনটোতকৈ হাজাৰ গুণে বেছি। বহু হাজাৰ বছৰ ধৰি মানুহে তিল তিলকৈ নিজৰ মনুষ্যত্ব গঢ়ি তুলিছে আৰু ই মানুহক ইতৰ প্ৰাণীৰ পৰা পৃথক কৰিছে। ইতৰ প্ৰাণীয়ে কেৱল নিজৰ প্ৰাণটো ৰক্ষা কৰি চলিলেই হয়। কিন্তু মানুহে নিজৰ প্ৰাণৰ লগতে মনুষ্যত্বৰ কথা চিন্তা কৰিব লগা হয়।

ভয়ে কেৱল আত্ম ৰক্ষাৰ কামতহে সহায় কৰে। কিন্তু মনুষত্বৰ ৰক্ষা কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ পৰিৱৰ্ত্তে প্ৰতিবন্ধক হৈ থিয় দিয়ে। মনুষ্যত্বৰ চৰম আদৰ্শই বহু সময়ত দাবী কৰে আত্মা উছৰ্গা বা প্ৰাণ আহুতি। কিন্তু ভয়ে মানুহক অমানুহত পৰিণত পৰিণত কৰে। আত্মোৎসৰ্গৰ গৌৰৱৰ পৰা ভয়ে মানুহক বঞ্চিত কৰে। নিজৰ বিবেক তথা বিচাৰ অনুযায়ী মানুহে সদায় সত্য ব্যক্ত কৰিব লাগে বা সত্যৰ সপক্ষে থিয় দিব লাগে। কিন্তু প্ৰাণৰ ভয়ত নিজৰ বিবেকৰ বিৰোধীতা কৰি সত্যৰ বিপক্ষে থিয় দিয়ে। যি মানুহে প্ৰাণৰ ভয়ত নিজৰ বিবেকৰ বিৰোধীতা কৰে বা শক্তিমানৰ ওচৰত শিৰণত কৰে, তেনে মানুহে হয়তো যিকোনো প্ৰকাৰে নিজৰ প্ৰাণটো ৰক্ষা কৰে। কিন্তু তেওঁ কেতিয়াওঁ ৰক্ষা কৰিব নোৱাৰে নিজৰ জীৱনৰ গৌৰৱ। এইবোৰ কাৰণতে মানৱ জাতিৰ শ্ৰেষ্ঠ শিক্ষক সকলে যুগ যুগ ধৰি ভয়ৰ নিন্দা কৰি আহিছে আৰু মানুহৰ শ্ৰেষ্ঠ গুণৰ ভিতৰত শীৰ্ষ স্থান দিছে সাহসক।

কিন্তু প্ৰকৃত সাহসৰ অৰ্থ হ'ল আদৰ্শৰ কাৰণে নিজৰ প্ৰাণ উছৰ্গা কৰিব পৰাৰ সাহস। যিটো অৰ্থত ইতিহাসৰ আটাইতকৈ সাহসী মানুহ হ'ল- চক্ৰেটিছ, যীশুখ্ৰীষ্ট, মহাত্মা গান্ধী ইত্যাদি। সাহসৰ প্ৰকৃত অৰ্থ নজনা মানুহে নিষ্ঠুৰভাৱে নৰ হত্যাৰ প্ৰবৃত্তিকে সাহস বুলি ক'ব খোজে। পৃথিৱীৰ সকলো দেশতে এনে নিষ্ঠুৰ নৰ হত্যা হয়। এনে ধৰণৰ হত্যা কাণ্ডত নিষ্ঠুৰতা প্ৰকাশ হয়। যিবোৰ হত্যা কাণ্ডত ব্যক্তিগত হিংসা, আৱেগ অনুভূতি জড়িত হৈ থাকে। কিন্তু সন্ত্ৰাসবাদে বাচি লয় কিছুমান নিৰীহ নিৰ অপৰাধ মানুহক নিজৰ চিকাৰ হিচাপে। কোনো ব্যক্তিগত অনুভূতি থকা মানুহে আদৰ্শৰ নামত নিৰপৰাধ মানুহক হত্যা কৰিব নোৱাৰে। তেন্তে কেনে ধৰণৰ মানুহ এনে হত্যা কাণ্ডত লিপ্ত হয়? এই প্ৰশ্নৰ উত্তৰত বিপ্লৱী নেতা ভি, লেনিনে কৈছিল- "Among a hundred so called Bolsheviki, there is one real Bolsheviki with thirty nine criminals and sixty fools"

****

??

১। শিক্ষক সকলেই হ'ল প্ৰকৃতাৰ্থত জাতিৰ ভাগ্য নিৰ্মাতা। — ড০ জাকিৰ হুচেইন।
২। মহৎ কাৰ্য শক্তিৰে নহয়, অধ্যৱসায়েৰেহে সম্পন্ন হয়। — ছেমুৱেল জনছন।
৩। যৌৱনত মই সময় অপব্যয় কৰিছিলো। প্ৰতিদানত এতিয়া মোক সময়ে অপব্যয় কৰিছে! — শ্বেক্সপীয়েৰ।
৪। নিজৰ জীৱনটো চুটি কৰাৰ প্ৰধান উপায় হ'ল আনক ঈৰ্ষা কৰা। — অ'ল্ড টেষ্টামেন্ট।
৫। খং যেতিয়া উঠে, তেতিয়া সদায় ফলাফললৈ মনত ৰাখিব। — কনফুচিয়াছ।
৬। গ্ৰন্থ নথকা কোঠা আৰু প্ৰাণ নথকা শৰীৰ একেই। — চিচাৰু।
৭। প্ৰকৃততে কাক ভাল পাব লাগে, কাৰ পৰা আঁতৰি চলিব লাগে, সেই কথা জনাজনেই শিক্ষিত। — লিন ইউটাং।
৮। জ্ঞানীয়ে তেওঁ কিখিনি কৰিবলৈ সক্ষম, সেয়া নাভাবে। তেওঁ আচলতে কি কৰা উচিত, সেইটোহে ভাবে। — মন্টইন।
৯। মহিলাক ভুল নুবুজিব। মহিলাই সকলোকে ক্ষমা কৰি দিয়ে। অন্যথা মানৱ জাতি কাহানিবাই নিঃশেষ হৈ গ'লহেঁতেন। — ৰবাৰ্ট এ. হেইনলেন।

সংগ্ৰাহক ঃ শ্বেখ আশ্ৰাফুল নাহাৰ
স্নাতক ২ য় বৰ্ষ



গল্প—

# বন্ধুত্বৰ এটি স্মৰণীয় পল

মিছ মঞ্জুৱাৰা বেগম
স্নাতক প্ৰথম বৰ্ষ

নাজানো মানুহে বন্ধুত্বৰ মহত্বক কিমান গুৰুত্ব দিয়ে, কিন্তু মোৰ মতে বন্ধুত্ব হ'ল মোৰ জীৱনৰ পণ, মোৰ জীয়াই থকাৰ উৎসাহ, মোৰ প্ৰেৰণা ইত্যাদি। বন্ধুত্ব নামৰ শব্দটিত যে ইমান শক্তি আছে সেই কথাযাৰ মই আগতে উপলব্ধি কৰা নাই। আজি মই এই শব্দটিৰ সৈতে জড়িত হৈ গৈছো। মই কেতিয়াও ইয়াক উলাই কৰিব নোৱাৰিম।

মোৰ জীৱনত মই বহুতো বন্ধু বান্ধৱী পাইছো। তাৰে কিছুমান ভাল আৰু কিছুমান বেয়াও আছে। কিন্তু ভাল আৰু বেয়া দুয়ো মোৰ কাৰণে অতি প্ৰয়োজনীয়। সেই বন্ধু-বান্ধৱীবোৰৰ মাজত মোৰ প্ৰিয় বান্ধৱী মইনা, যিয়ে মোৰ সুখ আৰু দুখ সকলো সময়তে মোৰ লগ দিছে। এয়াই মোৰ প্ৰিয় বান্ধৱী যাৰ কাৰণে মই আজি ইমান সফলতা লাভ কৰিব পাৰিছো। সেই দিনটোৰ কথা ভাবিলে মই গৰ্ব অনুভৱ কৰো যে মই মোৰ জীৱনত এনেকুৱা এজনী বান্ধৱী পাইছো, যিয়ে মোৰ সফলতাত ইমান সহায় কৰিছে, যিয়ে মোক বন্ধুত্বৰ মহত্বৰ বিষয়ে শিকাই দি গৈছে।

সপ্তম শ্ৰেণীৰ ঘটনা এটা। প্ৰাৰ্থনা কৰাৰ সময়ত মই আৰু মইনা দুয়ো একেলগে ক্লাছৰুমৰ পৰা কিতাপ থৈ বাহিৰলৈ ওলাই আহিলো প্ৰাৰ্থনা কৰিবলৈ। সিদিনা তাইৰ ওপৰত মোৰ বহুত খং উঠিছিল। কাৰণ তাইৰ ষষ্ঠ শ্ৰেণী আৰু সপ্তম শ্ৰেণীতো ৰোল নং-১ আছিল। মই ইমান চেষ্টা কৰো তাইক পিছ পেলাবলৈ কিন্তু নোৱাৰো। ৰিজাল্টৰ পিছত মই দ্বিতীয় হোৱাৰ কাৰণে দেউতাই মোক বহুত গালি পাৰিলে। গালি শুনি খঙতে সিদিনা ৰাতি ভাত খোৱা নাছিলো। ৰাতি মোৰ তাইৰ ওপৰত এনেকুৱা খং উঠিছিল যে তাই যদি তেতিয়া মোৰ সন্মূখত থাকিলেহেঁতেন মই কিজানি তাইক মাৰিয়েই পেলালোহেঁতেন। ৰিজাল্টৰ কেইদিনমান পিছত স্কুল খোলাত স্কুললৈ যাবলৈ আৰম্ভ কৰিলো। তেতিয়া তাইক দেখি মোৰ কেনেকুৱা লাগিল সেইটো আপোনালোকে নিশ্চয় গম পাইছে। প্ৰাৰ্থনা কৰাৰ সময়ত দুয়ো একেলগে থিয় হলো। প্ৰাৰ্থনা শেষ হোৱাৰ পিছত ক্লাছ ৰুমলৈ ওভতাৰ সময়ত মই মইনাক খঙতে কলো—মইনা, এইবাৰ তোমাৰ ৰোল নং এক হৈছে, অহা বছৰ মই এক হৈ উত্তীৰ্ণ হমেই। সেই সময়ত আমাৰ মাজত মাথো কাজিয়াহে হৈছিল। এইকথা লৈ সিদিনাখনৰ পৰা লাগি গ'ল আমাৰ মাজত কাজিয়া। মই তাইক কলো যে আজিৰ পৰা মোৰ ৰোল নং এক নোহোৱালৈকে তোমাৰ লগত আৰু কথা নাপাতো। তাইয়ো কলে ঠিক আছে তেনেহলে ময়ো কথা নাপাতো।

এদিন, দুদিনকৈ এসপ্তাহ পাৰ হৈ গ'ল, আমাৰ মাজত কোনো কথা-বতৰা নাই। দিন যোৱাৰ পিছত মোৰ মনটো বেয়া লাগিল আৰু মইনাক মাতিবলৈ উদ্‌গীব বৈ পৰিলো। আকৌ মই ভাবিলো তাই বা মই মাতিলে মাতে নে নেমাতে। আমাৰ লগৰ বান্ধৱীবোৰে দুয়োজনীকে মিলাবলৈ বহুত চেষ্টা কৰিলে। কেতিয়াবা মোৰ টিফিনটো তাইৰ বেগত বা মোৰ বেগত তাইৰ টিফিন আনি ভৰাই থয়। ইয়াৰ উপৰিও মোৰ কিতাপ কলমৰ লগত তাইৰ কিতাপ কলমৰ সালসলনি কৰে। কিন্তু ভবা মতে কাম নহল। পিছত সিহঁতে এদিন আমাৰ সন্মানীয় শিক্ষাগুৰুসকল যেনে ছোলেমান ছাৰ, ভৱালী ছাৰ, আমিনুল ছাৰ আৰু ফিৰোজ ছাৰক এই বিষয়ে কলে। সেয়ে এদিনাখন ছাৰে লেজাৰৰ সময়ত আমাক মাতিলে আৰু দুয়োকে বুজালে আৰু দুয়োজনীকে হাতত হাত ধৰিবলৈ দিলে। ছাৰৰ

আগতনো আমি কি কৰিম? উপায় নেপাই দুয়োৰে ছাৰৰ কথা মানিবলৈ বাধ্য হলো।

পিছদিনাখন আকৌ কাজিয়া লাগিল আমাৰ মাজত সন্মূখত বহালে। সিদিনাখনৰ পৰা তাই আগত বহিলে মই একেবাৰে শেষত আৰু মই আগত বহিলে তাই শেষত বহে। এনেকৈয়ে মনৰ মাজত বিদ্ৰোহৰ ভাৱ লৈ আমি এবছৰ কথা নপতাকৈ থাকিলো। পিছত এবছৰৰ মূৰত পৰীক্ষাৰ ৰিজাল্ট ওলাল। মোৰ ৰোল নং এক আৰু তাইৰ দুই হল। সিদিনাখন মোৰ বহুত ভাল লাগিছিল, কিন্তু কিয়বা মোৰ বেয়াও লাগিছিল। কিয়নো তাই মোৰ অতি প্ৰিয় বান্ধবী। তাইৰ সৈতে মই মোৰ আনন্দ ভাগ কৰিব নোৱাৰিলো। মই জানো তাই মনত দুখ পাইছে।

এবছৰৰ পাছত অষ্টম শ্ৰেণীত উঠাৰ পাছত তাইৰ লগত কথা পাতিবলৈ বহুত মন গৈছিল কিন্তু মোৰ ভয় লাগিছিল কিজানি তাই মোৰ লগত কথা নেপাতে নেকি? কিন্তু তাই যিমানে খং নকৰক কিয় মোৰ লগত কথা নপতাকৈ আৰু থাকিব নোৱাৰে আৰু ময়ো নোৱাৰো। তাই সদায় মোলৈ চাই থাকে আৰু ময়ো তাইলৈ চাই থাকো কথা পাতিবলৈ। এদিনাখন জিৰণিৰ পিছত সকলো ছাত্ৰ-ছাত্ৰী শ্ৰেণী কোঠাৰ পৰা বাহিৰলৈ ওলাই গৈছিল কিন্তু তাই ওলোৱা নাছিল সেয়ে ময়ো ওলোৱা নাছিলো। মই ভাবিলো যে আজি তাইৰ লগত কথা পাতিম। মই লাহে লাহে তাইৰ ওচৰলৈ গলো। তাই মোৰ পিনে চাই হাঁহি দিলে, ময়ো হাঁহিলো। মই নাজানো সেয়া কিহৰ হাঁহি আছিল কিন্তু সেই হাঁহিয়ে আমাৰ মনৰ পৰা শত্ৰুতাক চিৰদিনৰ বাবে দিলে। আমি আগৰ দৰে ভাল বন্ধু হিচাপে থাকিবলৈ আৰম্ভ কৰিলো। আমাৰ মাজৰ বন্ধুত্ব দৃঢ় হৈ গ'ল আৰু এই দৃঢ়তা দিনে দিনে বাঢ়িবলৈ ধৰিলে।

মোৰ জীৱনৰ এয়াই আছিল অতি স্মৰণীয় ঘটনা। এই ঘটনাটোৱে মোক পঢ়াশুনাৰ প্ৰতি মনোযোগ, বন্ধুত্বৰ মহত্ব ইত্যাদি বিষয়ে শিকালে। মই কেতিয়াও তাইক পাহৰিব নোৱাৰিম। সঁচাকৈয়ে তাইয়ে হৈছে মোৰ প্ৰকৃত বান্ধবী।

****

গল্প—

# সীমাৰ সিপাৰে......


মহ ঃ আক্ৰাম হুছেইন
স্নাতক প্ৰথম বৰ্ষ


সেই মুহূৰ্ত্তত সিহঁতৰ প্ৰিয় সেউজীয়া ঘাঁহনিডৰাত বহি নয়ন আৰু শিখাই আপোন বিভোৰ হৈ কথা পাতি আছে। মাজে মাজে শিখাক কিছু উদাস দেখাইছে। মাজে মাজে অভিমানত ওফন্দি উঠিছে তাইৰ মুখমণ্ডল, কিয়নো কেইদিনমান পাছত নয়ন গুৱাহাটীলৈ যাবগৈ ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ। নয়ন মেধাবী ছাত্ৰ। পিছপৰা গাঁওখনত সিয়েই এতিয়া যেন ৰাইজৰ আশা ভৰষাৰ থল। তাৰ সাফল্যাই গাঁওখনলৈ সুনাম কঢ়িয়াই আনিছে। শিখা আৰু নয়নৰ ভালপোৱাই এবছৰ পূৰ্ণ কৰিলে। তাই এইবাৰ মেট্ৰিক পৰীক্ষা দিব। পঢ়াশুনাত তাইয়ো চোকা। তাইৰ ফলাফললৈও গাঁওবাসীয়ে আশাৰে বাট চাইছে। "নয়ন তুমি গুৱাহাটীলৈ গৈ মোক পাহৰি যাবা নেকি?" ইমান পৰ ভাৱত বিভোৰ নয়নৰ শিখাৰ প্ৰশ্নত সন্বিত ঘূৰি আহিল।

"মই গুৱাহাটীলৈ পঢ়িবলৈহে যাম, তোমাক পাহৰিবলৈ নাযাওঁ নহয়! আকৰীজনী ক'ৰবাৰ" সি দুষ্টামি ভৰা উত্তৰ দিয়ে।

লাহে লাহে নয়নৰ গুৱাহাটীলৈ যোৱাৰ দিন কাষ চাপি আহিল। শিখাৰ মনত নানা দুৰ্ভাবনা আদিয়ে জুমুৰি দি ধৰিলে। নয়নেও যাবলৈ লাহে লাহে মন বান্ধিলে শিখাৰ বুজনিত। চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হোৱাৰ দুঃচিন্তা এয়া দুয়োৰে মনত।

পিছদিনা ৰাতিপুৱা নয়ন গুৱাহাটীলৈ যাবলৈ ওলাইছে। শিখাই তেতিয়া ঘৰতে বহি কান্দি আছে। তাইৰ মনত বেজাৰ। নয়ন আজি গুচি গ'লে চাৰি বছৰৰ পিছতহে দেখা পাব। ইমান দিন তাই অকলে কি কৰিব, কাৰ আগত তাইৰ মনৰ কথাবোৰ ক'ব............ইত্যাদি কথাবোৰ ভাবি অকলে ঘৰত কান্দি আছিল। নয়নেও এবাৰ শিখাক লগ কৰিবলৈ ব্যগ্ৰ হৈ পৰিল। সেয়ে নয়নে শিখাক মাত এষাৰ দি যাবলৈ সিহঁতৰ ঘৰলৈ গ'ল। নয়নে গৈ মাত লগালে—"শিখা, শিখা তুমি ক'ত। ক'ত তুমি প্লিজ কোৱা তুমি ক'ত? মই যাবলৈ ওলাইছো। তোমাক নেদেখাকৈ মই যাব নোৱাৰো শিখা। Please তুমি বুজিব চেষ্টা কৰা, তুমি এনেকুৱা কৰিলে মই গৈ কেনেকৈ তাত থাকিম। মোৰ গাড়ী ৰখি আছে। আৰু আধা ঘন্টা পিছত মই যামগৈ।

শিখা তেতিয়ালৈকে তাইৰ কোঠাত বহি কান্দি আছিল। যেতিয়া নয়নৰ মাত শুনা পালে লগে লগে চকুপানী মচি বাহিৰলৈ ওলাই আহিল। শিখাক দেখি নয়নে ক'লে-

ঃ "শিখা তুমি আমাৰ ঘৰলৈ অহা নাই, মই আজি যামগৈ তুমি নাজানা নেকি? নয়নৰ কণ্ঠত অভিমানৰ সুৰ.........

ঃ নাই নয়ন মই জানো তুমি যাবাগৈ। ঘৰত কাম, আছিল সেয়ে পলম হ'ল। পিছে গোটেই লাগতিয়াল বস্তুখিনি লৈছানে নে আৰু কিবা বাকী ৰৈ গ'ল? নয়নে খণ্ডতে ক'লে.... চিন্তা নকৰিবা শিখা। মোৰ লাগতিয়াল সকলো বস্তু মই লৈছো। মাথোন এটি অতি মৰমৰ বস্তু এৰি থৈ যাবলৈ ওলাইছো।

ঃ "নয়ন তুমি এইবোৰ আকৌ কি কৈছা। তোমাৰ অতি মৰমৰ বস্তুটোনো কি? মোকতো তুমি কেতিয়াওঁ কোৱা নাই। কিনো তোমাৰ অতি মৰমৰ বস্তু। মোক কোৱা মই আনি দিম। কি কোৱানা তুমি?"

ঃ শুনিবা নেকি! শুনিলে কিন্তু মোক লাগিবই।

ঃ অ' দিম! তুমি কোৱানা কি?

ঃ তুমি!

নয়নৰ কথাষাৰ শুনি শিখাৰ মাত বন্ধ হৈ গ'ল। তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে।

ঃ শিখা Please তুমি নাকান্দিবা। মই এনেই ধেমালি কৰিলো। শিখা তুমি মোক আগুৱাই দিবলৈ নহা নেকি?

কথাখিনি কৈ নয়ন আৰু শিখা দুয়ো শিখাৰ ঘৰৰ পৰা ওলাল। নয়নে শিখাৰ মাক-দেউতাকৰ পৰা আশীৰ্বাদ লৈ ঘৰলৈ যাবলৈ ওলালে। শিখা নয়নৰ লগত গ'ল। নয়নৰ গাড়ীখন ৰৈ আছে। নয়নে তাৰ মাক-দেউতাকৰ আশীৰ্বাদ ললে আৰু পিছত শিখাৰ ওচৰত গৈ শিখাক স্মৃতিৰে চিনৰূপে এটি আঙুঠি পিন্ধাই দিলে। শিখায়ো বহুত দিন আগেয়ে নিজে হাতে বোৱা ফুলাম গামোচা এখন আনিছিল। সেই গামোচা খন শিখাই নয়নক মৰমৰ চিনস্বৰূপে দিলে। পিছত নয়ন সকলোৰে পৰা বিদায় লৈ গাড়ীত বহিল। নয়ন গ'লগৈ।

শিখা ঘৰলৈ উভতি আহিল আৰু নয়নৰ কথাকে ভাবিব ধৰিলে। নয়ন গুৱাহাটী পালেগৈ। নয়নে প্ৰতি মাহে শিখালৈ চিঠি লিখি পঠিয়ায়। শিখায়ো নয়নলৈ চিঠি লিখে। সিহঁতৰ ভালপোৱা দিনক দিনে বাঢ়িবলৈ ধৰিলে এনেকৈ দুবছৰ পাৰ হ'ল শিখাই মেট্ৰিক পৰীক্ষা দিলে আৰু প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। শিখাই নয়নলৈ খবৰটো চিঠিত লিখি পঠিয়াই দিলে। শিখাৰ ৰিজাল্ট পাই নয়নে বহুত আনন্দ পালে। নয়নে বহুত সহায় কৰিছিল তাইক। বহুত উৎসাহ, প্ৰেৰণা দিছিল পঢ়াৰ কাৰণে। শিখাই পিছত ভাল কলেজতনাম লিখাই ললে আৰু ভালদৰে পঢ়িবলৈ আৰম্ভ কৰিলে। নয়নেও ভালদৰে পঢ়াশুনা কৰি আছে আৰু দুবছৰ পিছত নয়নৰ কৰ্ছ সম্পূৰ্ণ হ'ব আৰু ঘৰলৈ উভতি আহিব।

নয়ন আৰু শিখাৰ প্ৰেম যেন গভীৰ সোঁতৰ দৰে বৈ আছে। শিখাৰ বহুত ইচ্ছা নয়নক চাবলৈ। বহুত বাট চাই আছে নয়নক চাবলৈ। তাইৰ কেতিয়া অন্ত পৰিব এই অপেক্ষাৰ দিনবোৰ। তাই সদায় তাকেই ভাবি থাকে। নয়নো যথেষ্ট উৎকণ্ঠিত হৈ আছে শিখাক লগ পাবলৈ। চাই থাকোতে আৰু এবছৰ পাৰ হ'ল। শিখাই উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ পাছ কৰিলে।

নয়নৰো আৰু মাত্ৰ এটা বছৰ আছে, কৰ্ছ সম্পূৰ্ণ হ'বলৈ। সেই এটা বছৰো পাৰ হ'বলৈ ধৰিলে। অৱশেষত শিখাই উচ্চতৰ মাধ্যমিক ফাইনেল পৰীক্ষা দিলে। তিনিমাহ মান পিছত তাইৰ ৰিজাল্ট আহিল। শিখা প্ৰথম বিভাগত এটাত লেটাৰ নম্বৰসহ উত্তীৰ্ণ হ'ল। আনফালে নয়নৰো কৰ্ছ সম্পূৰ্ণ হ'ল। নয়নেও তাৰ ফাইনেল পৰীক্ষা দিলে। কেইদিন মান পিছত নয়ন ঘৰলৈ আহিব। ঘৰত আনন্দৰ পৰিবেশ। চাৰি বছৰ পিছত নয়ন ঘৰলৈ আহিব।

শিখাৰ চিন্তাৰ যেন আজি অন্ত পৰিব। শিখা আজি বহুত সুখী। কিয়নো আজি তাইৰ নয়ন আহিব। তাইৰ চাৰিবছৰীয়া অপেক্ষাৰ অন্ত পৰিব। দুয়ো আজি ব্যগ্ৰ এজনে আনজনক লগ পাবলৈ। শিখাই পুৱাৰে পৰা একো কামত মন বহাব পৰা নাই। নিজৰ খোৱা লোৱা বাদ দি নয়ন অহালৈ বাট চাই আছে। নয়ন কেতিয়া আহি পায়, নয়নক দেখিলে শিখাৰ মনটো কেনেকুৱা লাগিব, কি কথা পাতিব.......ইত্যাদি

প্ৰশ্নৰে শিখাৰ মনটো ভৰি পৰিছিল। তাইৰ হৃদ স্পন্দনবোৰ ক্ৰমাৎ দ্ৰুত হ'বলৈ ধৰিছে। কিন্তু নয়ন এতিয়ালৈ ঘৰ আহি পোৱাই নাই। হয়তো আৰু অলপ দেৰি হ'ব পাৰে। কিন্তু শিখাই যেন অলপ বেলেগ অনুভৱ কৰি আছে। তাইৰ বহুত চিন্তা হৈ আছে। গোটেই দিন পাৰ হৈ এতিয়া সন্ধিয়া হ'ব ধৰিছে। তথাপিতো নয়নৰ কোনো খবৰেই নাই। ঘৰৰ মানুহবোৰেও বহুত চিন্তা কৰি আছে। শিখাৰ যেন হিয়াখন ভাঙি যাব ধৰিছে।

ৰাতি প্ৰায় ৯-০০ মান বজাত নয়নৰ ঘৰলৈ এখন জিপ গাড়ী আহিল। গাড়ী খনৰ পৰা আৰক্ষী অধীক্ষক নামি আহিল। নয়নৰ পদুলীত থিয় হৈ মাত লগালে।

ঃ হেল্লো! ঘৰত কোনোবা আছেনে?

ভিতৰৰ পৰা নয়নৰ দেউতাক ওলাই আহিল, আহি পুলিচৰ গাড়ী দেখা পাই আচৰিত হৈ উত্তৰ দিলে... অ' আছো। আপুনি বা কি কামত আহিল!

ঃ অ' মহাশয় নয়ন মনি গগৈ আপোনাৰ ল'ৰা হয়নে?

ঃ অ' হয় নয়ন মোৰ ল'ৰা। কিয়? কি হৈছে নয়নৰ?

ঃ তাত মানে আজি পুৱা গুৱাহাটীৰ পৰা ওলোৱা প্ৰথমখন ট্ৰেইনৰ দুৰ্ঘটনা হৈছে। বহুত মানুহৰ মৃত্যু হৈছে। সেই ট্ৰেইন খনত নয়ন মনি গগৈ নামৰ ল'ৰা এজনৰ পৰিচয় পত্ৰ খন পোৱা গৈছে। কিন্তু ল'ৰাজনৰ Deadbody এতিয়ালৈ পোৱা নাই। পৰিচয় পত্ৰত থকা ঠিকনা মতে আমি ইয়ালৈ খবৰ দিবলৈ আহিছো।

কথাষাৰ কৈ আৰক্ষী অধীক্ষকজন গ'লগৈ। নয়নৰ Accident ৰ কথা শুনি যেন দেউতাকৰ গাৰ বল-শক্তি নোহোৱা হৈ গ'ল। অচেতন হৈ তেওঁ মাটিত বাগৰি পৰিল। ভিতৰৰ পৰা নয়নৰ মাক ওলাই নয়নৰ দেউতাকক এনেকুৱা অৱস্থাত পাই এটা ডাঙৰকৈ চিঞৰ মাৰিলে। লগে লগে ঘৰৰ আশে-পাশে থকা মানুহ আহি নয়নৰ দেউতাকৰ মূৰত পানী ঢলাৰ পাছত তেওঁৰ জ্ঞান উভতি আহি পিছত নয়নৰ দেউতাকক ভিতৰলৈ আনি সুধিলে- কি হৈছে বুলি। সোধাত দেউতাকে পুলিচে কোৱা কথাখিনি বিবৰি ক'লে। কথাষাৰ শুনাৰ পাছত মাকৰ এনেকুৱা অৱস্থা হ'ল যেন তেওঁৰ ওপৰত বজ্ৰপাতহে পৰিছে, কথাষাৰ সঁচা নে মিছা বিশ্বাস কৰিব নোৱাৰিলে। লগে লগে ঘৰত কান্দোনৰ ৰোল উঠিল। চাৰিওফালে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হ'ল। খবৰটো পাই শিখাৰ ঘৰৰ মানুহো আহিল কোনোৱে যেন কথাটো বিশ্বাসত ল'ব নোৱাৰিলে। আনফালে শিখা......। শিখাৰ বিশ্বাস বাৰু হ'বনে কথাষাৰ। নোৱাৰিলে......শিখাই বিশ্বাস কৰিব নোৱাৰিলে। তাই নয়নৰ কথাহে বিশ্বাস কৰে। নয়নেতো শিখাক কথা দি গৈছিল যে চাৰিবছৰ পিছত সি তাৰ শিখাৰ ওচৰলৈ আকৌ আহিব। তেনেহ'লে শিখাইনো আৰক্ষী অধীক্ষকৰ কথাক কেনেকৈ বিশ্বাস কৰিব। ঘৰৰ সকলো মানুহে কান্দি আছিল। কিন্তু শিখাই এতিয়ালৈ এটোপাল চকুপানীও টোকা নাই। শিখাৰ বিশ্বাস নয়ন আহিবই। ভগৱানতো ইমান কঠোৰ, নিষ্ঠুৰ নহয় যে কাৰোবাৰ অপেক্ষাৰ বিনিময়ত এনেকুৱা প্ৰতিদান দিব।

মুহূৰ্ত্তৰ ভিতৰতে শিখাৰ গা-মন ভাঙি গ'ল, খোজ পেলাব নোৱাৰা হ'ল মুখেৰে মাতিব নোৱাৰা হ'ল। হায় ভগৱান, কি যে দুৰৱস্থা হ'ল শিখাৰ! সচায় নয়নে তাইক এৰি থৈ গ'লনে কি? শিখাৰ কি ভুল হৈ গ'ল যাৰ কাৰণে ইমান ডাঙৰ পৰীক্ষাৰ মুখামুখি হ'বলগা হৈছে! নয়ন আহিবনে শিখাৰ ওচৰলৈ? এই আবেগে শিখাক এনেকুৱাকৈ খামুচি ধৰিছিল যে তাই একো ক'ব নোৱাৰাকৈয়ে মনৰ কথাবোৰ কান্দোন হৈ প্ৰকাশ পাইছে এনেদৰে —

আজি তুমি কিয় চিনাকী হৈও  
অচিনাকী হৈ ৰ'লা  
মনৰ মনিকোঠাত সাঁচ বহুৱাই  
দূৰতেই চাই ৰ'লা  
তুমি ৰ'বা মোৰ মানসপটত  
মিঠা সোঁৱৰণী হৈ  
মই ৰ'ম তোমাৰ জীৱন পথত  
বাটৰ দুবৰি হৈ  
সৰা ফুল এপাহ হৈ।।

গোটেই ৰাতি পাৰ হ'ল। চাৰিওফালৰ পৰিবেশ গোমা হৈ আছে। কেৱল এটাই শব্দ, কান্দোনৰ.....। শিখাই গোটেই ৰাতিটো ঘৰৰ পদুলিমুখতে বহি নয়ন অহালৈ অপেক্ষা কৰি আছিল। হয়তো আজি শিখাৰ বিশ্বাসৰ জয় হ'ব। কিন্তু নয়ন নাই। পিছদিনা পুৱা প্ৰায় ৮ মান বাজি গ'ল। হঠাৎ শিখাই চিঞৰি উঠিল। সকলোৰে মনত দুখ পাইছে বেছেৰি শিখাৰ কৰুণ অৱস্থা দেখি। তাই এতিয়ালৈকে এটোপাল পানীও মুখত দিয়া নাই। নয়ন উভতি নহাৰ দুঃচিন্তাত সকলো মানুহ ভিতৰি সন্ত্ৰস্ত হৈ পৰিল। শিখাৰ দুচকুত মাথোন শেষ



বিদায় লৈ পঢ়িবলৈ গুৱাহাটীলৈ গুচি যোৱা নয়নৰ কৰুণ চকুযুৰি ভাঁহি থাকিল। এনেতে শিখাই অনতিদূৰত হাতত এখন বেগ লৈ আহি থকা সাইলাখ নয়নৰ দৰে ল'ৰা এজন দেখি প্ৰচণ্ডভাবে চিঞৰি উঠিল। ল'ৰাজনৰ কান্ধত আছিল এখন হাতে বোৱা ফুলাম গামোচা। শিখাই গামোচাখন দেখি যিখন হাতে বোৱা গামোচা তাই নয়নক মৰমৰ উপহাৰ হিচাপে দিছিল। তেনেহ'লে ল'ৰাটো নয়ন হয়নে? ল'ৰাজন আচলতে নয়ন আছিল। অলপ দূৰত আছিল কাৰণে শিখাই প্ৰত্যক্ষ কৰিব পৰা নাই কিন্তু তাইৰ অন্তৰাত্মাই যেন সকলো দৃশ্য প্ৰত্যক্ষ কৰি আছিল। নয়ন যিমানেই শিখাৰ ওচৰ চাপি আহি আছে শিখাৰ হৃদয়ৰ খলকনি সিমানেই বাঢ়ি গৈ আছে। শিখাই তাইৰ মুদ যোৱা চকু দুটি মেলি চালে। তাই সঁচাকৈ নয়নক দেখিছে নে সপোন দেখিছে? তাই সঁচাকৈ নয়নক দেখি বিশ্বাস কৰিব পৰা নাছিল। তাই নয়ন বুলি আৰ্ত্তনাদ কৰি নয়নক দুহাতেৰে সাবট মাৰি ধৰিলে। নয়নেও চাগে গম পাইছে শিখাৰ মনটোৱে কি ক'ব বিচাৰিছে। নয়নেও শিখাক সাবটি ধৰি উচুপি উঠিল। এইদৰে অশান্ত দুটি আত্মাৰ পবিত্ৰ মিলনত কিছু সময় নীৰৱে পাৰ হৈ গ'ল। দুয়ো নীৰৱে কিছু সময় উচুপি থাকিল। শিখাৰ কান্দোনৰ শব্দত সকলোৱে বাহিৰলৈ আহি নয়নক দেখি আচৰিত হ'ল। হেৰুওৱা বুলি ভবা চকুৰ মণি নয়নক জীৱন্তে পাই মাক-দেউতাকৰ মনত আশাৰ এচেৰেঙা ৰ'দে ভূমুকি মাৰিলে। মুখত হাঁহি বিৰিঙি উঠিল। মাকে দৌৰি গৈ নয়নক সাবটি ধৰি ঘৰৰ ভিতৰলৈ লৈ আহিল আৰু নয়নৰ গালে মুখে চুমাৰে ওপচাই দিলে আৰু মাকে চিঞৰি চিঞৰি কান্দিব ধৰিলে নয়নেও মাকৰ কান্দোন সহ্য কৰিব নোৱাৰি· মাকক সাবটি ধৰি সিও কান্দিব ধৰিলে। পিছত নয়নৰ দেউতাক আহি কান্দিব . মানা কৰিলে আৰু নয়নৰ মূৰৰ ওপৰত হাত বুলাই দি নয়নক সাবটি ধৰিলে। অলপ পাছত নয়নৰ খোৱাৰ দিহাৰ বাবে হাত মুখ ধুই খোৱা লোৱাৰ বাবে মাক ব্যস্ত হৈ পৰিল। দেউতাৰে মনৰ ফুৰ্টিতে গোটেই গাঁওখনতেই নয়ন উভতি অহাৰ কথা কৈ ফুৰিলে। গাঁৱৰ মানুহখিনিৰ আশাৰ সূৰ্য্য নয়ন উভতি অহাৰ বাতৰিয়ে সকলোকে আশ্বস্ত কৰিলে।

নয়ন হঁতৰ ঘৰলৈ তেতিয়া শিখাও আহি পাইছে। নয়নৰ মাকে শিখাক বহিবলৈ দি ক'লে-"মই চাহ কৰোঁগৈ ৰ'বা। তোমালোকে কথা পাতা। মোৰ ভাতৰো বেছি পলম নাই। ইতিমধ্যে নয়নৰ দেউতাকো বজাৰৰ পৰা আহি পালে আৰু আটাইকেইজনে চাহ তাহ খাই হাঁহি ধেমালীৰে সময়খিনি কটালে। ঘৰখনত আজি কিবা এক বুজাব নোৱাৰা আনন্দই বিৰাজ কৰিছে। কিয়নো নকৰিব ইমান এটা ডাঙৰ দুৰ্ঘটনাৰ পৰা একমাত্ৰ ল'ৰাজন নিৰ্বিঘ্নে আহি ঘৰ পাইছেহি। তাতে শিখাইয়ো আহি এইখিনি সময় ঘৰখনত সংগ দিছেহি। নয়নৰ দেউতাক মাকে নয়নৰ মনটো বুজি পায়। তেওঁলোকেও মনে প্ৰাণে নয়নৰ বাবে হ'ব লগা কইনাজনী বুলি শিখাকেই ভাবি থৈছে। তাইয়ো ছাত্ৰী হিচাপে মেধাৱী তাতে ব্যৱহাৰ পাতিও নম্ৰ। নয়নৰ লগত সুন্দৰকৈ মিলিব। মাজতে নয়নৰ দেউতাকে নয়নক আচৰিত হৈ সুধিলে যে আৰক্ষী অধীক্ষক জনে কোৱা মতে দুৰ্ঘটনা হোৱা ৰেলখনত নয়নৰ পৰিচয় পত্ৰখন পোৱা গৈছে অথচ সেইখন ৰেলত নয়ন অহাই নাই ই কেনেকৈ সম্ভৱ? তেতিয়া নয়নে বুজাই দিলে সেই ৰেল খন যাবলৈ দহ মিনিট মান আছে এনেতে শিখাই তাক মৰমৰ চিন হিচাপে দিয়া গামোচাখন কান্ধত এৰি অহাৰ কথা মনত পৰিল আৰু সেইখন আনিবলৈ যোৱাত ৰেলখন নোপোৱাৰ বাবে পিছদিনাৰ ৰাতিপুৱা আহিব লগা হ'ল। তাৰ অজানিতে পকেটৰ পৰা পৰিচয় পত্ৰখন ৰেলত পৰি যোৱা কথা সি গমেই নাপায়। এইখিনি বিবৰি কোৱাতহে দেউতাক শান্ত হ'ল আৰু চকুৰে মুখে প্ৰশান্তিৰ আভা এটা জিলিকি উঠিল।

ইতিমধ্যে দেউতাক মাক নয়নৰ কোঠাৰ পৰা পাকঘৰলৈ ওলাই গৈছে। নয়নে শিখাৰ হাতখনত ধৰি তাৰ বুকুৰ মাজত আলফুলে লৈ থাকিল। শিখাই মূৰটো তাৰ কান্ধত লাহেকৈ থৈ চকু দুটি প্ৰশান্তিত মুদি দিছে। নতুন জীৱনৰ কত ৰঙীন ভাৱনাই দুয়োৰে মনত জুমুৰি দি ধৰিছে। তেতিয়া বাহিৰত আবেলিৰ মিঠা ৰ'দ জাকে গছৰ সেউজীয়াখিনিত ৰঙচুৱা বোল সানিছে। দূৰত দিগন্ত জুৰি নীলাকাশ। আকাশৰ শেষ সীমাত তেতিয়া পাখীত পাখি লগাই এহাল বগলী উৰি গৈছে আপোন বিভোল হৈ, সিহঁতৰ মনৰ নীড় বিচাৰি।

****

# সোঁৱৰণী

মিছ আখতাৰা আলম
স্নাতক প্ৰথম বৰ্ষ

"মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনোনে কোৱা........... সমনীয়া।।"

অসমৰ সংগীত জগতৰ জীৱন্ত কিংবদন্তি, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ চেপ্তেম্বৰত বৰ্তমান তিনিচুকীয়া জিলাৰ শদিয়াত। তেওঁৰ দেউতাকৰ নাম আছিল ঁনীলকান্ত হাজৰিকা আৰু মাকৰ নাম শান্তিপ্ৰিয়া হাজৰিকা। তেওঁলোকৰ দহটা সন্তানৰ ভিতৰত ভূপেন হাজৰিকা আছিল সবাতোকৈ ডাঙৰ। ভূপেন হাজৰিকাই ১৯৩৩ চনত গুৱাহাটীৰ সোণাৰাম হাইস্কুলত তৃতীয় শ্ৰেণীত নামভৰ্ত্তি কৰে। পিছলৈ কটন কলেজিয়েট স্কুলত নামভৰ্ত্তি কৰে। ১৯৩৬ চনত তেজপুৰ হাইস্কুলত ষষ্ঠ শ্ৰেণীত নামভৰ্ত্তি কৰে। ১৯৪০ চনত তেওঁ তেজপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪২ চনত কটন কলেজৰ পৰা আই.এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৩ চনত তেওঁ বানাৰস বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৪৬ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত ১৯৪৯ চনত উচ্চ শিক্ষাৰ বাবে তেওঁ আমেৰিকালৈ যায়। তেওঁ তাত ১৯৫২ চনলৈ আছিল। ১৯৫২ চনত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা 'Role of Mass Communication in India's Adult Education' বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁ আমেৰিকাত থকা সময়ছোৱাত ভাৰতীয় ছাত্ৰ সন্থাৰ মুখপত্ৰ খনৰ সম্পাদনা কৰে আৰু তেওঁ নিউইয়ৰ্ক দূৰদৰ্শন কেন্দ্ৰত অংশগ্ৰহণ কৰে। নিউইয়ৰ্কত থাকোতে তেওঁ গুজৰাটী ছোৱালী প্ৰিয়ম্বদা পেটেলৰ লগত চিনাকি হয় আৰু দুয়ো প্ৰেমত পৰে। ১৯৫০ চনত নিউইয়ৰ্কতেই দুয়োৰে বিবাহ কাৰ্য সম্পন্ন হয়। বিয়াৰ পিছত একমাত্ৰ পুত্ৰ তেজৰ জন্মৰ পিছত তেওঁলোকৰ মাজত বিবাহ বিচ্ছেদ হৈছিল যদিও ইজনে সিজনৰ ভাল বন্ধু আছিল।

ভূপেন হাজৰিকাই ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে ১৯৩০ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত আয়োজিত এক অনুষ্ঠানত জীৱনৰ প্ৰথমটো গীত "কুসুম্বৰ পুত্ৰ শ্ৰী শংকৰ গুৰু" ৰচনা কৰি ৰাইজৰ পৰা আশীষ লাভ কৰে। তেজপুৰত থাকোতে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য লাভে হাজৰিকাৰ সংগীত চৰ্চ্চাক নতুন মাত্ৰা দিছিল। তেওঁ এজন সুদক্ষ বোলছবি পৰিচালক আছিল।

১৯৬৭ চনত নাওবৈচা সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হোৱাৰ পিছত ড০ হাজৰিকাই এক দীৰ্ঘ সময় ধৰি সংগীত বোলছবি জগতত নিৰন্তৰ সাধনা কৰে। বিধায়ক হিচাপে থাকোতে তেওঁ এটা ফিল্ম ষ্টুডিঅ', এটা আৰ্ট গেলেৰী, এটা জাতীয় নাট্যশালা গঢ়াৰ বাবে যথেষ্ট যুঁজিছিল। সেইবাবে তেওঁ বিধায়ক হৈ থাকোতে তেওঁ ষ্টুডিঅ'ৰ আধাৰশিলা স্থাপন কৰিছিল। তেওঁলোকে ভাৰতবৰ্ষত প্ৰথম ষ্টুডিঅ' পাতিবলৈ সমৰ্থ হৈছিল। এই ক্ষেত্ৰত তেওঁৰ লগত সম্পূৰ্ণ সহযোগিতা কৰিছিল বিষ্ণুৰাভা দেৱে। আমাৰ জাতীয় নাট্যশালা 'ৰবীন্দ্ৰ ভৱন' ষোল লাখ টকাৰে প্ৰায় ষোল বছৰ মান লাগিছিল সম্পূৰ্ণ কৰোতে। ২০০৪ চনত হঠাৎ হাজৰিকাই দেশৰ সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰি পুনৰ সাংসদ হোৱাৰ সপোন দেখে। ড০ হাজৰিকাৰ এই সিদ্ধান্তই অসমৰ বৌদ্ধিক সমাজত এক আলোড়নৰ সৃষ্টি কৰিছিল। ড০ হাজৰিকাই অৱশ্যে এইবোৰ কথা পাহৰি যাব বিচাৰিছিল। তেওঁ সদায় এজন



সাংস্কৃতিক কৰ্মী হিচাপে পৰিচিত হৈ থাকিব বিচাৰিছিল।

সংগীতসূৰ্য ড০ হাজৰিকাই ২০১১ চনৰ ৫ নবেম্বৰত মুম্বাইৰ কোকিলাবেন ধীৰুভাই আম্বানি চিকিৎসালয়ত ইহলীলা সম্বৰণ কৰে। ৭ নবেম্বৰত তেওঁৰ নশ্বৰ দেহ গুৱাহাটীলৈ অনা হয়। ৭ নবেম্বৰ নিশাৰ পৰা ৯ নবেম্বৰ পুৱালৈকে ড০ হাজৰিকাৰ নশ্বৰ দেহ জৰ্জ খেলপথাৰত অগণন ৰাইজে শ্ৰদ্ধা নিবেদন কৰে। ৯ নবেম্বৰত পুৱা ১০ বাজি ২৬ মিনিটত গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত তেওঁক সংকাৰ কৰা হয়। মুখাগ্নি কৰে ড০ হাজৰিকাৰ একমাত্ৰ পুত্ৰ তেজ হাজৰিকাই, সংকাৰ অনুষ্ঠানত প্ৰায় ৫০ হাজাৰ লোক উপস্থিত আছিল।

সংগীত সাধক ড০ ভূপেন হাজৰিকা আজি অসম বা ভাৰতৰে গৌৰৱ নহয়, তেওঁ সমগ্ৰ বিশ্বৰেই গৌৰৱৰ পাত্ৰ। ড০ হাজৰিকা কেৱল এজন ব্যক্তি নহয়, তেওঁ নিজেই এক বিৰাট অনুষ্ঠান। এইজন মহান সংগীত সাধক সঁচাকৈয়ে অসমৰ দাপোণ, অসমীয়াৰ হিয়াৰ আমঠু। অসমৰ সংগীত জগতৰ কিংবদন্তি স্বৰূপ ড০ ভূপেন হাজৰিকাৰ শিল্পী জীৱনৰ সম্পদ সমূহ সংৰক্ষণৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰাঙ্গণত স্থাপন কৰা হৈছে ড০ ভূপেন হাজৰিকা সংগ্ৰহালয়। শিল্পী গৰাকীৰ কলকাতা আৰু মুম্বাইত থকা সংগীত চলচিত্ৰৰ সামগ্ৰী সমূহ সাংস্কৃতিক সংগ্ৰহালয়ত ৰখাৰ দিহা কৰা হৈছে। তাৰ ভিতৰত সংগীত আৰু চিনেমাৰ মূল ট্ৰেক আৰু প্ৰিন্ট, প্ৰশস্তি পত্ৰ, মেডেল, অটোগ্ৰাফৰ বহী আদি। উল্লেখযোগ্য যে হাজৰিকাৰ এখন অটোগ্ৰাফ বহীত বিশ্বৰ চল্লিশজন বৰণ্য ব্যক্তিৰ অটোগ্ৰাফ লিপিবদ্ধ হৈ আছে। আমাৰ অসমীয়া সমাজত জ্যোতিপ্ৰসাদ-বিষ্ণুৰাভাৰ উত্তৰসুৰী হিচাপে ড০ ভূপেন হাজৰিকাৰ স্থান। সকলোৰে বাবে ড০ ভূপেন হাজৰিকা প্ৰাণৰো প্ৰাণৰ, মনৰো মনৰ। ড০ ভূপেন হাজৰিকা তেওঁৰ বয়সৰ বা তলৰ সকলোৰে বাবে হৈ পৰিছে "ভূপেনদা"-এক অমিয়া ধ্বনি।

***

**গল্প—**

# গল্পৰ সন্ধানত

মঃ হাছেন আলী
প্ৰাক্তন ছাত্ৰ

(১)

প্ৰস্তাৱনাঃ

বহুদিন লেখা মেলাৰ পৰা আঁতৰি আছো। আপুনি ভুল নুবুজিব। মই কোনো ডাঙৰ শিল্পী সাহিত্যিক নহয়। মনত খু-দুৱাই থকা কিছু অপ্ৰিয় অথচ সত্য কথাকে কেতিয়াবা লেখনীৰ মাজেৰে প্ৰকাশৰ চেষ্টা কৰো। তেনে লেখা মেলা কেতিয়াবা কলেজ-হায়াৰ চেকেণ্ডাৰীৰ আলোচনী তথা বাতৰি কাকতৰ পৃষ্ঠা শুৱনি কৰে যদিও আন কেতিয়াবা তেনে লেখাই নিজৰ সাহিত্যৰ ডায়েৰী বহীৰ মাজতেই অনাদৃতভাৱে পৰি থাকে। মন-মগজুৰ অৱহেলা তথা আন কেতবোৰ সমস্যাৰ ধামখুমীয়াত আমাৰ দৰে মানুহবোৰো কেতিয়াবা সংসাৰ সাগৰৰ চাকনৈয়াত পৰি হেৰাই যাওঁ। বহুত দিনৰ মূৰত কিবা এটা লিখাৰ তাড়না অহাত মনৰ মাজত তীব্ৰ মানসিক দ্বন্দ্ব আৰম্ভ হৈছে। ইফালে মই আগতে পঢ়া কলেজখনত বাৰ্ষিক সংখ্যা আলোচনী এখন ওলাব বুলি খবৰ এটা শুনিছো। গাখীৰতে মহৰ খুঁটি। আচলতে কলেজ আলোচনীত প্ৰকাশৰ বাবে মই এটা গল্প লিখাৰ সিদ্ধান্ত লৈছো। আপুনি ভাল ধৰিব পাৰিছে আঁচলতে মই ঠিক কৰিব পৰা নাই গল্পটো ক'ৰপৰা কেনেকৈ আৰম্ভ কৰো?

ঃ ছাৰ, মোৰ ট্ৰেক্টৰ খন আপুনি যেনেতেনে উদ্ধাৰ কৰি দিয়ক। বহুত কষ্ট কৰি কিনা ট্ৰেক্টৰখন এসপ্তাহ আগতে কোনোবাই চুৰি কৰি নি বৰপেটাৰ আলোপতি চৰত বিক্ৰী কৰিছে। ট্ৰেক্টৰখনৰ ৰং

ৰূপৰ কিছু সাল সলনি কৰা হৈছে যদিওঁ তাত থকা মোৰ সম্বন্ধীয় মানুহবোৰে ট্ৰেক্টৰখন যে মোৰ সেইটো নিশ্চিত হৈ মোক জনাইছে। গতিকে আপোনাৰ অকণমান সহায়ে মোৰ তেজক পানী কৰি কিনা ট্ৰেক্টৰখন ঘূৰাই পোৱাত সহায় কৰিব। ৰছিমউদ্দিনে দৈয়াং থানাৰ অ'চি সুনীল বৰাক কাতৰ অনুৰোধ কৰে।

ঃ বৰপেটালৈ যাবলৈ হলে থানাৰ আন কেইবাজনো পুলিছো লব লাগিব তথা অহা-যোৱাৰ খৰছো যথেষ্ট হ'ব। ইফালে থানাত থকা একমাত্ৰ গাড়ীখনো তালৈ নিয়া সম্ভৱ নহ'ব। আপুনি সকলোখিনি দায়িত্ব ললে দুই এদিনতে তালৈ গৈ ট্ৰেক্টৰখন উদ্ধাৰৰ ব্যৱস্থা কৰিব পৰা যাব। অ'চি সুনীল বৰাই থানালৈ অহা আন আন মক্কেলক কোৱাৰ দৰে পুলিছৰ স্বভাৱ সুলভ ভংগীমাত ৰছিমউদ্দিনক কয়।

ঃ ছাৰ আপুনি খৰছৰ কথা চিন্তা নকৰিব। মোৰ উইংগাৰ গাড়ীখন লৈ মইয়ে আপোনালোকৰ সৈতে যাম। আপোনাৰ হাত খৰছৰ বাবেওঁ কিবা এটা কৰিম। ৰছিমউদ্দিনে সদম্ভে ঘোষণা কৰে।

ঃ ঠিক আছে পৰহিলৈ ওলাব। অ'চি বৰাই ৰছিমৰ কথা বুজিব পাৰি বৰপেটালৈ যোৱাৰ স্পষ্ট ইংগিত দিয়ে।

ৰছিমউদ্দিনৰ ফূৰ্তি চায় কোনে? আচলতে সি তিনি লাখ টকাত ট্ৰেক্টৰখন বৰপেটাৰ আলোপতি চৰত বিক্ৰী কৰিছিল। আগধন হিচাপে দুই লাখ টকা আদায় লৈছিল। এক লাখ টকা পোন্ধৰ দিন পিছত দিয়াৰ কথা আছিল। দুই লাখ টকাৰ পঞ্চাছ হাজাৰ টকা পুলিছৰ পাছত খৰছ কৰি বাকী ডেৰ লাখ টকা তথা ট্ৰেক্টৰখন লাভত ৰাখিব খুজি ৰছিমউদ্দিনে ক্ৰেতাজনক মৰঠগ দিব খুজিছে। এই কথা ঘৰত কোৱাত পৰিবাৰৰ জুলেখাই ভাল পোৱা নাই। বেলেগক ঠগ প্ৰবঞ্চনা কৰি নিজে ফান্দত পৰিব বুলি জুলেখাই ভয় খাইছে। স্বামী-পত্নীৰ মাজৰ কথা কটা-কটিয়ে মনো মালিন্যৰ ৰূপ পাইছে।

দৈয়াং থানাত শোকাকুল পৰিবেশ। থানা চৌহদত পাঁচজন মানুহৰ মৰাশ লানি পাতি থোৱা হৈছে। অ'চি সুনীল বৰা, গাড়ীচালক ৰছিমউদ্দিন তথা থানাৰ আন তিনিজন আৰক্ষী বৰপেটালৈ গৈ ট্ৰেক্টৰখন উদ্ধাৰ কৰি সদৰ থানাত চমজাই থৈ উভতি আহোতে বাটত ট্ৰাক এখনে সিহঁতক মহতিয়াই থৈ গৈছে। অ'চি, ৰছিমউদ্দিন তথা পুলিছ কেইজনৰ পত্নী-পৰিয়ালে চকুৰ পানীৰে বাট নেদেখা হৈছে।

(২)

ভতিজাই এটি সৰু চাকৰি কৰে। চাকৰি সৰু হলেওঁ দুৰ্নীতি অন্যায় অনিয়মৰে ভৰা আজিৰ যুগত নিজৰ পাৰদৰ্শিতা তথা যোগ্যতাৰ বলত পোৱা বাবে ভতিজাই ইয়াক লৈ গৌৰৱবোধ কৰে। চাকৰিটোৱে তেওঁৰ পৰিয়াললৈ এক আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। উচ্চতৰ মাধ্যমিকৰ ডেওনা পাৰ হৈ যৌৱণৰ ভৰপক সময়ত আন আন সমনীয়াই যেতিয়া উচ্চ শিক্ষাৰ বাবে নিত্য নতুন পৰিকল্পনাত ব্যস্ত আছিল ভতিজা তেতিয়া নিজৰ পৰিয়ালটো চলাবলৈ এটি চৰকাৰী চাকৰি সন্ধানত আছিল। মাক-দেউতাক, তিনিজনী ভনীয়েক আৰু ভায়েকৰ সৈতে সাতজনীয়া পৰিয়াল এটিৰ অৰ্ধেক দায়িত্ব তেওঁৰ ওপৰত পৰাত এক প্ৰকাৰ হতাশাত ভুগিবলগীয়া হৈছিল।

ইফালে দেউতাকৰ খেতি-মাটি বুলিবলৈ তিনি বিঘা মাটি, তাৰে এক বিঘা মাটি বন্ধকত থৈ ইটো ঋণ মাৰে যদিওঁ বছৰৰ শেষত আন এটা ঋণে মূৰ দাঙি উঠে। ঘৰত এবেলা চৌকা জ্বলে যদিওঁ আনবেলা লঘোণে-ভোকে পাৰ কৰে পৰিয়ালৰ সদস্যই। এক ফালে জোৱা মাৰোতে আনফালে উদং-হোৱা অৱস্থা। ভতিজাই জীৱনটো কি তাক ঠিক মতে বুজি উঠাৰ আগতেই সংসাৰ চাকনৈয়াত পৰি হাবু-ডুবু খাব লগাত পৰে। দুই চাৰিজনে বুজনি দিয়ে দুখৰ পিছত সুখে ডোলা দি থাকে, মাথো পৰিশ্ৰমৰ দ্বাৰাহে মানুহে উন্নতিৰ শীৰ্ষত আৰোহণ কৰিব পাৰে। বেছিদিন অপেক্ষা কৰিব লগা নহয়। এক-ডেৰ বছৰৰ ভিতৰতে ভতিজাই এটি সৰু চাকিৰ লাভ কৰে। পৰিয়ালটোলৈ ক্ষীণ এটি আশাৰ ৰেঙণী নামি আহে।

"ন নলেজ উইদাউট কলেজ।" চাকৰিত যোগদানৰ পিছতে ভতিজাই কলেজত নামভৰ্ত্তি কৰে। চাকৰিটোত আওৱাব লাগিলে অতি কমেও বি,এ পাছ কৰাটো জৰুৰী বুলি ভাবিয়েই বিজ্ঞানৰ ছাত্ৰ হৈয়ো কলা শাখাত নাম লগায়। ইফালে অঞ্চলটোত প্ৰখৰ বুদ্ধিসম্পন্ন তথা বেছ কৰ্মোদ্যমী যুৱক হিচাপে থকা সুনামৰ লগতে চাকৰিটো থকা বাবে বহুতেই ভতিজাক ভাল চকুৰে চায়। আজিৰ যুগেই যে স্বাৰ্থ পৰায়ণতাৰ যুগ।

আপুনি কাকো নকব! ভতিজা



প্ৰেমত পৰিছে। একে ক্লাছতে পঢ়া এগৰাকী আঢ্যৱন্ত ঘৰৰ ছোৱালীৰ সৈতে। ভতিজাৰ পৰিয়ালৰ নিচিনা তিনিটা পৰিয়াল পুহিব পৰা ঘৰৰ এগৰাকী বেছ স-প্ৰতিভ, ৰূপে-গুণে অসামান্য ছোৱালী এগৰাকীৰ সৈতে ভতিজাৰ প্ৰেমৰ সূত্ৰপাত ঘটিছে। আচলতে এই ঘটনাৰ বাবে অকল ভতিজাকে জগৰীয়া কৰিব নোৱাৰি। চুম্বকৰ এটা মূৰে আনটো মূৰক আকৰ্ষন কৰা বাবেই এই ঘটনা আৰম্ভ হৈছে। ধনেই ধৰ্মৰ মূল ধন নহলে যায় প্ৰেমৰ জাতি কুল। ইতিমধ্যে প্ৰেমৰ কথা ৰাষ্ট্ৰ হৈ পৰিছে। ছোৱালীৰ ঘৰ তামাম নাৰাজ। কাৰণ বহুত। ভতিজাৰ আৱশ্যকীয় অৰ্হতা নাই। নাই টকা পইচা, নাই উচ্চ ডিগ্ৰী, সৰু চাকৰিটোৱেই ছোৱালীজনীৰ বাবে যথেষ্ট নহয়। ইফালে ছোৱালীও নাচোৰবান্দা, ভতিজাক উচ্চ ডিগ্ৰীধাৰী কৰি তুলিহে জীৱনসংগী কৰিব। ইফালে ভতিজাৰ মাক-বাপেকে ভীষণ ভয় খাইছে। ধনী ঘৰৰ ছোৱালীক বিয়া পাতি ল'ৰাটো যাবগৈ নেকি সিহঁতৰ পৰা আঁতৰি? সৰু ভাইটি-ভন্টী কেইটাৰ পঢ়া-শুনা খৰছ কোনে দিব। গাঁও তথা ঘৰখনৰ মৰম চেনেহ এৰি যাবগৈ নেকি টাউনৰ ফালে, ডাঙৰ পৰিয়ালৰ হৈ-হাল্লা, ঝামেলা-জঞ্জালৰ পৰা পৰিত্ৰাণ বিচাৰি থাকিবগৈ নেকি অকলশৰীয়াভাৱে? এনে বহু প্ৰশ্নই মাক-বাপেকক জুমুৰি দি ধৰিছে।

মাক বাপেকৰ চিন্তাও একেবাৰে অমূলক নহয়। পিছে মাক-বাপেকৰ এনে চিন্তাৰ সুদুত্তৰ বিচাৰি আপুনি আৰু মই অপেক্ষা কৰিব লাগিব ভতিজাৰ শুভ বিবাহলৈ। তাৰ বাহিৰে গত্যন্তৰ আছে জানো?

(৩)

ঃ হুজুৰ, মই অলপ ঘৰৰ পৰা আহোগৈ নেকি? বহুত দিন ঘৰলৈ যোৱা নাই। মাক অলপ পইচা পাতি দি ঘৰখনৰ খা-খবৰ অলপ লৈ আহোগৈ। জয়ন্ত বড়োৰ মাতত পঢ়ি থকা বাতৰি কাকতখনৰ পৰা মূৰ তুলি তেওঁলৈ চালো।

ঃ মোজাম্মিল আৰু বিশ্বাস ঘৰলৈ গৈছে। তেওঁলোক আহিলে আবেলি তুমি গুচি যাবা। কিন্তু পৰহি বাৰটা বজাত আহি পাবই লাগিব। হোমগাৰ্ড জয়ন্ত বড়োক ঘৰলৈ যোৱাৰ মই ইংগিত দিলো।

ঃ হ'ব হুজুৰ। বড়োৱে মূৰ দুপিয়াই প্ৰস্থান কৰে।

বড়ো ঘৰলৈ যাবনে আন ক'ৰবাত যাব ধৰা টান। হয়তো শহুৰৰ ঘৰৰ ফালেও এপাক মাৰিব পাৰে। এওঁলোকৰ খুব কম ভাগেইহে সঁচা কথা কয়। অন্ততঃ আজি চাৰি-পাঁচ বছৰে মোৰ এনেধৰণেৰেই অভিজ্ঞতা হৈছে। পুলিছত ভৰ্ত্তি হোৱাৰ পিছৰে পৰা নিত্য নৈমিত্তিক কিছুমান কৰ্তব্যৰ ফাঁকে ফাঁকে মই কেতিয়াবা কোনো থানাত মোৰ একে পদবীৰ সমনীয়াকে চলাব লাগে। আন কেতিয়াবা জনশূণ্য এলেকাত থকা কেম্পৰ ইনছাৰ্জ হৈ দিনৰ দিনটো শুই বহি কটাব লাগে। আন কেতিয়াবা ৰাতি-দিনে ব্যস্ততাৰে ভৰা ঠাইৰ কোনোবা কেম্পৰ নেতৃত্ব লৈ নানা ধৰণৰ সমস্যাৰ মোকাবিলা কৰিব লাগে। ভিন্ন ঠাইৰ ভিন্ন অভিজ্ঞতা।

আজি এসপ্তাহে বড়োৰ কোনো খা-খবৰ নাই। বড়োৰ খবৰ লবলৈ যোৱা মিজিংছাই বড়োৰ পত্নী ওচৰৰে কোনোবা ল'ৰাৰ সৈতে পলাই গৈছে বুলি নিশ্চিত হৈ মোক জনাইছে। বড়োৰ প্ৰতি মোৰ দুখ লাগিছে। চিধা-চাধা সৰল অন্তৰৰ বেচেৰা বড়ো! আজি তিনিমাহ আগতে বিয়াৰ বন্দোবস্তি কৰি কইনাক আঙঠি পিন্ধাই থৈছে। পৰিয়ালে চাই দিয়া ধুনীয়া ছোৱালী অঞ্জলিক লৈ নানাৰঙী সপোন দেখাত ব্যস্ত আছিল বড়ো। কিন্তু আচম্বিতে ঘটা এই ঘটনাই তাৰ সকলো স্বপ্ন চুৰমাৰ কৰিলে। পঢ়াশুনা কম হলেওঁ সৰু সংস্থান এটাৰে সংসাৰ চলাব পৰা গুণৰ অধিকাৰী বড়ো। কিয়বা গুছি গ'ল অঞ্জলি? কিবা দোষ আছিল বড়োৰ? অন্ততঃ নিজৰ ঘৈণীয়েকক বিচাৰি হায়ৰান হৈ পৰা বড়ো কেম্পলৈ ঘুৰি আহিলেহে এনেবোৰ কথাৰ সুদুত্তৰ পোৱা যাব।

**উপসংহাৰঃ**

প্ৰিয় পাঠক আপুনি খং নকৰিব। গল্প লিখিম বুলি আপোনাক দিয়া প্ৰতিশ্ৰুতি মই পালন কৰিব নোৱাৰিলো। গল্পৰ সলনি কিবাকিবি বেবেৰিবাং কথাবোৰহে মনলৈ আহি থাকে দেখোন। তাকে লিখিলে আপোনালোকে আমনি নাপাব জানো? ৰ'ব, বেচেৰা ৰছিম, ভতিজা আৰু জয়ন্ত বড়োক কিন্তু আপুনি বিচাৰি নাহিব। এওঁলোক আপোনালোকৰ মাজতেই নাই জানো?

(মোৰ কণমানি পুত্ৰ জুনাইদ তথা পৰিবাৰ জাহানাৰা বেগমৰ হাতত মৰমেৰে)

****

**গল্প—**

# ছিলমণিৰ বিননি

খন্দকাৰ দেলোৱাৰ হুছেইন
উচ্চ বৰ্গৰ সহায়ক

বিয়া ঘৰৰ পৰিবেশ। বিয়া বুলি কলেই সাধাৰণতে উখল মাখল পৰিবেশ এটাৰ সৃষ্টি হয়। কিন্তু অৰুণৰ একা? কিছুমানে খুবেই ব্যস্ত অইন কিছুমান আকৌ হাঁহি আৰু ধেমালী কৰি সময় কটাইছে। কইনাৰ মনত বেজাৰ ভাব দেখা যায়। মাকজনী যদিও দেখাত খুব আনন্দেৰে থাকে তথাপি অন্তৰত বেদনা এটা লৈ থাকে। দৰা ঘৰৰ মানুহ অতি আনন্দত থাকে যদিও দৰা মাজে মাজে চিন্তিত হৈ পৰে। তেওঁৰ জীৱন সঙ্গীনী বা কেনে হ'ব? নানান ভাৱৰ উদ্ৰেক হয়।

অৰুণ নিউপেনে ছোৱালীজনী উলিয়াই দিয়াৰ পৰিবেশৰ কথা ভাবি ভাবি বেদনা সিক্ত হৈ পৰে। ছিলমণিয়েও দৈন্যতাৰ কথা ভাবি ভাবি মূৰ্চ্ছা যোৱাৰ দৰেই হৈ পৰে। অৱশেষত অৰুণে ছিলমণিক ধৰি বান্ধিয়েই দৰাঘৰৰ গাড়ীত তুলি দিলে। ছিলমণি দেখাই শুনাই খুব ধুনীয়া নহ'লেও গুণৰ অধিকাৰী আছিল। সেয়েহে খুব কম দিনৰ ভিতৰতেই সকলোৰে প্ৰিয়পাত্ৰ হৈ পৰিছিল। গাভৰু হৈ অহাৰ লগে লগেই দেইতাক খুব চিন্তিত হৈ পৰিছিল। ছিলমণিক কেনেকৈনো এজন সু-পাত্ৰৰ হাতত অৰ্পণ কৰা যায়। সেয়েহে ককায়েক দিলীপ নিউপেনক কৈছিল- "কম দিনৰ ভিতৰতেই ছিলমণিৰ বিয়া দিয়াৰ কথাটো চিন্তা কৰিবচোন!"

এদিনাখন দিলীপ নিউপেনৰ সহকৰ্মী এজনে স্নাতক ডিগ্ৰীধাৰী যুৱক এজনৰ কথা কৈছিল। দিলীপ নিউপেনে ল'ৰাজনৰ আদ্যোপান্ত খবৰ লৈ ছিলমণিক বিয়া দিয়াৰ সঙ্কল্প কৰিছিল। পিছত এই বিষয়ে ভায়েক অৰুণ নিউপেনৰ লগতো আলোচনা কৰিছিল। অৰুণ নিউপেনে ছিলমণিৰ বিয়াৰ বিষয়ে ঘৰৰ প্ৰতিজন সদস্যৰ লগতেই এটি আলোচনাত মিলিত হৈছিল।

উক্ত আলোচনাত অৰুণ নিউপেনে কৈছিল—"মোৰ হাত একেবাৰে শূণ্য সেয়ে বৰ্তমান মই ছোৱালী বিয়া দিব নোৱাৰিম। অৰুণ নিউপেনৰ ককায়েক, ভায়েক সকলে চাকৰি কৰিছিল। সেয়েহে ককায়েক-ভায়েক সকলেই বিয়াৰ খৰচ বহন কৰিব বুলি স্বীকাৰোক্তি দিছিল। অৰুণৰ ঘৰৰ পাৰাও সহায় সহযোগ কৰিব বুলি আশ্বাস দিছিল।

ছিলমণিয়ে মাজে মাজে বিয়াৰ পিছৰ সাংসাৰিক জীৱনৰ কথা ভাবি ভাবি তাই আবেগ বিহ্বল হৈ পৰিছিল। গোটেই জীৱনটোৱেই যেন তেওঁ সহনশীল হ'ব পাৰে। স্বামী গৃহত দেওৰ, ননদ, শহুৰ, শাহু আদিৰ আচাৰ ব্যৱহাৰ বা কেনে হ'ব তাক ভাবি ভাবি আবেগ বিহ্বল হৈ পৰিছিল। তৎমুহূৰ্ত্ততে ভাৱে, স্বামীজনে যদি যৌতুকৰ বাবে হেচা দিয়ে তেন্তে তাইৰ পিতৃয়ে যৌতুক দিব পাৰিবনে? যিহেতু তাইৰ বৰদেউতাক, খুৰায়েক সকল চাকৰিয়াল সেয়ে তাৰ কাৰণে বিশেষ অসুবিধা নহ'ব বুলিয়েই ভাবে। আজিৰ এই পুৰুষ প্ৰধান সমাজত নাৰীৰ স্থান পদধূলিত। কিন্তু তাৰ মাজেৰেই নাৰী সক্ৰিয় হৈ থাকিব লাগিব। সন্তানৰ প্ৰতি পিতৃ-মাতৃৰ যি হিয়া ভৰা স্নেহ সি কেতিয়াও মৰহি নাযায়। সেই মৰম ঐশ্বৰিক। নাৰীয়ে কেৱল দানহে কৰি যায় কিন্তু তাৰ বিনিময়ত প্ৰতিদান নিবিচাৰে।



এদিনাখন বৰ দেউতাকে ছিলমণিক কান্দি থকা দেখা পাই নানা ধৰণৰ বুজনি দিছিল আৰু কৈছিল—"নাৰীৰ বৰ জটিল জীৱন। সকলো ছোৱালীয়েই এদিন পিতৃ-মাতৃৰ ঘৰৰ পৰা বিদায় লৈ অন্য এক জগতত প্ৰৱেশ কৰিবই লাগিব। এয়া চিৰা চৰিত ৰীতি।" তেতিয়া তাই ৰব নোৱাৰি হুক হুকাই কান্দি দিছিল আৰু কৈছিল—"আপোনালোকে মোক আশীৰ্বাদ কৰিব যাতে মই সকলো দায়িত্ব সুকলমে পালন কৰি চিৰ সুখী হ'ব পাৰো।" তাৰ উত্তৰত বৰ-দেউতাকে কৈছিল—"তুমি নিশ্চয় চিৰ সুখী হ'বা আৰু চিৰ গৃহিণী হ'বা।"

অৱশেষত সহকৰ্মীজনৰ সহযোগত বিয়াৰ দিন এটা ধাৰ্য হৈছিল আৰু বিয়াৰ পূৰ্ণ আয়োজন চলাইছিল। অৰুণেও আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱীক নিমন্ত্ৰণ কৰি বিয়াৰ জা-যোগাৰ কৰাত আগভাগ লৈছিল।

নিৰ্দিষ্ট সময়ত দৰাঘৰীয়া মানুহো আহি উপস্থিত হৈছিল। মাঙ্গলিক ধ্বনি তথা হোমযজ্ঞৰ নীতি নিয়ম মতে সুচাৰু ৰূপে কাম-কাজ চলিছিল। সাধাৰণতে ছোৱালী উলিয়াই দিয়াৰ সময়ত যি কৰুণ দৃশ্যৰ সৃষ্টি হয়, ঠিক তেনেধৰণৰ দৃশ্য সৃষ্টি হৈছিল। ছিলমণিক পিতৃয়ে যেতিয়া ঘৰৰ পৰা বিদায় দিয়াৰ বাবে ওচৰলৈ গৈছিল তেতিয়া পিতৃক সাৱটি ধৰি কান্দি দিছিল আৰু কৈছিল- "তই মোৰ কাৰণে সদায় আশীৰ্বাদ কৰিবি যাতে মই স্বামী গৃহত পৰিয়ালৰ সেৱা শুশ্ৰুষা কৰি সুকলমে জীৱন যাপন কৰিব পাৰো আৰু তহঁতৰ নাম ৰাখিব পাৰো।" তাইক যেন কোনো মতেই গাড়ীত তুলি দিব পৰা নগৈছিল। তেতিয়া দৰা ঘৰৰ মানুহবোৰে অস্বস্তি অনুভৱ কৰিছিল। তেতিয়া বৰ দেউতাকে জোৰ জুলমকৈ ছোৱালী জনীক দৰাঘৰৰ গাড়ীত ভগ্নহৃদয় তুলি দিছিল। ছিলমণিয়ে মাথো নীৰৱে ভাবিছিল—"এয়েই নে নাৰী কুলৰ জীৱন। তাই চকুলো টুকি টুকি আগবাঢ়িছিল সন্দিহান এক নতুন সাংসাৰিক জীৱনৰ পৰিক্ৰমালৈ.........

****

# প্ৰেমৰ চিঠিঃ এক অবুজ শিহৰণ

আকলিমা ইয়াছমিন
স্নাতক প্ৰথম বৰ্ষ

ভাবিছিলো লিখো বুলি চিঠি তোমালৈ, মই নাপালো যে কথা বিচাৰি। 'চি-ঠি' দুটি বৰ্ণৰ এটি মিঠা শব্দ। চিৰসেউজ এই শব্দ দুটিৰ মাজতেই লুকাই আছে দুখন নিভাঁজ হৃদয়ৰ অফুৰন্ত প্ৰেম ভালপোৱাৰ সঁচা উপলব্ধিৰে ভৰপূৰ একাঁজলি বিশ্বাস আৰু প্ৰেৰণা লিহিৰী হাতৰ কোমল পৰশলগা নীলা নীলা আখৰৰ এখনি মায়াসনা চিঠিয়ে উমাল কৰি তোলে প্ৰিয়জনৰ নিভৃত হৃদয়। হৃদয়ৰ গভীৰৰ পৰা গভীৰতমলৈ অনুভৱেৰে জীপাল হৈ উঠে ভালপোৱাৰ সাঁকো। আপোনজনৰ এখনি মৰমসনা চিঠিৰ বাবে ডাকোৱাল ককাইটিলৈ আকুলতাৰে অপেক্ষা কৰি থকা প্ৰেয়সীৰ হৃদয়ত ঝংকাৰিত হৈ উঠে হেজাৰ বাঁহীৰ সুৰ। কলিজাৰ কেঁচা তেজৰ ভাষাৰে কলমৰ কাপেদি নিগৰি অহা মিঠা মিঠা শব্দবোৰে চিঠিৰ ভাজত প্ৰেমৰ বহুৰঙী জাল তৰে। আকলুৱা হৃদয়ত সংগোপনে জোঁৱাৰ তোলে প্ৰেমৰ সেউজীয়াবোৰে। কিন্তু বৰ্ত্তমান যান্ত্ৰিকতাৰে ভৰা এই পৃথিৱীৰ মিঠা মিঠা ভাষাৰ হৃদয়স্পৰ্শী চিঠিবোৰ আৱদ্ধ হৈ পৰিছে বিলাসী মোবাইলৰ ৰং-বিৰঙৰ পৰ্দাত জিলিকি উঠা এটা সৰু SMSৰ মাজত। চিঠিত অনামী মাদকতাবোৰ বৰ্তমান প্ৰতিযোগিতামূলক SMSয়ে বহু পৰিমাণে হ্ৰাস কৰিছে। তথাপি SMS ৰ কোবাল সোঁতৰ তুলনাত উমাল হৃদয়ৰ এখনি সেউজীয়া চিঠিৰ স্বকীয় গৰিমা বহু ওপৰত। কাৰণ হিয়াৰ সঁচা মৰমে আলফুলে এখন মৰমসনা চিঠিক চিৰদিন সাচি ৰাখিব পাৰে হৃদয়ৰ মণিকোঠাত। কিন্তু মোবাইলৰ এই যান্ত্ৰিক এটি সৰু SMS য়ে চিৰ যুগমীয়া কৰিব নোৱাৰে হৃদয়ৰ সঁচা মৰম ভালপোৱাক। সময়ে যাউতিযুগীয়া কৈ সাচি থয় এখনি নীলা খামৰ চিঠি।

আহঁকচোন! আমি প্ৰত্যেকজনেই মৰম, ভালপোৱাক আন্তৰিকতাৰে বিনিময় কৰো কেঁচা মাটিৰ সঁচা হৃদয়ৰ চিনাকি চিনাকি সুবাসেৰে উপচি থকা একোখনি নীলা খামৰ মাদকতাপূৰ্ণ 'চিঠি'। যাৰ মিঠা অনুভৱবোৰে প্ৰত্যেকৰে হৃদয়ত আলফুলে বোৱাই দিব এসাগৰ প্ৰেমৰ বন্যা......।

****

**এক মিনিটৰ গল্প—**

# মহৎ

মহঃ আব্দুল হালিম
স্নাতক প্ৰথম বৰ্ষ

'ভাড়া কিমান হ'ল অ'- ৰিক্সাখনৰ পৰা নামি প্ৰফেচাৰ দুৰৰাই ৰিক্সাৱালাক সুধিলে।

ঃ ' পাঁচ টকা বাবু' সবিনয়ে উত্তৰ দিলে ৰিক্সাৱালা আলীয়ে।

'পাঁচ টকা!' শব্দটোৱে যেন পাঁচ লাখৰ সমান হৈ দুৰৰাৰ কাণত খুন্দা মাৰিলে। তেওঁ গৰগৰাই উঠিল — "কি? এইখিনি বাট আহোতে পাঁচ টকা ভাৰানে? তহঁতে এই কাৰণেই ৰিক্সা চলাই খাব লগা হৈছে। মানুহ চিনি পোৱা নাই?"

'কি কৰিম বাবু! আজিকালি বস্তুৰ দাম বহুত বাঢ়ি গৈছে। ৰিক্সাৰ মালিকেও ৰিক্সাৰ ভাড়া বঢ়াই দিছে। মই আপোনাক বেছি খোজা নাই। ইয়ালৈ পাঁচ টকাই ভাড়া।'- ৰিক্সাৱালাই নম্ৰ সুৰত ক'লে।

ঃ মুখে মুখে কথা কবলৈ আহিছে। এইবুলি দুৰৰাই ৰিক্সাৱালা আলীৰ গালত এটা পূৰ্ণহঁতীয়া চৰ বহুৱাই দিলে। 'যা, এক পইচাও নিদিওঁ যা।' দুৰৰাই জপনাখন খুলি ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

আলীয়ে আমন-জিমনকৈ কিছু সময় থিয় হৈ ৰ'ল। তাৰ পিছত ৰিক্সাখন ঘূৰাই ঘৰমুৱা হ'ল। ৰিক্সা চলাই-চলাই সি মনতে ভাবি যাবলৈ ধৰিলে- আজি ৰাতিপুৱাই প্ৰথম ভাড়াটোতেই কেনা লাগিল। গতিকে আজি আৰু ৰিক্সা নচলোৱাই ভাল হব। দিনটোত বা আকৌ কি ঘটনা ঘটে। এইদৰে ভাবি ভাবি গৈ এটা সময়ত সি ঘৰ পালেগৈ। ৰিক্সা ৰখা ঠাইত ৰিক্সাখন ৰাখি ঘৰৰ ভিতৰৰ পৰা এডোখৰ ফটা কাপোৰ আনি ৰিক্সাখন মচিবলৈ ধৰিলে। এনেতে হঠাৎ তাৰ চকু পৰিল গাদিখনৰ ওপৰত এটা সৰু ক'লা মানি বেগ। বেগটো সি খুলি চালে। এশটকীয়া আৰু পঞ্চাশ টকীয়া নোটেৰে বেগটো ঠাহ খাই আছে। তাৰ ৰিক্সাখনত উঠাই নিয়া মানুহজনলৈ মনত পৰিল। তেওঁ চাগে টকাখিনিৰ বাবে বৰ চিন্তিত হৈ পৰিছে। মই সোনকালে গৈ বেগটো দি অহাই ভাল হ'ব। সি ৰিক্সাখন উলিয়াই লৈ সেই মানুহজনৰ ঘৰলৈ বুলি ৰিক্সা চলাই দিলে।

পদুলিত ৰিক্সাখন ৰাখি, তাৰ ক্ষয় যোৱা হাৱাই চেণ্ডেলযোৰ তাতেই খুলি থলে যোৱা টাপলি মৰা চেণ্ডেলযোৰেৰে (দুৰৰাৰ) গেটৰ পৰা আৰম্ভ হোৱা মসৃণ পকাখন গচকি পকাখনক অৱমাননা কৰিবলৈ তাৰ মন যোৱা নাছিল। লাহেকৈ গেটখন খুলি সোমাই গৈ সি দুৱাৰত টুকুৰিয়াই দিলে। দুৱাৰখন খুলি ওলাই আহি 'দুৰৰাই' তাক দেখি আকৌ গৰজি উঠিল- ঐ দুৱাৰত টুকুৰিয়াবলৈ তোক কিহে পাইছে, কলিং বেল আছে দেখা নাই নেকি? তই আকৌ কেলেই আহিছ? তোক ভাড়া নিদিওঁ বুলি কৈছো নহয়।

"ভাড়া নিবলৈ অহা নাই বাবু। আপোনাৰ বেগটো মোৰ ৰিক্সাতৰৈ গৈছিল।" এইবুলি সি বেগটো প্ৰফেচাৰ দুৰৰালৈ আগবঢ়াই দিলে। প্ৰফেচাৰ দুৰৰা শিলপৰা কপৌৰ দৰে নিথৰ হৈ ৰ'ল। ৰিক্সাৱালাৰ মুখলৈ চাই লাহে লাহে হাতখন আগবঢ়াই দিলে। বেগটো হাতত লৈ চেইনডাল খুলি দেখিলে গোটেইখিনি টকা ঠিকেই আছে। তাৰ পৰা পঞ্চাশটকীয়া নোট এখন উলিয়াই ৰিক্সাৱালাক দিব খুজি দেখিলে- ৰিক্সাৱালা তাত নাই। তেওঁ খৰখেদাকৈ গেটলৈ ওলাই আহি দেখিলে ৰিক্সাখন ইতিমধ্যেই কিছুদূৰ আগবাঢ়ি গৈছে। তেওঁ ৰিক্সাখনৰ ফালে একেথৰে চাই ৰ'ল। প্ৰফেচাৰ দুৰৰাৰ স্পষ্টভাৱে দৃষ্টিগোচৰ হ'ল এটি শব্দ ৰিক্সাখনৰ পিছফালে ৰঙা ৰঙেৰে ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে- "মহৎ"।

****



**গল্প—**

# প্ৰেম সম্পৰ্কে

মহঃ ৰাহুল আনছাৰী
স্নাতক প্ৰথম বৰ্ষ

প্ৰেম, দুটি বৰ্ণৰ এই মিঠা শব্দটোতে লুকাই থাকে জীৱনৰ সাৰ্থকতা। প্ৰেম কাৰ জীৱনলৈ কেতিয়া, কোন মুহূৰ্ত্তত কেনেদৰে আহে কোনেও ন দি ক'ব নোৱাৰে। অজানিতে কাৰোবাক ভাল লাগিবলৈ ধৰে, চাৰি চকুৰ মিলন হয়। হৃদয়ে হৃদয়ক বিচাৰে, মৌনতাই প্ৰাণ পায়। দুখবোৰ উৰা মাৰে। বেদনাবোৰে মুখ লুকায়। চৌদিশ হৈ পৰে ৰঙীণ। গছ ফুল, পাহাৰ, নদী, নিজৰা, মৰুভূমি সকলো হৈ পৰে প্ৰেমময়। কৃষ্ণচূড়াৰ ৰঙা ৰঙা পাহিবোৰে হৃদয়ত আলোড়নৰ সৃষ্টি কৰে। সেউজীয়া গছবোৰৰ মাজেৰে ৰঙীণ হৃদয়ৰ প্ৰেমবোৰ বিলাই দিয়ে বতাহত। বাটৰুৱাক দেখি মিচিকিাই হাঁহে। গাভৰু প্ৰকৃতিৰ পৰশত খাৰুপেটীয়াৰ কৃষ্ণচূড়াবোৰো ৰঙাকৈ ফুলি উঠে। সঁচা অৰ্থত হেনো ই প্ৰেমিকৰ মন জয় কৰে, মনৰ ভাৱবোৰ পাহিৰ পৰা প্ৰেমলৈ পৰিৱৰ্তিত হয়। খাৰুপেটীয়াৰ প্ৰেমীক-প্ৰেমীকাৰ হৃদয়ত জোৱাৰ তুলি বুৰ যায় প্ৰেমৰ সাগৰত। এই ৰঙা পাহিবোৰৰ মাজত আবদ্ধ হয় প্ৰেমীক হালৰ হৃদয়। কুমলীয়া প্ৰেমে যৌৱণ লাভ কৰে। হৃদয়ৰ আঁৰত থৈ দিয়া কথাবোৰ ওলাই আহে নিৰ্ভয় প্ৰেমিকৰ বুকুৰ মাজলৈ। আলফুলে সাৱটি লয় দুয়ো দুয়োকে। ভৰ যৌৱণৰ ডেকা গাভৰুৰ প্ৰেমৰ সাক্ষী তেজৰঙা কৃষ্ণ চূড়াবোৰ।

যৌৱণ জীৱন সকলো লহপহকৈ বাঢ়ি আহে কৃষ্ণচূড়াৰ পৰশত। কঁপি উঠে ফুলৰ পাহিৰ দৰে কোমল হৃদয়ৰ কোঠালিবোৰ। প্ৰেম হ'ব লাগে বিশ্বাসক ভেঁটি কৰি। কিন্তু আজিৰ প্ৰেম ছলনাৰে ভৰা। ল'ৰাই হওঁক বা ছোৱালীয়েই হওঁক অধিকাংশৰ বাবেই আজিৰ প্ৰেম হ'ল ফেশ্বন। আজিৰ প্ৰেম গঢ় লয় ছলনাৰ ভেটিত আৰু ধ্বংশও হয় ছলনাৰ আঘাতত। কাপোৰ সলোৱাদি সলায় প্ৰেম। তুমিয়েই মোৰ প্ৰথম প্ৰেম, তুমিয়েই মোৰ শেষ প্ৰেম বুলি কোনোৱেই নকয়। আজিৰ প্ৰেমত হৃদয়তকৈ দেহৰ স্থান বেছি বাবেই আজিৰ প্ৰেম হৈ পৰিছে ছলনাৰ সমষ্টি কিন্তু এটা কথা মনত ৰখা উচিত যে ছলনাই কেতিয়াও সৃষ্টি নকৰে। চুৰমাৰ কৰে কাৰোবাৰ সঁচা হৃদয় এই হৃদয় এবাৰ ভাঙিলে আৰু জোৰা নালাগে। এই ছলনাৰ বাবেই প্ৰেম হৈ পৰিছে কলংকিত। এই ছলনা যেতিয়ালৈকে প্ৰেমৰ মাজত থাকে তেতিয়ালৈকে প্ৰেমে কেতিয়াও পবিত্ৰতা নাপায়। পাব মাথো কলংকৰ কাহানিও মচিব নোৱাৰা চেকা।

***

## সাথঁৰ

১। জীৱ নহয় জড় জন্মিলেই মাৰে লৰ। উত্তৰটো ক'বলৈ কৰা খৰধৰ।
উত্তৰ ঃ আখৈ।

২। মই আছিলো জলত তই আছিলি থলত দুয়ো ভাইৰ দেখা-দেখি মৰণকালত।
উত্তৰ ঃ ঔটেঙা আৰু মাছ।

৩। লাহিকৈ দেহটি দীঘলকৈ খোপা এই বাটেৰে গৈছিল দেখিছিলানে বোপা?
উত্তৰ ঃ বাঢ়নী মাৰি।

সংগ্ৰাহক — পাৰবিন চুলতানা
স্নাতক ১ য় বৰ্ষ

**প্ৰবন্ধ —**

# স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদ আৰু জাতীয় সংহতি


এন, জামান
মুৰব্বী অধ্যাপক, আৰবী বিভাগ


ভাৰতৰ স্বাধীনতা আন্দোলনৰ ক্ৰান্তিকালত যিসকল বৰেণ্য ব্যক্তিয়ে গান্ধীজীৰ অহিংসাৰ মহান মন্ত্ৰেৰে দীক্ষিত হৈ নতুন ভাৰত নিৰ্মাণৰ সপোন সাৰটি স্বাধীনতা যুঁজত অৱতীৰ্ণ সেইসকলৰ ভিতৰত মৌলানা আজাদ আছিল অগ্ৰগন্য। তেওঁ আছিল একেধাৰে বৈপ্লৱিক চিন্তাৰ পৃষ্ঠপোষক, জাতীয়তাবাদী অথচ গভীৰভাৱে মানৱতাবাদী, সাহিত্য সংস্কৃতিৰ ঐতিহাসিক সামাজিক বৈশিষ্ট্যৰ প্ৰতি অনুৰক্ত, উচ্চ নৈতিকতাৰ অধিকাৰী, সমকালীন ৰাজনীতি সম্পৰ্কে সচেতন এক উদাৰ বিপ্লৱী মণীষা।

১৮৫৭ চন। চিপাহী বিদ্ৰোহৰ অশান্ত পৰিস্থিতি, সংগ্ৰামী সত্তাৰ উকমুকনি, আকাশ বতাহ নিনাদিত কৰা বিপ্লৱৰ ৰণদুন্দুভি। এনে এক জটিল সন্ধিক্ষণত বহুলোকে প্ৰাণৰ মায়াত দেশ এৰি বিদেশলৈ আঁতৰি গৈছিল তাৰ ভিতৰত আজাদৰ পিতৃ খাইৰুদ্দিনো আছিল এই বিপ্লৱৰ ভুক্তভোগী। বহুদিন আত্মগোপন কৰি অ'ত ত'ত ঘুৰি ফুৰাৰ পিছত তেওঁ মক্কা শ্বৰীফত উপস্থিত হ'লগৈ।

মুহাম্মদ খাইৰুদ্দিন এজন উচ্চ বংশৰ লোক আছিল তেওঁৰ বংশৰ কেবাগৰাকী ব্যক্তি মোগল ৰাজত্বকালৰ পণ্ডিত আছিল। আজাদৰ ককাদেউতাকক মোগলৰ সময়ত "ৰুকন আল্ ইল্‌ম" অৰ্থাৎ "জ্ঞানৰ স্তম্ভ" নামে জনা গৈছিল। আজাদৰ পিতৃ খাইৰুদ্দিনো এজন পণ্ডিত আছিল। আৰবী-ফাৰ্চী ভাষাত বহুতো অমূল্য গ্ৰন্থ ৰচনা কৰিছিল। হিন্দু মুছলিম উভয় সম্প্ৰদায়ৰ লোকে তেওঁক শ্ৰদ্ধা কৰিছিল। তেওঁৰ পিতৃ খাইৰুদ্দিনে মক্কাৰ বিখ্যাত পণ্ডিত জাহিৰ ওৱাত্ৰিৰ কন্যাক বিবাহ কৰাই মক্কা শ্বৰীফতে থাকিবলৈ লয়। তাতে ১৮৮৮ চনত চেপ্তেম্বৰ মাহত আজাদৰ জন্ম হয়। তিনিজনী ভনী আৰু এজন ককায়েকৰ সৈতে আজাদে আৰবী ভাষাতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে।

১৮৯৮ চনত আঘাতপ্ৰাপ্ত ভৰি চিকিৎসা কৰা তথা ভাৰতত থকা বন্ধু বান্ধবৰ অনুৰোধক্ৰমে আজাদৰ পিতৃ ভাৰতলৈ আহে আৰু কলিকতাত স্থায়ীভাৱে থাকিবলৈ লয়। তাতে তেওঁৰ পত্নীৰ বিয়োগ হয়। সেই সময়ত ইংৰাজৰ অধীনত ভাৰতত মাদ্ৰাছা আৰু স্কুল চলি আছিল কিন্তু আজাদৰ পিতৃ খাইৰুদ্দিনে উক্ত শিক্ষা ব্যৱস্থাত সন্তুষ্ট হ'ব পৰা নাছিল। সেয়েহে তেওঁ ল'ৰা-ছোৱালী কেইটাক নিজৰ তত্বাৱধানত পঢ়ুওৱাৰ দিহা কৰিছিল। তদুপৰি আজাদে পিতৃৰ বন্ধু-বান্ধৱ সকলৰ পৰা ন্যায়, দৰ্শন, অংকশাস্ত্ৰ, ভূগোল, ইতিহাস আদি বিষয়সমূহ শিকিছিল।

১৯০৫ চনত উচ্চ শিক্ষা অৰ্জনৰ বাবে আজাদে ইজিপ্তলৈ যায়। তাত প্ৰখ্যাত আল্ আজহাৰ বিশ্ববিদ্যালয়ত দুবছৰ কাল অধ্যয়ন কৰাৰ পিছত তেওঁ ভাৰতলৈ ঘূৰি আহে। মাত্ৰ উনৈশ বছৰ বয়সত ইছলামী দৰ্শন, সাহিত্য বিজ্ঞান আৰু ইতিহাস ত তেওঁ সুপণ্ডিত ৰূপে খ্যাতি লাভ কৰে। ইপিনে তেওঁ ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰি পিতৃৰ বন্ধু এজনৰ ওচৰত ইংৰাজী ভাযা অধ্যয়নত ব্ৰতী হয় আৰু কম দিনৰ ভিতৰতে ইংৰাজী ভাষাত ব্যুৎপত্তি লাভ কৰে।

১৯২২ চনত নিজৰ শিক্ষা জীৱন সম্পৰ্কে ক'বলৈ গৈ আজাদে লিখিছে — "মই মস্তিস্কত শত সহস্ৰ কক্ষ তৈয়াৰ কৰি ৰাখিছিলো, কোনোটো আইনৰ, কোনোটো আন্তৰ্জাতিক বানিজ্যৰ, কোনোটো অংকৰ আৰু কোনোটো সামৰিক বিজ্ঞানৰ। তাতে স্তৰে স্তৰে তথ্য সজোৱা থাকে। যেতিয়া কোনো তথ্যৰ প্ৰয়োজন হয়, অন্য কক্ষ বিলাক বন্ধ হৈ যায় প্ৰয়োজনীয় কক্ষটোৰ দৰ্জা খোল খায়। কেতিয়াবা আটাইকেইটা কক্ষৰ দুৱাৰ খোল খায়।"

আজাদ ধীৰ-স্থিৰ, অল্পভাষী আৰু অতিশয় চোকা বুদ্ধিৰ ল'ৰা আছিল। পিতৃৰ জীৱন সংগ্ৰামৰ প্ৰত্যক্ষ অভিজ্ঞতা, পূৰ্বপুৰুষৰ স্মৃতিলব্ধ অভিজ্ঞতা আৰু ধমনীত প্ৰবাহিত হৈ থকা সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰভাৱ তথা পৰিবেশৰ তাৎক্ষণিক প্ৰতিক্ৰিয়াই আজাদৰ জীৱনবোধ বিশ্ববোধলৈ পৰিণত কৰিছিল।

কুৰি বছৰ নৌহওঁতেই আজাদৰ ৰাজনৈতিক জীৱন আৰম্ভ হয়। ১৯১২ চনৰ জুন মাহত প্ৰৱল জাতীয়তাবাদী তথা বৈপ্লৱিক চিন্তাধাৰাৰে পৰিপুষ্ট- 'আল-হিলাল' নামে এখন বাতৰি কাকত প্ৰকাশ কৰে। ই আছিল উৰ্দু সংবাদ জগতৰ এক মাইলৰ খুটা স্বৰূপ। গদ্যৰ ঋজুতা, পদ্যৰ আৱেগধৰ্মীতা, সমসাময়িক ঘটনা প্ৰৱাহৰ নিটোল বিশ্লেষণ, উৰ্দুৰ লগতে আৰবী, ফাৰ্চী শব্দৰ বিচিত্ৰ সংযোজনে ইয়াক অন্য মাত্ৰা প্ৰদান কৰিছিল। ১৯১৫ চনত সাম্ৰাজ্যবাদী চৰকাৰে বৃটিছ বিৰোধী প্ৰচাৰ ও প্ৰসাৰৰ অভিযোগ তুলি এই কাকতখন বন্ধ কৰি দিয়ে। কিন্তু তাতে তেওঁৰ কলম স্তব্ধ নহ'ল। ১৯১৬ চনত 'বালাগ' নামে আন এখন কাকত প্ৰকাশ কৰে। এই কাকতত বৃটিছৰ শোষণ আৰু তোষণ নীতি প্ৰকাশ হোৱাত এই কাকতখনো বন্ধ কৰি দিয়াৰ লগতে কলিকতা, দিল্লী, পাঞ্জাৱ আৰু উত্তৰপ্ৰদেশত তেওঁৰ ভ্ৰমণ নিষিদ্ধ কৰা হ'ল। এই সময়তে কলিকতাৰ পৰা তেওঁ ৰাঁচীলৈ যায়। তাত তেওঁ মৰহাবাদী নামে কোল, মুণ্ডা, চাওতাল, ওৰাং আদি অধ্যুষিত এখন গাঁৱত থাকিবলৈ লয়।

অহিংসাৰ পূজাৰী গান্ধীজীৰ জীৱনত গীতা পুথিখনে যথেষ্ট প্ৰভাৱ পেলাইছিল ঠিক সেইদৰে আজাদৰ জীৱনত মহাগ্ৰন্থ কুৰ্‌আন শ্বৰীফৰ প্ৰভাৱ আছিল উল্লেখযোগ্য। তেওঁ তৰ্জমানুল কুৰ্‌আন নামেৰে মহাকাব্যৰ দৰে এখন গ্ৰন্থ প্ৰণয়ন কৰে। কলিকতা আৰু ৰাঁচীত পুলিচে খানাতালাছ কৰোতে তেখেতে যুগুতোৱা গ্ৰন্থখনৰ কিছু অংশ ছেদেলি ভেদেলি কৰি দিয়াৰ ফলত ইয়াক নিয়াৰিকৈ সজোৱাটো কঠিন হৈ পৰিছিল। পিছে পৰৱৰ্ত্তী সময়ত স্মৃতিৰ পৰাই তেওঁ বহু অংশ লিখি উলিয়াই। কুৰ্‌আন সম্পৰ্কে ক'বলৈ গৈ আজাদে লিখিছে — "মোৰ জীৱনৰ তেইশ বছৰ কাল মই পবিত্ৰ কুৰ্‌আন মযীদ অধ্যয়নত লগাইছিলো। কুৰ্‌আনৰ প্ৰতিটো শ্লোক, প্ৰত্যেক বাক্যাংশ আৰু শব্দৰ ওপৰত গভীৰভাৱে মই চিন্তা কৰিছিলো। প্ৰকাশ হোৱা বা নোহোৱাকৈ থকা প্ৰায়বিলাক টীকা ভাষ্য মই অধ্যয়ন কৰিছিলো বুলি দাবী কৰিব পাৰো। সুখৰ বিষয় যে, সাহিত্য একাডেমীয়ে আজাদৰ তৰ্জমানুল কুৰ্‌আনখন তিনিটা খণ্ডত প্ৰকাশ কৰিছে। ১৯২০ চনৰ জানুৱাৰী মাহত মৌলানা াজাদৰ ওপৰত থকা আন্তৰীণ আদেশ উঠাই লোৱা হয়। তেওঁ ৰাঁচীৰ পৰা কলিকতালৈ ঘুৰি আহে, ইফালে ৰাওলট আইন পাচ হয়। উক্ত আইনৰ প্ৰতিবাদ কৰাত সাম্ৰাজ্যবাদীসকলৰ পুলিচ বাহিনীয়ে নিৰীহ জনতাৰ ওপৰত নিৰ্মম অত্যাচাৰ চলায়। জনগণৰ ওপৰত চলা এনে বৰ্বৰ অত্যাচাৰৰ নিদাৰুণ প্ৰতিচ্ছবিয়ে কিশোৰ আজাদৰ অন্তৰত প্ৰৱল জোঁকাৰণিৰ সৃষ্টি কৰে। সেয়ে তেওঁ সক্ৰিয় ৰাজনীতিত জঁপিয়াই পৰে। ১৯২০ চনত 'পয়গাম' নামে পুনৰ আন এখন আলোচনী কাকত প্ৰকাশ কৰে। অসহযোগ সম্পৰ্কত গান্ধীজীৰ লগত হাকিম আজমল খাঁ আৰু আজাদে বিস্তৃত আলোচনা কৰাৰ পিছত গান্ধীজীৰ অসহযোগৰ প্ৰতি তেওঁলোকে পূৰ্ণ সমৰ্থন আগবঢ়ায়। কলিকতা আৰু নাগপুৰত বহা কংগ্ৰেছ অধিবেশনত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ বিপুল সংখ্যা গৰিষ্ঠতাত অনুমোদিত হয়। এই সময়ছোৱাত আজাদ গান্ধীৰ লগত আছিল আৰু দুয়োৰে সম্পৰ্ক গাঢ়তৰ হৈ পৰে। ১৯২১ চনৰ ১০ ডিচেম্বৰত আজাদক এবছৰৰ বাবে বন্দী কৰি ফাটেকত দিয়া হয়।

ইপিনে মুছলীম লীগে সাম্প্ৰদায়িকতাৰ ভেটিত ৰাজনীতি কৰিবলৈ লোৱাত জাতীয়তাবাদী মুছলিমসকলে নেছনলিষ্ট মুছলিম পাৰ্টী নামেৰে এটা সুকীয়া পাৰ্টী গঠন কৰে। ডঃ আনছাৰী, তছদ্দুক আহমেদ খাঁন আৰু স্বেৰাৱনি এই দলৰ প্ৰধান উদ্যোক্তা আছিল। আজাদৰ সভাপত্বিত অধিবেশন অনুষ্ঠিত হয়।

১৯২৯ চনত কংগ্ৰেছে পূৰ্ণ স্বাধীনতা দাবী কৰাত ১৯৩০ চনত আজাদ আৰু আনছাৰীয়ে জাতীয়তাবাদী মুছলিম পাৰ্টীৰ পৰা এটা বিবৃতি যোগে কৈছিল— "এতিয়া যিহেতু যুদ্ধ আৰম্ভ হৈছে,

মুছলমানসকলৰ সুকীয়া দাবী পৰিত্যাগ কৰিবলগীয়া, যুদ্ধ কেতিয়া আৰম্ভ হৈছে তেতিয়া যিমানেই যুক্তিযুক্ত নহওঁক কিয়, কোনো দাবী কৰা উচিত নহয়। কিয়নো ই সংগ্ৰামৰ প্ৰকৃত উদ্দেশ্যেৰ পৰিপন্থী।"

১৯২৩ চনত দিল্লীত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত জাতীয় সংহতিৰ বাবে প্ৰচেষ্টা হাতত লোৱা হয়। এই মিলন প্ৰয়াসৰ বাবে দিল্লী অধিবেশনত সভাপতিত্ব কৰাৰ বাবে আজাদক আমন্ত্ৰণ জনোৱা হয়। তেওঁ আছিল কংগ্ৰেছৰ সৰ্বকনিষ্ঠ সভাপতি। ইয়াৰ মূলতে আছিল তেওঁৰ সাহস আৰু সংহতিমূলক চিন্তা। দিল্লীৰ অধিবেশনত সভাপতিৰ অভিভাষণত হিন্দু-মুছলিম ঐক্যৰ প্ৰশ্নটোৱে গুৰুত্ব লাভ কৰিছিল। এই ঐক্য অবিহনে জাতীয় স্বাধীনতা অসাৰ বুলি তেওঁ মন্তব্য কৰিছিল। ঐক্য অবিহনে মানৱীয় নীতি সমূহৰ প্ৰয়োগ অসম্ভৱ। তেওঁৰ ভাষাৰ বৰ্ণদ্যুতিত দিল্লী ভাষণ বিচ্ছুৰিত হয়। তেওঁ কৈছিল — "আজি যদি আকাশৰ পৰা এজন দেৱদূত আহি দিল্লীৰ কুতুব মিনাৰৰ চূড়াত উঠি ঘোষণা কৰে হিন্দু-মুছলিম ঐক্য পৰিহাৰ কৰা ছব্বিশ ঘণ্টাৰ ভিতৰত তোমালোকে স্বৰাজ লাভ কৰিবা তেনেহ'লে হিন্দু মুছলিম ঐক্য ৰক্ষাৰ স্বাৰ্থত আমি স্বৰাজকে ত্যাগ কৰিম। কিয়নো স্বৰাজ বিলম্ব হ'লে কেৱলমাত্ৰ ভাৰতৰ ক্ষতি হ'ব কিন্তু যদি আমাৰ ঐক্য সংহতি বিনষ্ট হয় তেনেহ'লে সমগ্ৰ মানৱ জাতিয়েই ক্ষতিগ্ৰস্ত হ'ব।"

কেবা শতিকাজুৰি ভাৰত উপমহাদেশত হিন্দু মুছলিম সকলে ওচৰা ওচৰিকৈ বসবাস কৰি আহিছে। ভাৰতীয় মুছলমান হিচপে তেওঁ এই সাংস্কৃতিক ঐতিহ্যৰ অংশীদাৰ। ১৯০৬ চনৰ জাতীয় ৰাজনৈতিক উদ্দীপনাৰ অভিজ্ঞতাও তেওঁৰ বিদ্যমান। সেই অভিজ্ঞতা লাভ কৰিছিল তেওঁ কলিকতাত থকা সময়ত বঙালী হিন্দু সকলৰ পৰা। আনহাতে আৰৱ জাতীয়তাবাদী নেতা জামালুদ্দিন আফগানী আৰু ইজিপ্তৰ শ্বেইখ মুহাম্মদ আব্দুহুৰ পৰা মুছলিম অমুছলিম জনগণৰ ঐক্যবদ্ধ কৰ্মপন্থাৰ পথ নিৰ্দেশনা লাভ কৰিছিল। মিছৰৰ আলহিলাল কাকতৰ প্ৰখ্যাত খ্ৰীষ্টান সাংবাদিক জুৰ্জি জাইদানৰ লিখনিৰ দ্বাৰা তেওঁ গভীৰভাবে প্ৰভাৱিত হৈছিল।

মৌলানা আজাদে ভাৰতীয় ও আৰবীয় ঐতিহ্যৰ দ্বাৰা এই সত্যত উপনীত হৈছিল যে বিদেশী শাসকৰ বিৰুদ্ধে হিন্দু মুছলমানৰ ঐক্যবদ্ধ সংগ্ৰামেই হ'ল মুক্তিৰ একমাত্ৰ উপায় তথা স্বাধীনতাৰ প্ৰধান হাথিয়াৰ। দেশ স্বাধীনতাৰ পিছত সংখ্যাগুৰু হিন্দু সকলৰ চৰকাৰ গঠিত হ'লে মুছলিমসকল বিতাৰিত ও নিৰ্যাতিত হ'ব বুলি বহু লোকে অজান আশংকাত ভুগিছিল। এনেকি মুছলিম জনগণৰ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণক একাংশ ব্যক্তিয়ে সন্দেহৰ চকুৰে চাইছিল। মুছলমান জনগণৰ মাজত গা কৰি উঠা এনে ধৰণৰ দ্বিধা সংশয় নশ্ছাৎ কৰি তেওঁ কৈছিল — "হিন্দু সকলক ভয় কৰাৰ কোনো কাৰণ নাই, তোমালোকে একমাত্ৰ আল্লাহক ভয় কৰিবা, কিয়নো তোমালোক আল্লাহৰ সৈনিক, আপোনালোক ভাৰতত বসবাস কৰিব লাগিব। আপোনালোকৰ প্ৰতিবেশী (অৰ্থাৎ হিন্দু ধৰ্মাৱলম্বী) সকলক আলিঙ্গন কৰা।" যদি আন সম্প্ৰদায়ে আপোনালোকক সু ব্যৱহাৰ নকৰে তেনেহ'লে আপোনালোকে তেওঁলোকক সুন্দৰ ব্যৱহাৰ কৰিবা। প্ৰতিবেশী সুলভ মনোভাৱ পোষণ কৰি, অমুছলিম সকলৰ লগত কান্ধত কান্ধ মিলাই বিচ্ছিন্নতাবাদী মনোভাৱ পৰিত্যাগ কৰি কংগ্ৰেছৰ পতাকাৰ তলত সমবেত হ'বলৈ তেওঁ মুছলমানসকলক উদাত্ত আহ্বান জনাইছিল।

বিশ্ব ভাতৃত্বৰ প্ৰশ্ন এক চিৰন্তন প্ৰশ্ন, এখন পৃথিৱীৰে অধিবাসী হিচাপে মানৱ মনৰ এক অনিৰ্বচনীয় আৱেগ আছে। সেই আৱেগৰ ৰহস্যময় ঢৌ তুলি কোনো কোনোৱে সমস্ত স্বদেশকে কেতিয়াবা স্বৰ্ণখচিত কৰে। বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ তাৰ জ্বলন্ত উদাহৰণ। আজাদেও আন্তৰ্জাতিক মানসিকতা সম্পৰ্কে কৈছিল, "যদি সমস্ত পৃথিৱী আমাৰ দেশ হয় আৰু তাক শ্ৰদ্ধা জনাব লাগে, তেনেহ'লে ভাৰতৰ ধুলিকণাৰ স্থান সৰ্বপ্ৰথম, আনহাতে যদি সমগ্ৰ মানৱ জাতি আমাৰ ভাই তেনেহ'লে ভাৰতীয়সকলৰ স্থান থাকিব প্ৰথম স্থানত।"

দেশ বিভাজনৰ পিছত পাকিস্থানৰ মুছলমানসকল আজাদৰ নিন্দাত মুখৰ হৈ পৰিছিল, কিয়নো আজাদে এখন ঐক্যবদ্ধ সুস্থ আৰু শক্তিকামী ভাৰতৰ সপোন দেখিছিল। ১৯৪৭ চনত মৌলানা আজাদে স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ উক্ত পদতে ১৯৫৮ চনলৈকে অৰ্থাৎ মৃত্যুৰ আগলৈকে



কাৰ্যনিৰ্বাহ কৰিছিল।

জাতিৰ প্ৰগতিত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে তেওঁ শিৰাই শিৰাই উপলব্ধি কৰিছিল। তেওঁ যেতিয়া প্ৰথম শিক্ষা দপ্তৰৰ দায়িত্ব গ্ৰহণ কৰে সেই সময়ত শিক্ষা শিতানৰ বাজেটত আছিল মাত্ৰ দুই কোটি টকা, কিন্তু তেওঁৰ প্ৰচেষ্টাতেই এই ধন বাঢ়িগৈ ৩০ কোটি টকা হয়। তেওঁ কৈছিল যে — "কৃষি আৰু শিল্পৰ উংপাদন কৰাই আমাৰ পৰিকল্পনাৰ উদ্দেশ্যে হ'ব নোৱাৰে। ইয়াৰ উদ্দেশ্য হ'ব লাগিব যুৱক-যুৱতী সকলৰ বাবে উপযুক্ত বাতাবৰণ ও ক্ষেত্ৰ সৃষ্টি কৰা আৰু প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়া।

তেওঁৰ কাৰ্যকালতে বিশ্ববিদ্যালয় অনুদান আয়োগ, অল ইণ্ডিয়া কাউন্সিল অৱ টেকনিকেল এডুকেচন, চেকেণ্ডেৰী এডুকেচন কমিচন, খড়গপুৰ, ইনষ্টিটিউট অৱ হায়াৰ টেকনলজী আদি প্ৰতিষ্ঠা কৰে। শিক্ষা আৰু সাংস্কৃতিক নীতি সম্পৰ্কত বিভিন্ন উপলক্ষত দিয়া উদাৰ ধৰ্মীয় চেতনা অনুভূতি ফুটি উঠিছিল। তেওঁ কৈছিল — "জাতিৰ প্ৰগতিৰ এটা অন্যতম প্ৰধান অন্তৰায় হ'ল সংকীৰ্ণ মানসিকতা। স্বাধীনতাৰ নৱ যুগত এই ব্যাধিৰ পৰা মুক্ত হোৱাটো আমাৰ বাবে নিতান্তই বাঞ্চনীয়।"

ভাৰতৰ তৃতীয় ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইনে কৈছিল — "মৌলানা আবুল কালাম আজাদৰ ব্যক্তিত্ব বহুমুখী। তেওঁ কেৱল এজন স্বাধীনতা যুজাৰু আৰু ৰাজনীতিজ্ঞই নাছিল, তেওঁ ধৰ্মতো এজন ডাঙৰ পণ্ডিত আছিল। সাহিত্য আৰু কলাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ বৰঙণি আছে। তেওঁ আছিল এজন সুৰুচিপূৰ্ণ লোক। বেছি মানুহৰ লগত তেওঁ মিলামিছা নকৰিছিল। জীৱনৰ শেষৰ ফালে তেওঁ নিজকে সংকুচিত কৰি নিজৰ ভাগেই থাকিবলৈ লৈছিল। কম মানুহৰ লগত মিলামিছা কৰিলেও তেওঁ আছিল সকলোৰে বন্ধু।"

মুক্ত তথা উদাৰ দৃষ্টিভঙ্গী, প্ৰশান্ত জ্ঞানৰ অধিকাৰী আজাদৰ মৃত্যুত পণ্ডিত নেহৰুৱে শোক প্ৰকাশ কৰি কৈছিল — "আজাদ আছিল অতীত আৰু বৰ্তমানৰ সকলো মহৎ গুণৰ মূৰ্ত্তিমান প্ৰকাশ।"

জাতি, বৰ্ণ, ভাষা, ধৰ্ম সম্প্ৰদায়ৰ সংকীৰ্ণ আৱৰণৰ পৰা মুক্ত হৈ বিশ্ব ভাতৃত্ববোধৰ চেতনাৰে উদ্ধুদ্ধ হোৱা এইগৰাকী মহান ব্যক্তিৰ ১৯৫৮ চনৰ ফেব্ৰুৱাৰী মাহত বাথৰূমত আকস্মিকভাৱে পৰি যোৱাৰ ফলত ষ্টোকৰ বলি হৈ ইহলীলা সম্বৰণ কৰে।

প্ৰসঙ্গ পুথিঃ

১। INDIA WINS FREEDOM : Abul Kalam Azad
২। সংগ্ৰামী নায়ক মৌলানা আবুল কালাম আজাদ : আব্দুৰ ৰাকিব।
৩। জাতীয় কংগ্ৰেছৰ কৰ্ণধাৰ সকল : বিজয় ভাগৱতী।
৪। জাতীয় জীৱনত সংহতি আৰু সংঘাত : হীৰেণ গগৈ।
৫। ভাৰতৰ জাতীয় সংস্কৃতি : আবিদ হুছেইন।
৬। ভাৰতৰ স্বাধীনতা সংগ্ৰামে মুছলিম অৱদান : শান্তিময় ৰায়।

শ্বেখ আশ্ৰাফুন নাহাৰ
স্নাতক ২ য় বৰ্ষ

১। সকলোতে থাকো মই, সকলোৱে মোক খায়, মই নহ'লে সৃষ্টি নহয়, য'তে বিচৰা ত'তে পায়?
উত্তৰ ঃ বতাহ।

২। গাড়ী নহয় মাটিত চলে, চৰাই নহয় উৰি ফুৰে, মুখ থাকিলে পেটেৰে খায়, উঠে তাত জখলাৰে বগায়?
উত্তৰ ঃ উৰাজাহাজ।

**প্ৰবন্ধ —**

# বড়ো-কছাৰী জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ ঃ এটি চমু আলোকপাত

জাহিদা চুলতানা
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

মানুহৰ জীৱন যেনেদৰে গতিশীল, সংস্কৃতিও তেনেদৰে প্ৰগতিশীল। অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ এটা উপকৰণ মাত্ৰ, হলেও অসমীয়া সংস্কৃতি নিজা পোহৰেৰে জান জুৰিয়ে এক জাতীয় সংস্কৃতি গঢ় লৈ উঠে। ঠিক তেনেদৰে অসমীয়া সংস্কৃতিও নানা জনগোষ্ঠীয় সংস্কৃতিৰ সমন্বয়ৰে গঢ়ি উঠা এক বৃহৎ সংস্কৃতি।

সংস্কৃতি একোটা জাতি বা জনগোষ্ঠীৰ সাহিত্য, সংগীত, চিত্ৰকলা, ভাস্কৰ্য্য আৰু স্থাপত্য এই পাঁচবিধ সুকুমাৰ কলাৰ মাজেদি প্ৰকাশিত মানসিক উৎকৰ্ষ বা কৃতিত্বকে বুজায়। কিন্তু বহল অৰ্থত তাৰ উপৰিও জাতিটোৰ ধৰ্ম বিশ্বাস, সংস্কাৰ আচাৰ অনুষ্ঠান, খাদ্য-প্ৰণালী, সাজপাৰ, গৃহ নিৰ্মাণ প্ৰণালী আদি কথা সংস্কৃতি শব্দটোৰে প্ৰকাশ কৰিছে।

সংস্কৃতিয়েই হ'ল ভাৰতীয় ঐক্যৰ প্ৰধান ভেটি। ভাৰতীয় সংস্কৃতিৰ বিশাল সোঁত হাজাৰ হাজাৰ বছৰ ধৰি বৈ আহিছে। নানা জাতি, উপজাতিৰে ভৰপুৰ ভাৰতীয় সংস্কৃতি। ঠিক সেইদৰে অসমৰ সংস্কৃতিও নানা জাতি, উপজাতি, জনজাতি আদিৰে ভৰপুৰ। অতি প্ৰাচীন কালৰে পৰা বহুতো জনগোষ্ঠীয়ে ইয়াত বাস কৰি আহিছে। অসমৰ সৰহভাগ জনজাতিয়েই মঙ্গোলীয় আৰু অষ্টিক জনগোষ্ঠীয় লোক। তাৰ ভিতৰত বড়ো-কছাৰী, ৰাভা-তিৱা, মিচিং, কাৰ্বি, গাৰো খামতি আদি প্ৰজাতিবোৰ পৰে। ইংৰাজৰ ৰাজত্ব কালত মেঘালয়, নাগালেণ্ড, অৰুণাচল আৰু মিজোৰাম ৰাজ্যও অসমৰ ভিতৰতে আছিল। সেই সময়ত মেঘালয়ত থকা অষ্টিক জনগোষ্ঠীৰ খাচীয়া আৰু জয়ন্তীসকল অসমৰ অধিবাসী আছিল। এই জনগোষ্ঠী সকল অসমত একোখন সুকীয়া ৰাজ্যপাতি বাস কৰিছিল। তেওঁলোক সকলোৰে নিজস্ব ভাষা ধৰ্ম সমাজ ব্যৱস্থা কৃষ্টি কলাও আছিল। এই জনজাতি সকলৰ ভিতৰত বড়ো কছাৰী সকলৰ আটাইতকৈ ডাঙৰ ৰাজ্য আছিল।

বড়োসকলক অসমৰ আদিম আৰু প্ৰকৃত মাটিৰ মানুহ বুলি কোৱা হয়। তেওঁলোকৰ এই আদিম বৈশিষ্ট্যৰ বাবে তেওঁলোকক অসমৰ 'ভূমিপুত্ৰ' বুলিও অভিহিত কৰা হয়। প্ৰখ্যাত বুৰঞ্জীবিদ ডঃ সুনীতি কুমাৰ চেটাৰ্জীৰ মতে বড়োসকল মাতৃ ধৰিত্ৰীয়ে গৰ্ভধাৰণ কৰা শ্ৰীবিষ্ণুৱ ঔৰষজাত সন্তান। সেইকাৰণে মহাকাব্যৰ যুগত এইসকলক 'কিৰাত' বা 'কিৰান্তি' ফৈদৰ বুলি কোৱা হয়। জাতিগত ভাৱে বড়োসকল ইন্দো-মঙ্গোলীয় বা ইন্দো তিৰ্ব্বতীয় প্ৰজাতিৰ লোক। এই মঙ্গোলীয় প্ৰজাতিৰ শাৰিৰীক বৈশিষ্ট্য একেধৰণ-গাৰ বৰণ পীত বা পীত পিংগল, চুলি কলা, ঋজু আৰু অমসৃন। ডাঢ়ি-গোফ তাকৰ, শৰীৰত নোম কম আৰু চকুৰ কোন ঠেক। এনেবোৰ শাৰিৰীক লক্ষণ সকলো বড়ো-কছাৰীৰ মাজতেই বিদ্যমান।

চাৰিওফালে পাহাৰে আৱৰা অসমৰ এই সমতল ভূমিত বসবাস কৰা সকলো লোকেই অসমীয়া ভাষাকেই দৈনন্দিন কাম-কাজৰ কথ্য ভাষাৰূপেই প্ৰয়োগ কৰিলেও ভালেকেইটা জনগোষ্ঠীৰ কাৰণে অসমীয়া ভাষা দ্বিতীয় মাতৃভাষাহে। বড়ো-কছাৰী জনজাতীয় লোকসকলে প্ৰধানকৈ গোৱালপাৰা, কোকৰাঝাৰ, ওডালগুৰি, দৰং, চিৰাং, বাস্কা জিলাতেই কেন্দ্ৰীভূত ৰূপত বসবাস কৰে। ১৯৫১ চনৰ পিয়ল অনুসৰি সেই সময়ত অসমৰ বড়ো



জনগোষ্ঠীয় ভাষা-ভাষী লোকৰ সংখ্যা এক লাখ সত্তৰ হাজাৰ বুলি উল্লেখ কৰিছে। এই হিচাপটো অৱশ্যে বড়ো (ভৈয়ামৰ কছাৰী), বড়ো দোৱান আৰু কছাৰী দোৱানক ধৰিহে কৰা হৈছে, ডিমাছা বা মেছ সকলৰ ভাষাক ইয়াৰ লগত সাঙুৰি লোৱা নাই। বড়ো ভাষাৰ নিজা লিপি নাই। খ্ৰীষ্টিয়ান বড়োসকলে ধৰ্মীয় কথাবিলাক লেখাৰ মাধ্যম হিচাপে ৰোমান আখৰকে গ্ৰহণ কৰে আৰু কিছুমানে এসময়ত সংশোধীত ৰূপত অসমীয়া আখৰেৰে ও বড়ো ভাষাত লিখিবলৈ চেষ্টা কৰিছিল যদিও পিছলৈ তেওঁলোকে দেৱনাগৰী লিপিকেই গ্ৰহণ কৰিছে। ১৯৭১ চনৰ লোকপিয়ল মতে এই জনসংখ্যা হৈছিল ৬,১০,৪৯৫।

উত্তৰ-পূৰ ভাৰতৰ বড়ো-কছাৰী জনগোষ্ঠীৰ লোকসকলে এটা সময়ত উত্তৰ-পূৰ ভাৰত তথা গোটেই অসম জুৰি আছিল বুলি অনুমান কৰা যায়। তেওঁলোকৰ জনবসতিৰ প্ৰমাণ হিচাপে অসমৰ বিভিন্ন অঞ্চলৰ ঠাইবাচক আৰু নদীবাচক নাম সমূহেই ইয়াৰ সাক্ষী দিয়ে। 'কিৰাত' বা 'কিৰান্তি' ফৈদৰ এই বড়ো-কছাৰী সকলৰ বিভিন্ন শাখা বিলাকৰ ভিতৰত ভাৰতৰ উত্তৰবঙ্গত বাস কৰা সকল 'ম্লেছ' বুলি জনা যায়। তাৰোপৰি ত্ৰিপুৰাত বসবাস কৰা এই গোষ্ঠীৰ লোক সকলক 'ত্ৰিপুৰা' বা 'বৰক' বুলি কোৱা হয়। আনহাতে অসমৰ উত্তৰ কাছাৰত বাস কৰা বড়ো-কছাৰী গোষ্ঠীৰ লোকসকল ডিমাছা কছাৰী বুলি জনা যায়; কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অঞ্চলত সিঁচৰিত হৈ থকা এই গোষ্ঠীৰ লোক সকলে নিজকে বড়ো বুলিহে পৰিচয় দি ভাল পায়।

বড়ো-কছাৰী সকলৰ উচ্চতা গড় হিচাপত ১৬৩.০৫ চে.মি. বুলি সাধাৰণতে ধৰা যায়। তেওঁলোকৰ বাহ্যিক অৱয়বৰ পৰাই তেওঁলোকৰ পৰিচয় পোৱা যায়। তেওঁলোকে নিজৰ মানুহখিনিৰ লগত অসমীয়া আৰু বড়ো ভাষাকেই ব্যৱহাৰ কৰে যদিও অন্য ভাষীলোকসকলৰ লগত হিন্দী, ইংৰাজী লগতে অসমীয়া ভাষাৰো ব্যৱহাৰ কৰা দেখা যায়! বড়ো সকলৰ মাজত খেল অনুসৰি বিভিন্ন ধৰণৰ পদবী ব্যৱহাৰ কৰা হোৱা দেখা যায়। যেনেঃ স্বৰ্গীয়াৰী (Swargaarois haven folk), বসুমতাৰী (Basumatari earth folk), মুছাহাৰী (Musa-aroi-tiger folk)। ইয়াৰ উপৰিও যিসকলে আধুনিক ব্ৰাহ্ম ধৰ্মলৈ ৰূপান্তৰিত হৈছে তেওঁলোকক নামৰ পিছফালে ব্ৰহ্ম পদবী লিখা দেখা যায়। যোৱা কেইবা দশক ধৰি বড়ো-কছাৰী সকলে অসমীয়া শৰণীয়া বা ইছলামীক সামাজিকতাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা দেখা যায়। ইয়াৰ পূৰ্বেও ১৬শ শতিকাৰ খ্ৰীষ্টীয়ান মিছনাৰী সকলৰ ধৰ্ম প্ৰচাৰ আৰু শিক্ষা বিস্তাৰে এই সকলৰ সমাজ তথা ধৰ্মীয় ব্যৱস্থা আৰু পৰিকাঠামোৰ ওপৰত পোনপটীয়া প্ৰভাৱ পেলায়। তাৰোপৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন আৰু বৃটিছ সকলৰ ৰাজত্ব কালত এই পৰিৱৰ্তনৰ ধাৰা অধিক খৰতকীয়া হয়।

বড়ো কছাৰী সকলৰ সভ্যতা সংস্কৃতি অতীজৰে পৰাই অতি চহকী। তেওঁলোকৰ সভ্যতা সংস্কৃতি হ'ল পানীৰ দৰে। কাৰণ পানী যেনেকৈ যি পাত্ৰত থোৱা হয় তাৰেই ৰূপ লয় ঠিক তেনেকৈ এই আদিম ভূমি পুত্ৰ সকলেও যি ঠাইতেই বসবাস কৰে, সেই ঠাইৰ পৰিবেশ, জলবায়ু পৰিবেশ অনুসৰি তেওঁলোকে নিজকে খাপ খুৱাই লয়। তেওঁলোক অতীজৰে পৰা ঘাইকৈ কৃষিৰ ওপৰতেই নিৰ্ভৰশীল। তেওঁলোকে মাছ মৰা, গাহৰি পালন, ধান, মৰাপাট, তামোল-পান, সৰিয়হ উৎপাদনৰ ক্ষেত্ৰতো সমানে দক্ষতা দেখুৱাই আহিছে। বড়োলোক সকল বাহ আৰু বেতৰ পৰা উৎপাদিত হস্তশিল্পত অতি পাৰ্গত। বোৱা-কটাৰ কামৰ ক্ষেত্ৰত বড়ো মহিলা সকলে সকলোকে চেৰ পেলাই গৈছে। বড়োসকলৰ 'দখনা', 'ফলি', 'আৰনাই' আৰু 'এড়ি' বস্ত্ৰই তেওঁলোকৰ সূক্ষ্ম কাৰুকাৰ্যৰ চানেকি দাঙি ধৰিছে। মহাত্মা গান্ধীয়ে তেওঁৰ অসম ভ্ৰমণ কালত বড়ো শিল্পীসকলৰ কাৰুকাৰ্যক ভূয়সী প্ৰশংসা কৰি গৈছে।

আৰু জি স্মিথৰ মতে প্ৰতিটো উৎসৱৰ এক স্বকীয় তাৎপৰ্য্য আছে আৰু এই উৎসৱসমূহৰ উদ্‌যাপনে ইয়াৰ গুৰুত্ব উপলব্ধি কৰাত সহায় কৰে। সকলো উৎসৱেই হ'ল মানুহৰ অন্তৰৰ আনন্দ, আশা-আকাঙ্খা, উৎসাহৰ বহিঃপ্ৰকাশ। প্ৰত্যেকটো উৎসৱ পাৰ্বনেই নিজৰ উদ্দেশ্য আৰু গুৰুত্ব বহন কৰে। এই সমূহে কোনো এক বিশেষ সম্প্ৰদায়ৰ ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতিৰ বিশেষ পৰিচয় দাঙি ধৰে।

অসমৰ সমতল ভূমি খণ্ডত বসবাস কৰা বড়ো-কছাৰী সকল উৎসৱ-পাৰ্বন পালনৰ ক্ষেত্ৰত অতি চহকী। তেওঁলোকৰ মাজত বিভিন্ন প্ৰকাৰৰ উৎসৱ-পাৰ্বনৰ অতীজৰে পৰা প্ৰচলিত হৈছে। বড়ো সকলৰ উৎসৱ পাৰ্বনক ঘাইকৈ দুই ভাগত ভাগ কৰিব

পাৰি। (১) ধৰ্মীয় (Religious) আৰু (২) ঋতুমূলক (Seasonal) ভাৰতৰ অন্যান্য প্ৰান্তৰ লোক সকলৰ দৰে বড়ো সকলৰো লোক উৎসৱসমূহ কৃষি কাৰ্য্য আৰু ইয়াৰ লগত জড়িত অন্যান্য আনুসঙ্গিক কাৰ্য্য সমূহক কেন্দ্ৰ কৰিয়েই উদ্‌যাপিত কৰা হয়। বড়ো-কছাৰী সকলৰ মাজত ধৰ্মমূলক উৎসৱ সমূহৰ ভিতৰত খেৰাই, গৰ্‌জা, মাৰাই ইত্যাদি সমূহ পৰে। আনহাতে ঋতুমূলক উৎসৱ সমূহৰ ভিতৰত বৌছাগু, দ'মাছি, ভঠেলি আদি প্ৰধান। বড়ো-কছাৰীসকলৰ দ্বাৰা উদ্‌যাপিত এই উৎসৱসমূহক আলোচনাৰ সুবিধাৰ্থে উক্ত দুই ভাগত ভাগ কৰা হৈছে যদিও এই সকলোবোৰ উৎসৱেই সমান্তৰালভাৱে ধৰ্মমূলক আৰু ঋতুমূলক তাৎপৰ্য্য আৰু বৈশিষ্ট্য বহন কৰিছে।

**খেৰাই ঃ**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে বড়োসকলেও প্ৰজনন আৰু উৰ্বৰতাৰ প্ৰতীকী ৰূপত খেৰাই উৎসৱ পালন কৰে। এই খেৰাই উৎসৱ ব'হাগ বিহুৰ দৰে এক বসন্তকালীন উৎসৱ। বিশেষকৈ কৃষিৰ লগত জড়িত হৈ এক ঋতুধৰ্মী নৃত্য। সিজু গছক বাথৌ দেৱতা হিচাপে গন্য কৰি বড়োসকলে পৰম্পৰাগত ভাৱে পূজা পাতে আৰু তাৰ পিছত মদ খাই সমূহীয়া ভাৱে নাচে। খেৰাইৰ বুৎপত্তিগত অৰ্থ এচাম পণ্ডিতে এনেদৰে দিছে — খেৰাই হ'ল-খেৰ+আই। অৰ্থাৎ "খেৰ" মানে হ'ল দৌৰা বা গতি কৰা আৰু 'আই' মানে হৈছে গোঁসানী। আই মাতৃক সন্তুষ্ট কৰিবৰ বাবে যি নৃত্য কৰা হয় সেয়াই খেৰাই নৃত্য। কোনো কোনোৰ মতে 'খ'ৰ অৰ্থ হ'ল আঠু কঢ়া 'ৰা' মানে সম্বোধন কৰা আৰু 'ই'ৰ হ'ল ঈশ্বৰ অৰ্থে বা উদ্দেশ্য নৃত্য।

খেৰাই হ'ল প্ৰকৃত অৰ্থত এক অনন্য উৎসৱ। এই উৎসৱ পালন কৰাৰ অৰ্থে গাঁৱৰ সকলোৱে মিলি এটা নিৰ্দিষ্ট দিন স্থিৰ কৰে। এই উৎসৱত বাথৌ অৰ্থাৎ শিব্ৰাই (Lord Shiva) দেৱতাৰ সন্মান আৰু যশস্যাৰ উদ্দেশ্যে পূজা আগবঢ়োৱা হয়। এই উৎসৱত ভগৱান শিৱৰ লগতে (বুঢ়া বাথৌ) আই কামাখ্যা আৰু তেওঁলোকৰ পালি-প্ৰহৰী ওঠৰটা (১৮) দেৱ-দেৱীৰ প্ৰতি বেলেগ বেলেগ স্তুতি অৰ্চনা কৰি পূজা দিয়া কাম শেষ কৰে। বেদসমূহত 'শিৱ'ক 'অনাৰ্য্য দেৱতা' বুলি সম্বোধন কৰা হয়। এই খেৰাই উৎসৱে ভগৱান শিৱৰ 'তাণ্ডৱ নৃত্য'ৰ কথাই উনুকিয়াই দিয়ে।

বাথৌ দেৱতাৰ সন্মুখত বিভিন্ন উপাচাৰ, বলিৰ জীৱ-জন্তু, পশু-পখী থৈ, দেওধনীয়ে পূব মুখ কৰি গমাৰী কাঠৰ পীৰাত বহে। ওজাই পিছত বহি আঠু লৈ মন্ত্ৰ মাতে। ওজাৰ পিছত বুঢ়া-মেথাসকল বহে। দেউৰীয়ে দেওধনীৰ বাওঁপিনে কিছু আঁতৰত আঠু লৈ বহে। পূজা শেষ হৈ যোৱাৰ পিছতো এই ধৰণৰ নৃত্য চলি থাকে। স্মতৰ্ব্য যে এই খেৰাই নৃত্য মহিলা সকলৰ মাজতেই সীমাবদ্ধ। পুৰুষ সকলে মাত্ৰ এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ বাদ্য যন্ত্ৰৰ যোগেদিহে মহিলাসকলক সহযোগ কৰিব পাৰে। খাম (মাদল), চিফুং, (দীঘল বাঁহী), জথা, ৰিঙি, জাবখ্ৰিং, সেৰজা, থৰ্খা, গংগনা আদি এই নৃত্যত ব্যৱহাৰ হোৱা যন্ত্ৰ। এই খেৰাই নৃত্যক চোৱাল্লিশ প্ৰকাৰতকৈ অধিক ভাগত ভাগ কৰিব পাৰি। যেনে- বাথৌ শুদ্ধকৰ নৃত্য, দীঘল খেৰাই নৃত্য, চুটি খেৰাই নৃত্য, ঢাল-থুংগ্ৰী চলোৱা নৃত্য, চত্ৰাৱলী নৃত্য, আম্‌ৰলি পাৰা নৃত্য আৰু বহুতো।

খেৰাই পূজাৰ মূল ব্যক্তি হ'ল - ওজা, দৌৰী (দেউৰী) আৰু দৌদিন (দেওধনী)। দৌদিনিক কেন্দ্ৰ কৰিয়েই এই পূজা কৰা হয়। কথিত আছে দেৱতাই লম্ভিলে কোনো তিৰোতা বা ছোৱালীয়ে সপোনৰ ফল অনুসৰি দৌদিনি হয়। ৰাইজে সামাজিকভাৱে স্বীকৃতি দি তেনেজনীক দৌদিনী হিচাপে পূজাৰ এক অনিবাৰ্য্য অংগস্বৰূপে নৃত্য কৰিবলৈ দিয়ে। খেৰাই পূজা ৰাতিৰ ভাগত ৰাজহুৱাভাৱে উদ্‌যাপন কৰা হয়। ইয়াত বাথৌ স্থাপন কৰা হয়। খেৰাই পূজাৰ লগত কৃষিৰ সম্পৰ্ক আছে। সাধাৰণতে শালিখেতি কৰি উঠাৰ পিছত আজৰি পৰত আহিন-কাতি মাহত খেৰাই পূজা কৰা হয়। ৰোগ, ব্যাধি, আপদ-বিপদ, ৰাইজৰ অমংগল, অশান্তিৰ পৰা ৰেহাই পাবলৈ বাঞ্চা কৰিয়েই ৰাজহুৱাভাৱে খেৰাই পূজা অনুষ্ঠিত কৰে। বৰ্তমান আধুনিক চিকিৎসা শাস্ত্ৰই উন্নত প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগৰ ফলত অভূত পূৰ্ব পৰ্য্যালিয়লৈ গতি কৰিছে। তথাপিও তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ, দেৱ-দেৱীয়ে লম্ভা বুলি বিশ্বাস কৰা দেওধনী নৃত্যৰ মহাত্ম্যক আজিকালিও বহুতে অপ্ৰয়োনীয় বুলি গন্য কৰা নাই।

**বাথৌ পূজাঃ**

অসম তথা প্ৰতিবেশী ৰাজ্যসমূহত বসবাস কৰি অহা বড়ো-কছাৰী গোষ্ঠীৰ লোকসকলৰ মাজত বাথৌ পূজা বা বীৰায় পূজা



তাৎপৰ্য্যপূৰ্ণভাৱে বহু হাজাৰ বছৰ পূৰ্বৰ পৰা পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে। বাথৌৰ লগত সম্পৰ্ক ৰাখি অৰ্থাৎ মহাদেৱৰ পূজা কৰা বাবে এই পূজাক বাথৌ পূজা বা বাথৌ বীৰায়ৰ পূজা কোৱা হয়। বড়ো ভাষাত 'বা' মানে পাঁচ, 'থৌ' (গীথৌ) মানে গভীৰ। অৰ্থাৎ পাঁচটা গভীৰ তত্ত্বযুক্ত হোৱা হেতুকেই ইয়াৰ নাম বাথৌ। ক্ষিতি (মাটি), অপ (পানী), তেজ (তাপ), মৰুৎ (বায়ু) আৰু ব্যোম্ (আকাশ) এই পঞ্চভূতেৰে শৰীৰ তথা পৃথিৱীৰ সৃষ্টি। জ্ঞানেন্দ্ৰিও পাঁচটা। পূজাৰ কাৰণে শিৱক প্ৰতিষ্ঠা কৰা বেদীও পঞ্চবেৰ যুক্ত। ওঠৰডাল গোটা বাহ দুফাল কৰি খুঁটা পোতা হয়। একোটা ঘেৰত এযোৰকৈ বান্ধি বেৰ দিয়া হয়। যোৰৰ অৰ্থ হৈছে প্ৰকৃতি আৰু পুৰুষ অৰ্থাৎ বুঢ়াগোঁসাই (শিৱ) আৰু বুঢ়ী গোঁসানী (পাৰ্বতী) বেদীৰ সোঁ মাজত সিজু গছ ৰোপন কৰা হয়। সিজু গছক শিৱৰ প্ৰতীক বুলি ধাৰণা কৰা হয়।

বাথৌ বীৰায়ৰ পূজাৰ বাবে এজন ওজা লাগে। ওজাৰ সহায়কাৰী (দৌৰী) এজন থাকে। দৌৰীৰ অৰ্থ হ'ল 'দৌ' মানে খুওৱা বা দিয়া (to-offer) 'ৰী' অৰ্থ অধিকাৰী (Authority)। বাথৌৰ আগত 'জৌ' অৰ্থাৎ মদৰ লগতে কুকুৰা পোৱালী, পাৰ, গাহৰি পোৱালি কাটি শিৱলৈ আগবঢ়ায়। ই দেৱতা বাথৌ বীৰায়লৈ পিঠা পনা, কল প্ৰভৃতি ফলমুল, ভজা চাউলৰ গুৰি প্ৰভৃতি প্ৰসাদো আগবঢ়োৱা হয়। পৰিয়ালৰ সৰ্বতো প্ৰকাৰৰ মঙ্গল কামনাৰ লগতে উৎসৰ্গিত সামগ্ৰীৰ উল্লেখ কৰি দায়-দোষ মাৰ্জনা কৰি বিপদ-বিঘিনিৰ পৰা ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনায়। প্ৰাৰ্থনা কৰাৰ অন্তত পৰিয়ালৰ আটাইয়ে 'খুলুমৗ আফা' তোমাক সেৱা জনাইছো পিতা' বুলি আঁঠু কাঢ়ি সেৱা জনায়। দেৱতালৈ উৎসৰ্গিকৃত নৈবেদ্যসমূহ মানুহে খাব নাপায়। পূজাৰ ঠাইতেই ৰাখি পিছত পেলাই দিয়া হয়। বাথৌ পূজা এদিনীকৈ কৰা হয়। এই পূজা দিনত অনুষ্ঠিত কৰা হয়। এই পূজা অনুষ্ঠিত কৰাৰ বাবে কোনো নিৰ্দিষ্ট বাৰ নাই। গাঁওবাসী সকলে সকলোৰে সুবিধা আৰু প্ৰয়োজন অনুসৰি সমূহীয়াভাৱে এটা দিন স্থিৰ কৰা হয়। পূজাৰ অন্তত সকলোৱে মিলি ভোজ ভাত খায়। অসমৰ বিভিন্ন ঠাইৰ উপৰিও বংগদেশ, ত্ৰিপুৰা আদি ৰাজ্যৰ বড়ো-কছাৰীসকলে বাথৌ পূজা যথাবিহিতভাৱে পালন কৰে।

**লাঙামাৰা পূজাঃ**

বড়ো-কছাৰীসকলে আদিম যুগৰ পৰাই দেৱাদিদেৱ মহাদেৱক পূজা কৰি আহিছে। তেওঁ বড়ো সকলৰ মাজত গিলা দাম্‌ৰা খৌৰিয়া ব্ৰাই, শ্ৰীবাই, লাঙমাৰ আদি বিভিন্ন নামেৰে পূজিত হৈ আহিছে। মুখ বাগৰি অহা বিভিন্ন কিংবদন্তিৰ ভিত্তিত শিৱৰ পূজা বিভিন্ন পদ্ধতিৰে প্ৰচলিত হৈ আহিছে আৰু সাময়িক প্ৰভাৱত সংস্কাৰ সাধন কৰি ন-ন ৰূপত প্ৰাধান্য লাভ কৰিছে।

অতীত কালত গছকেই (বিশেষকৈ আঁহত) শিৱ জ্ঞান কৰি পূজা কৰা হৈছিল। সেয়েহে নিৰ্দিষ্ট কোনো ঘৰ বাৰী বা পূজাস্থলী আদি নোহোৱা বাবে শিৱৰ এই পূজাক নাঙঠা-লাঙঠ-লাভা পূজা বুলি কৈছিল। বৰ্তমানেও দক্ষিণ কামৰূপৰ ৰাভা, বড়ো-কছাৰী অধ্যুষিত বিভিন্ন ঠাইত লাঙামাৰা অথবা লাঙমাৰ পূজা বুলিয়েই জনাজাত হৈ আছে। বৰ্তমান ঠাই বিশেষে কিছুমানে ঘৰ সাজি গছৰ পৰিৱৰ্তে শিলত মহাদেলৰ অস্তিত্ব স্থাপন কৰি জাক-জমকতাৰে পূজা কৰে। কিছুমানে গোঁসাই ঘৰৰ ভিতৰত মহাদেৱ, পাৰ্বতী, কাৰ্তিক, গনেশ প্ৰভৃতি বাৰগৰাকী দেৱদেৱীক ভিন ভিন স্থান অনুসৰি ক্ৰম লগাই পুতি শিলত তেওঁলোকৰ অৱস্থিতি ধাৰণা কৰি পূজা কৰা হয়।

পূজাৰ দিনাখন গোঁসাইঘৰ আৰু ইয়াৰ চৌপাশ সাৰি-মচি পৰিস্কাৰ কৰা হয়। দুৱৰি, তুলসিৰ পাত, গৰুৰ গাখীৰ প্ৰভৃতি সংগ্ৰহ কৰি আনি ওচৰতে থকা কোনো জান-জুৰিকেই গংগা বুলি বিবেচনা কৰি তাৰ পৰা পানী আনি শান্তিজল প্ৰস্তুত কৰা হয়। শান্তিজল ছটিয়াই দেৱ-দেৱীক শুদ্ধ কৰি চাকি-বন্তি, ধুপ-ধুনা প্ৰভৃতি জলাই দিয়া হয়। তামোল-পানৰ লগতে চাউল, মুগ, কল, কুঁহিয়াৰ, নাৰিকল আদিৰে সজোৱা নৈবেদ্য লাঙা দেৱতাৰ সন্মুখত আগবঢ়াই দিয়ে।

এই পূজা উপলক্ষে কোনো ধৰণৰ নাম-কীৰ্তন বা শাস্ত্ৰপাঠ কৰা নহয়। বেদীৰ আগত ৰাইজে নিৰ্বাচিত কৰি দিয়া 'মেধি'য়ে বলি কটা কাৰ্য আৰম্ভ কৰে। বলিৰ তেজেৰে সকলো দেৱ-দেৱীকে ফোঁট দিয়া হয়। ইয়াত পিছত সকলোৱে 'হৰিবোল' ধ্বনি দিয়ে। এই পূজালৈ তিৰোতা মানুহ অহা নিয়ম প্ৰচলিত নাই। পূজাৰ পিছত ৰাইজে সৰু ল'ৰা-ছোৱালীৰ লগত মিলি জুলি নৈবেদ্য ভাঙি প্ৰসাদ ভগাই খায়।

**অপেশ্বৰী পূজা ঃ**

বড়ো সকলৰ মাজত প্ৰচলিত

বিশ্বাস অনুসৰি অপেশ্বৰীসকলে কেতিয়াবা স্বৰ্গৰ পৰা মৰ্ত্যৰ মানুহলৈ কুদৃষ্টি পেলায়। গতিকে যিজনৰ গাত লম্ভে, তেওঁ ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ অপেশ্বৰীক পূজা কৰিবলৈ বাধ্য হয়। অপেশ্বৰীয়ে লম্ভা ল'ৰা বা ছোৱালীৰ গাত কিছুমান অস্বাভাৱিক লক্ষণ দেখা দিয়ে। এই পূজাৰ বাবে কোনো নিৰ্দিষ্ট পুৰোহিতৰ প্ৰয়োজন নাই। পাঁচজনী বা সাতজনী কুমাৰী ছোৱালী আমন্ত্ৰণ কৰি অনা হয়। ছোৱালী কেইজনীক নতুন ঢাৰি পাৰি তাৰ ওপৰত নতুন কাপোৰেৰে যুগত কৰা আসনত বহুৱাব লাগে। আখৈ ছটিয়াই ছোৱালী কেইজনীৰ ওপৰত মাংগলিক শ্ৰদ্ধা জনোৱা হয়। অপেশ্বৰীৰ প্ৰতিক বুলি ধাৰণা কৰি ছোৱালীকেইজনীক দেৱত্ব আৰোপ কৰি মদ খুৱাই দিয়া হয়। ইয়াৰ পিছত ছোৱালীজনীক পাঁচ ফাকি গীত গাবলৈ দিয়া হয়। প্ৰত্যেককেইজনী ছোৱালীকে সমান সংখ্যক পইচা আগবঢ়াই গৃহস্থই সেৱা লয়। অপেশ্বৰীয়ে লম্ভা ল'ৰা বা ছোৱালীজনী থকা ঘৰৰ দুৱাৰত মাকে তিনিটা সেন্দুৰৰ ফোঁট দিব লাগে। পূজাৰ ব্যৱহৃত সকলো সামগ্ৰী ডলা এখনত একেলগে উঠাই লৈ ওচৰেৰে নদীত উটুৱাই দিয়া হয়।

**ভঠেলি ঃ**

ভঠেলি ধৰ্মৰ সৈতে প্ৰত্যক্ষ সম্বন্ধ নথকা ব'হাগী লোক উৎসৱ। ভঠেলি বড়ো গঞা ৰাইজৰ অতিশয় জনপ্ৰিয় উৎসৱ। দৰং জিলাত ইয়াক দেউল বুলি কোৱা হয়। ভঠেলি অসমৰ কামৰূপ, দৰং আৰু গোৱালপাৰা জিলাৰ কিছুমান অঞ্চলতহে এদিনীয়াকৈ ব'হাগ মাহৰ যিকোনো এটা তাৰিখত পতা হয়। ভঠেলিৰ দিনা গাঁৱৰ ডেকা সকলে পুৱাবেলাতে গা-ধুই দীঘল বাঁহ এডাল কাটি আনি বৰধুনীয়াকৈ চাঁচি চুঁচি চিকুন কৰি ধুই পখালি লয়। তাৰ পিছত নানা ৰঙৰ কাপোৰ, ৰঙীন কাগজ আদি মেৰাই সুন্দৰকৈ সজায় আৰু বাঁহৰ আগ ডোখৰত চোঁৰৰ এডাল বান্ধি দি মাংগলিক বাদ্য বজাই বাঁহডাল নামঘৰৰ সম্মুখত পুতি দিয়া হয়। ইয়াক পাৰ বোলে। ভঠেলিত কম পক্ষেও দুটা পাৰ থাকে। দীঘল পাৰটোক দৰা আৰু চুটি পাৰটোক কইনা বুলি কোৱা হয়।

যিখন গাঁৱত ভঠেলি উৎসৱ পতা হয়, সেই গাঁৱখনে দীঘল পাৰটো পোতে, আন গাঁৱৰ ডেকাই কইনা পাৰটো স্থাপন কৰেহি। পাৰৰ ওচৰত কলপাতৰ সৰুকৈ ঘৰ সাজি তাত বিগ্ৰহ স্থাপন কৰা হয়। এই ঘৰটোক ভঠেলি ঘৰ বোলে। ভঠেলি ঘৰত স্থাপন কৰা বিগ্ৰহৰ আগত পইচা আদি থোৱা হয়। ভক্ত সকলে পাৰবোৰক ভক্তিভাৱে স্পৰ্শ কৰি সেৱা জনায়। উৎসৱস্থলীত মেলা বহে আৰু তাত বিবিধ কিনা বেচা হয়। কিছুমান ঠাইত ভঠেলি উৎসৱত সৰু সৰু ল'ৰা-ছোৱালীয়ে গোপ-গোপীৰ অনুকৰণত দধিমথন নৃত্য-গীত প্ৰদৰ্শন কৰে। গধূলি ভঠেলি ঘৰটো ডেকা সকলে কোবাই ভাঙি পেলায় আৰু ভঠেলিৰ ওৰ পৰে বুলি চিঞৰি চিঞৰি উৎসৱৰ সামৰণি পেলায়। ভঠেলি উৎসৱত ল'ৰা-ছোৱালী বুঢ়া সকলোৱে জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে যোগ দিয়ে। হিন্দু সম্প্ৰদায়ৰ লোক ভঠেলি উৎসৱৰ আয়োজক যদিও ইয়াত সকলো সম্প্ৰদায়ৰ লোক মিলিত হোৱা দেখা যায়।

ভঠেলি শব্দৰ আঁতিগুৰি সম্বন্ধে বিভিন্ন পণ্ডিতে ভিন ভিন মত আগবঢ়াইছে। বিহগী কবি ৰঘুনাথ চৌধুৰীৰ মতে ভঠেলি শব্দটো ভুঁইথলী শব্দৰ পৰা আহিছে। আন কিছুমানে আকৌ ভটিয়ালী শব্দৰ পৰা অহা বুলি ক'ব খোজে। আনহাতে ডঃ বানীকান্ত কাকতিয়ে ভঠেলি শব্দটো আকাশ বুজোৱা ভাস্থলিকা শব্দৰ পৰা আহিব পাৰে বুলি অনুমান কৰে।

**দ'মাচি ঃ**

বড়ো-কছাৰীসকলে মাঘ বিহুক দ'মাছি বুলি কয়। পুহৰ সংক্ৰান্তিৰ দিনা এই দ'মাচি পালন কৰা হয়। এই উপলক্ষে মাঘ বিহুৰ পিঠা-পনাৰ লগতে সান্দহ তেওঁলোকে আগদিনাখনেই তৈয়াৰ কৰি লয়। এই ক্ষেত্ৰত থকা কিছু জনবিশ্বাসৰ বশৱৰ্তী হৈ তেওঁলোকে বিহুৰ দিনাখন ঢেঁকী বা উৰালৰ ব্যৱহাৰ সমূলি পৰিহাৰ কৰে।

মাঘ বিহুত সমনীয়া সকলে মিলিজুলি পথাৰত তথা মুকলি ঠাইত 'বেলাগুৰ' (ভেলাঘৰ) বান্ধে। এই বেলাগুৰতেই ডেকাসকলে বিশেষকৈ গৰখীয়াসকলে বিভিন্ন ধৰণৰ বাদ্য-যন্ত্ৰ সহিতে গীত-পদ গাই লগতে নৃত্য কৰি ওৰে ৰাতি ফুৰ্তি তামাচা কৰি কটায়। বেলি উদয় হোৱাৰ আগে আগে বিবিধ ব্যঞ্জনেৰে তেওঁলোকে ভোজ-ভাত খায়। এই নিৰ্দিষ্ট ভোজ-ভাতক বড়ো-কছাৰীসকলে 'লাওখাৰ এংগাৰনায় আঁংখাম' বুলি অভিহিত কৰিছে। ভোজ-ভাতৰ পৰ্ব শেষ হোৱাৰ কিছু সময়ৰ পিছতেই এই 'বেলাগুৰ'ত জুই লগাই দিয়া হয়।



মাঘবিহুৰ দিনা দোকমোকালিতেই কাউৰীয়ে 'কা' 'কা' কৰাৰ আগতেই ওচৰৰ নদীত ডুব মাৰি সকলোৱে গা ধোৱে। গা ধোৱাৰ পিছ মুহূৰ্ত্ততে তেওঁলোকে তিতা গামোচাৰে জুইৰ ওচৰলৈ ঢাপলি মেলে। জনবিশ্বাস মতে এই কাৰ্যৰ ফলত বিভিন্ন ধৰণৰ ৰোগৰ পৰা মুক্ত হোৱাৰ লগতে পাপবোৰ খণ্ডন হয়। তাৰোপৰি মহাজনৰ ঘৰত বছৰেকীয়া খটা গৰখীয়া সকলেও বছৰ পূৰ হোৱাৰ পৰিপ্ৰেক্ষিতত মুক্তি লাভ কৰে। দ'মাচি উপলক্ষে ঘৰে ঘৰে আয়োজন কৰা পিঠা-পনা সকলোৱে সমূহীয়াভাৱে উপভোগ কৰে।

**বৈশাগু ঃ**

'বৈশাগু' বা ব'হাগ বিহু অসমীয়া সকলৰ সমাজ তথা জাতীয় জীৱনৰ মুখ্য উৎসৱ। আনহাতে এই উৎসৱ তেওঁলোকৰ ধৰ্মীয় পৰম্পৰাৰ ভিতৰতো পৰে। বড়ো-কছাৰীসকলে পৰিয়ালৰ মৃত ব্যক্তি সকলৰ এবছৰীয়া বা বছেৰেকীয়া কাজ বুলি কোনো নিৰ্দিষ্ট তিথি নাথাকে। তেওঁলোকে এই বৈশাগুৰ দিনাখনেই পৰিয়ালৰ মৃত ব্যক্তিসকলৰ শ্ৰাদ্ধকে আদি কৰি যাৱতীয় ৰীতি-নীতি সমূহ সমাপন কৰে। তাৰোপৰি তেওঁলোকৰ ইষ্ট দেৱ-দেৱীৰো পূজা এই দিনাখনেই বিভিন্ন ধৰণৰ মাংগলিক অনুষ্ঠানৰ যোগেদি সম্পন্ন কৰে।

বড়ো ভাষা 'বি হৌ'ৰ শব্দটোৰ পৰা অসমীয়া বিহু শব্দটোৰ উদ্ভৱ হোৱা বুলি পণ্ডিতে অনুমান কৰে। আনহাতে 'বিহু' শব্দৰ পৰাও বড়ো-কাছাৰী ভাষাত 'বি-হৌ'ৰ উদ্ভৱ হ'ব পাৰে।

বড়ো-কছাৰী সকলে সুদূৰ অতীতৰ পৰাই এই বৈসাগু দুই ধৰণে পালন কৰে। চ'ত মাহৰ সংক্ৰান্তিক মৌছৌ ছান (গৰু বিহু) আৰু প্ৰথম বহাগক মান্‌ছি ছান (মানুহ বিহু) বুলি কোৱা হয়।

বড়ো সকলে চ'ত মাহৰ সংক্ৰান্তিৰ দিনা অসমীয়াসকলৰ দৰেই গৰু বিহু পালন কৰে। গৰুক সেৱা কৰি ৰাতিপুৱাই লাও-বেঙেনাৰ মালা পিন্ধাই দীঘলতী আৰু ভেদাই গছেৰে কোবাই কোবাই গা ধুৱাবলৈ নদীলৈ লৈ যায়। সেইদিনাখনেই গোহালি ভালকৈ পৰিস্কাৰ কৰে আৰু গৰুক নতুন পঘা দিয়ে। এইদৰেই গৰুৰ উচ্চমান আৰু প্ৰয়োজনীয়তাৰ গুৰুত্ব উপলব্ধি কৰা যায়।

ইয়াৰ পিছদিনা মানুহ বিহু বা মান্‌ছি দামাংসী। প্ৰত্যেকেই দোকমোকালিতেই গা-পা ধুই সৰুৱে ডাঙৰক সেৱা জনাই। ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। মানুহ বিহুৰ দিনাখন সকলোৱে নৱবস্ত্ৰ পৰিধান কৰাটো এটা পৰম্পৰা। সকলোৱে এখনকৈ গামোচা আৰু গাভৰুসকলে এখনকৈ নতুন দখনা পৰিধান কৰাটো নিয়মত পৰিণত হৈছে। সেইদিনাই গাঁৱৰ সকলোৱে মিলি তিতা, কেহা, টেঙা, শাক-পাচলি, কুকুৰা, গাহৰিৰ মাংস, ঘৰুৱা মদ আদিৰে ৰাজহুৱাভাৱে ভোজ ভাত খায়। গাঁৱৰ ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী সকলোৱে মিলি বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰৰ তালে তালে নাচ-গান কৰি ফুৰ্তি তামাচা কৰে গতিকে বৈশাগু হ'ল প্ৰেম প্ৰীতি, ভ্ৰাতৃত্ব, ঐক্য, এনাজৰীৰ উৎসৱ।

ওপৰত উল্লেখিত উৎসৱ সমূহৰ বাহিৰেও বড়ো-কছাৰী সমাজত আৰু কিছুমান লোক উৎসৱ প্ৰচলন আছে। যেনে- মাইনাও পূজা, নেউল নাচ, মাদল খেদা, জালি পুতুলীৰ বিয়া, হাউল খেদা, গৰজা, থাৰাই ইত্যাদি।

পৃথিৱীৰ প্ৰায়বোৰ দেশতে বছৰৰ কোনো এটা নিৰ্দিষ্ট সময়ত উৎসৱৰ আয়োজন কৰে। উৎসৱ অনুষ্ঠানসমূহ সংস্কৃতিৰ এটা অপৰিহাৰ্য্য অংগ। উৎসৱ পাৰ্বনসমূহত বিভিন্ন পৰম্পৰাগত আচৰণৰ বাহ্যিক প্ৰকাশ ঘটে। কিন্তু সময়ৰ গতিত এই উৎসৱ সমূহৰ পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধন ঘটে। বৰ্তমান আধুনিক যান্ত্ৰিক যুগত এই উৎসৱ সমূহেই মানুহৰ জীৱনত সুখ-শান্তি আৰু সতেজতা কঢ়িয়াই আনে। গতিকে উৎসৱৰ আগমন এক আশাৰ বতৰা।

উৎসঃ

১। People of India (Assam)-General
২। দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন, ডঃ বিজয় কুমাৰ শৰ্মা
৩। বড়ো সংস্কৃতিত দৃষ্টিপাত ঃ সূৰ্য্য কুমাৰ মজুমদাৰ
৪। দৰঙৰ লোক সংস্কৃতি সমীক্ষা ঃ দৰং জিলা সাহিত্য সভা
৫। অসমীয়া লোক সংস্কৃতিৰ আভাস ঃ ডঃ নবীন চন্দ্ৰ শৰ্মা
৬। Internet

****

**প্ৰবন্ধ —**

# কাৰ্লমাৰ্ক্স আৰু লেনিনৰ জীৱনৰ কেইটিমান দিশ


**মহঃ আব্দুল মজিদ,সভাপতি**
**খাৰুপেটীয়া মহাবিদ্যালয় পৰিচালনা সমিতি**


" Men of courage are never daunted by obstacles presented by nature" কাৰ্লমাৰ্ক্স আৰু লেনিনৰ জীৱনী অধ্যয়ন কৰিলে উক্ত কথাষাৰৰ সত্যতা প্ৰমাণ পোৱা যায়। সৰ্বহাৰা সকলৰ মুক্তি আন্দোলনক আগুৱাই নিয়া কাৰ্লমাক্স আৰু লেনিন দুয়োজনেই বিশ্ববৰেণ্য ব্যক্তি। সৰ্ব্বব্যাপী সৰ্বহাৰাৰ আন্দোলনৰ জৰিয়তে কাৰ্লমাৰ্ক্স আৰু লেনিনে দেখিছিল শোষিত, বঞ্চিত, শ্ৰমিকৰ মুক্তিৰ পথ। আশাবাদী দুয়োজনৰ মতে "If winter comes can spring be far behind?" নিঃসন্দেহে দুয়োজনৰ বাবে সেই পথ সুগম নাছিল, আছিল কন্টকময়। এই কন্টকপূৰ্ণ যাত্ৰাত কাৰ্লমাৰ্ক্স আৰু লেনিনৰ অনুপ্ৰেৰণা আছিল সহস্ৰজনৰ মৌন আৰ্ত্তনাদ আৰু মানৱীয় মূল্যবোধ।

**কাৰ্লমাক্স আৰু লেনিনৰ জীৱন দৰ্শনৰ চমু আভাষ ঃ**

**কালমাক্সৰ বাল্যকাল ঃ** মে মাহৰ ৫ তাৰিখ, ১৮১৮ চনত প্ৰুচিয়াৰ ৰীনে ৰাজ্যৰ ট্ৰিভয়েৰাৰ নগৰত জন্ম গ্ৰহণ কৰে। পিতৃ আছিল পেছাত এজন উকিল। বাল্যকালতে কাৰ্লমাৰ্ক্সে জন্মগ্ৰহণ কৰা নগৰত দেখিছিল কেনেকৈ ধনী পুঁজিপতি সকলৰ দ্বাৰা দুখীয়া নিচলা সকল শোষিত। বাল্যকালৰ বাস্তৱ অভিজ্ঞতাই মাৰ্ক্সৰ জীৱনলৈ পৰিৱৰ্তন আনিছিল। ১৭ বছৰ বয়সত 'বন' বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাত 'জেনী' নামৰ গাভৰুৰ প্ৰেমত পৰে আৰু সেই প্ৰেমৰ প্ৰেৰণাই কাৰ্লমাৰ্ক্সক এজন কবিৰ শাৰীত অৱতীৰ্ণ কৰে।

১৮৪১ চনত 'জেনা' ( Jena) বিশ্ববিদ্যালয়ৰ পৰা 'ডক্টৰেট' উপাধি লাভ কৰি অধ্যাপক হোৱাৰ সপোন দেখিছিল যদিও কাৰ্লমাৰ্ক্সে আৰম্ভ কৰা পুঁজিপতি শোষণৰ বিৰুদ্ধে উগ্ৰ ভাৱাদৰ্শ তেওঁৰ লিখনিৰ মাজেৰে প্ৰচাৰ হোৱাত চৰকাৰে তেওঁৰ আশাৰ দুৱাৰ বন্ধ কৰি দিলে। শোষণকাৰী শাসকৰ কঠোৰ মনোবৃত্তিৰ ফলশ্ৰুতিত কোমল হৃদয়ৰ মাৰ্ক্সৰ মনত সেই সকলৰ বিৰুদ্ধে হিংসাৰ দাবানল দুগুণে জ্বলাই তুলিলে আৰু মুক্ত সাংবাদিকতাৰ পথ বাচি ললে। সাংবাদিক জীৱনৰ মাজেদিয়েই কাৰ্লমাৰ্ক্সে ৰাষ্ট্ৰৰ ৰাজনীতি আৰু অৰ্থনীতিৰ দৰ্শন সম্পৰ্কীয় বিষয় সমূহ গভীৰভাৱে অধ্যয়ন কৰাৰ সুযোগ লাভ কৰে। এই সময়ছোৱাত মাৰ্ক্সে 'ব্ৰোনো', 'বোৱেৰ', 'হেগেল' আদি বিখ্যাত দাৰ্শনিক পণ্ডিত সকলৰ সান্নিধ্য লাভ কৰে আৰু দুৰ্বাৰ গতিৰে এঞ্জেলৰ লগত মিলি 'শ্ৰেণীসংগ্ৰাম' বিষয়ক লিখনি সমূহৰ বহুল প্ৰচাৰ আৰম্ভ কৰে। উক্ত লিখনি সমূহত কাৰ্লমাৰ্ক্সে পুঁজিপতি সকলক আঁতৰাই শ্ৰমিক সকলৰ হাতত ৰাষ্ট্ৰৰ ক্ষমতা হস্তান্তৰৰ ভাৱধাৰা মুকলিকৈ 'শ্ৰেণী সংগ্ৰাম'ত প্ৰকাশ কৰে। লিখনি সমূহ প্ৰকাশ আৰু প্ৰচাৰৰ বাবে 'এঞ্জেলছে' সহায়ৰ হাত আগবঢ়ায় আৰু প্ৰেৰণা যোগায়। ১৮৪৭ চনত লণ্ডনত "আন্তঃজাতিক কমিউনিষ্ট লীগ" গঠন কৰে আৰু সাম্যবাদী প্ৰচাৰ প্ৰত্ৰিকা (Communist Manifesto) প্ৰস্তুত কৰে। এই Manifesto ত বেঙ্কবোৰৰ মালিকীস্বত্ব, মাটিৰ ব্যক্তিগত মালিকীস্বত্ব আৰু উত্তৰাধিকাৰী মালিকী স্বত্ব বিলোপ কৰি সৰ্বদিশত বঞ্চিত সৰ্বহাৰা সকলৰ জীৱনৰ মানদণ্ড যাতে উন্নত হয় আৰু "সকলো সমান ভাগী" নীতিৰ বিযদ ব্যাখ্যা কৰা হয়।

ইয়াতে ক্ষান্ত নেথাকি কাৰ্লমাৰ্ক্সে সশস্ত্ৰ বিপ্লৱৰ জৰিয়তে পুঁজিপতি সকলক ক্ষমতাচ্যুত কৰি শ্ৰমজীৱি জনতাক ৰাষ্ট্ৰৰ ক্ষমতা দখল কৰিবলৈ মাৰ্ক্সে উদাত্ত কণ্ঠে আহ্বান জনায়। "Power comes at the gun point" — এই আদৰ্শেৰে।

**আহ্বানৰ প্ৰতি সঁহাৰি লাভ ঃ**

কাৰ্লমাক্সৰ্ব নতুন আহ্বান বিশ্বৰ বিভিন্ন প্ৰান্তত ধুমুহাৰ দৰে বিয়পি পৰে আৰু অভূতপূৰ্ব্ব সঁহাৰি লাভ কৰিবলৈ ধৰে। ফ্ৰান্স, বেলজিয়াম, জাৰ্ম্মানীত কাৰ্লমাৰ্ক্সৰ নতুন আহ্বানে অদমনীয় অশান্ত পৰিৱেশ সৃষ্টি কৰে। এই ৰাষ্ট্ৰ সমূহে উপায়ন্তৰ হৈ মাৰ্ক্সক কৰায়ত্ব কৰে আৰু ১৮৪৯ চনত কাৰ্লমাক্সক জাৰ্ম্মানীৰ পৰা বহিস্কাৰ কৰে। ফৰাচী বিপ্লৱৰ জৰিয়তে মাৰ্ক্সে শাসক বৰ্গ আৰু শাসিত সকলৰ মাজত বৈষম্য দূৰ কৰিবলৈ দুগুণ উছাহেৰে কাম আৰম্ভ কৰে আৰু দুৰ্দ্দিনতো সৰ্ব্বহাৰাৰ বন্ধু এঞ্জেলছৰ পৰা আশাতীত সহায় লাভ কৰে। কিন্তু দুৰ্বাৰ গতি আৰু অদম্য বাসনা থকা স্বত্তেও কাৰ্লমাৰ্ক্সক চৌদিশৰ পৰা বাধা বিপদে লগ এৰা নাছিল। যি মুহূৰ্ত্তত মাৰ্ক্সৰ চিন্তাধাৰা আৰু দৰ্শনে সমগ্ৰ বিশ্বক জোকাৰি গৈছিল, পুঁজিপতি সকল শঙ্কিত হৈ পৰিছিল, ঠিক তেনে সময়তে লণ্ডনত থকা অৱস্থাত তেওঁৰ তিনিজন সন্তানক মৃত্যুৰ কৰাল গ্ৰাসে গ্ৰাস কৰাত কাৰ্লমাৰ্ক্স ব্যাকুল আৰু বিচলিত হৈ পৰে।

**ডাচ কেপিটেলৰ প্ৰকাশন ঃ**

কাৰ্লমাৰ্ক্সৰ গভীৰ চিন্তা, বৈজ্ঞানিক বিশ্লেষণ, ৰাজনৈতিক দৰ্শন, অৰ্থনীতিৰ বস্তুবাদী ব্যাখ্যা আৰু সমাজ ব্যৱস্থাৰ বিজ্ঞানসন্মত দৃষ্টিভঙ্গীৰ পটভূমিত সৃষ্টি হয় 'ডাচ কেপিটেল'। ইয়াৰ প্ৰথম খণ্ড ১৮৬৭ চনত, দ্বিতীয় খণ্ড ১৮৮৫ আৰু তৃতীয় খণ্ড ১৮৯৪ চনত প্ৰকাশ পায়। 'ডাচ কেপিটেল'ৰ সময় উপযোগী আৰু বিজ্ঞানসন্মত ব্যাখ্যাৰ বাবে বিশ্ব দৰবাৰত সমাদৃত হবলৈ সক্ষম হয়।

**মাৰ্ক্সৰ ৰাজনৈতিক দৰ্শনৰ মুখ্য বিষয় ঃ**

কাৰ্লমাৰ্ক্সৰ বিজ্ঞানসন্মত সিদ্ধান্ত আছিল অতীত ইতিহাসৰ ভেটিত গঢ়ি উঠা সিদ্ধান্ত। তেওঁৰ মতে অতীতৰ বুকুতে বৰ্তমান সঞ্জীৱিত হৈ উঠে, কাৰণ অতীত ইতিহাস বৰ্ত্তমানৰ পথ প্ৰদৰ্শক।

'ইতিহাসৰ বস্তুবাদী ব্যাখ্যা'ত জন-জীৱনৰ আৰ্থ-সামাজিক দিশবোৰ সুন্দৰভাৱে প্ৰতিফলিত হয়। 'ইতিহাসৰ বস্তুবাদী' ব্যাখ্যা মাৰ্ক্সৰ ৰাজনৈতিক দৰ্শনৰ মূল চালিকা শক্তি। মাৰ্ক্সৰ মতে মানৱ জীৱনৰ মানদণ্ড নিৰ্ভৰ কৰে অৰ্থোপাৰ্জ্জনৰ পদ্ধতিৰ ওপৰত, কাৰণ তেওঁৰ দৰ্শনত অৰ্থনৈতিক উন্নতি সাধন হয় উচ্চ মানদণ্ডৰ সামগ্ৰী উৎপাদনত আৰু উৎপাদিত সামগ্ৰীৰ ন্যায় মূল্যৰ বাবে ন্যায়সংগত বিনিময় ব্যৱস্থা, যাতে উৎপাদনকাৰীয়ে সেই মূল্যৰ প্ৰকৃত ভোক্তা হ'ব পাৰে। মাৰ্ক্সৰ অন্যতম ৰাজনৈতিক দৰ্শন হৈছে 'শ্ৰেণী সংগ্ৰাম'। মাৰ্ক্সৰ মতে- "কোনোৱে মৰে হাড়ে হাড়ে, কোনোৱে মৰে মঙহৰ ভাৰে" এই বৈষম্যৰ ফলস্বৰূপে বিশ্বৰ সমগ্ৰ মানৱ জাতিৰ মাজত দুটা শিবিৰৰ সৃষ্টি হৈছে- "শ্ৰমিক শ্ৰেণী আৰু মালিক শ্ৰেণী' শ্ৰমিক সকলে নিজৰ শ্ৰমৰ উচিত মূল্য নাপাই প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সৃষ্টি হয় শ্ৰেণীসংগ্ৰাম।

মাৰ্ক্সৰ 'উদ্বৃত মূল্য' তত্বই বিশ্বত খলকনি সৃষ্টি কৰে। এই তত্বৰ মতে সামগ্ৰীৰ প্ৰকৃত উৎপাদনকাৰী যদিও শ্ৰমিক কিন্তু লাভাংশ ভোগ কৰে পুঁজিপতি মালিক সকলে। মাৰ্ক্সে এনে বৈষম্যমূলক ব্যৱস্থাৰ অৱসান বিচাৰিছিল যাতে ৰাষ্ট্ৰ বা সমাজত শ্ৰেণী সংগ্ৰামৰ পৰিৱৰ্তে শ্ৰেণীবিহীন (Classless) এক নতুন সমাজ ব্যৱস্থাৰ পোষকতা কৰিছিল। উদ্দেশ্য মাথো এটাই — শ্ৰমিক সকলে যাতে পুঁজিপতি শোষণকাৰী সকলৰ কবলৰ পৰা মুক্তি লভিব পাৰে।

**মাৰ্ক্সৰ দৰ্শনৰ প্ৰতি লেনিনৰ সঁহাৰি ঃ**

১৮৭০ চনত জন্ম লাভ কৰা লেনিনে কাৰ্লমাৰ্ক্সৰ দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ 'কাজান' বিশ্ববিদ্যালয় ত্যাগ কৰি 'পেটাৰ্চবাৰ্গ' বিশ্ববিদ্যালয়ত যোগদান কৰে আৰু উক্ত বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ মাক্সীয় দৰ্শনৰ গভীৰ স্তৰলৈ প্ৰৱেশ কৰে। মাৰ্ক্সৰ দৰ্শনৰ ভেটিত লেনিনে গঠন কৰে 'সংগঠিত শ্ৰমিক শ্ৰেণী' (League for working class) উক্ত 'সংগঠিত শ্ৰমিক শ্ৰেণী'ৰ প্ৰচাৰৰ পাছত ১৮৯৮ চনত লেনিন কৰায়ত্ব হয়। লেনিনৰ নিজা কোনো মতবাদ (Ism) নাছিল কিন্তু মাৰ্ক্সৰ দৰ্শনক যুক্তি আৰু বিজ্ঞানসন্মত দিশত আগুৱাই লৈ যাবলৈ অবিৰত সংগ্ৰাম কৰিছিল। শেষলৈ লেনিনৰ 'সংগঠিত শ্ৰমিক শ্ৰেণী' দুটা শিবিৰত বিভক্ত হয়। ভলছেভিক (Bolshevik) আৰু মনছেভিক (Monshevik)। বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ মাজত আজি দুয়োজন বৰেণ্য ব্যক্তিয়ে সমাদৃত।

*****

# প্ৰবন্ধ — অসমীয়া নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ

মিচিৰা পাৰবিন
প্ৰবক্তা (অমঞ্জুৰিকৃত), অসমীয়া বিভাগ

নাট্য সাহিত্যৰ পৰম্পৰা যদিও বহু প্ৰাচীন অসমীয়া নাট্য সাহিত্যৰ ইতিহাস ইমান প্ৰাচীন নহয়। পূৰ্ণাংগ অসমীয়া নাটকৰ জন্ম হয় পোন্ধৰ শ শতিকাৰ শেষত শ্ৰীমন্ত শংকৰদেৱৰ হাতত, যাক আমি অংকীয়া নাট বুলি কওঁ। অৱশ্যে এই সৃষ্টি হোৱাৰ আগতে অসমত নাট্য গুণবিশিষ্ট কিছুমান অনুষ্ঠানৰ প্ৰচলন আছিল আৰু বৰ্তমানেও সেইবোৰ অনুষ্ঠান অসমৰ বিভিন্ন স্থানত প্ৰচলিত হৈ আছে। তেনেকুৱা কিছুমান লোক নাট্যানুষ্ঠান হ'ল— পুতলা নাচ, ওজাপালি, ঢুলীয়া নৃত্য, কুশান গান, পচতি আদিয়েই প্ৰধান। এই অনুষ্ঠানবোৰৰ মাজত কম বেছি পৰিমানে নাটকীয় উপাদান আছে আৰু "এনেবোৰ লোকনাট্য অনুষ্ঠানৰ ঐতিহ্য আৰু পৰম্পৰাৰ পৰাই যে নাটক বা নাট্য সাহিত্যৰ জন্ম হৈছে সেইটো এক নিশ্চিত কথা। এনেবোৰ লোকনাট্য অনুষ্ঠানৰ পৰিশোধিত ৰূপেই যে আধুনিক নাটক সেই কথা বুজিবলৈ টান নালাগে।"১

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্য সংস্কৃতিৰো পৰিৱৰ্তন হয়। প্ৰবাহমান নৈ এখনে যিদৰে বাটত পোৱা সকলোকে সামৰি লৈ যায় সেইদৰে সাহিত্যতো সময়ে সময়ে নৱ চেতনাৰ সংযোগ হয়। নৈয়ে গতি পথ সলনি কৰাৰ দৰে সাহিত্যয়ো গতি সলায়। অংকীয়া নাটকো এটা সময়ত স্থবিৰ হৈ পৰিল আৰু পাশ্চাত্যৰ প্ৰভাৱত অসমীয়া নাটকত আধুনিকতাৰ প্ৰভাৱ পৰিল। ধৰ্মীয় আদৰ্শাত্মক নাটকৰ ঠাই সমস্যা প্ৰধান নাটকে অধিকাৰ কৰিলে। এক অংকৰ পৰিৱৰ্তে নাটক হ'ল চাৰি পাঁচ অংকৰ পৰা সাত অংকযুক্ত। আকৌ প্ৰত্যেকটো অংকৰ মাজত দৃশ্য বিভাজনো মন কৰিবলগীয়া। নাটকৰ ভাষাৰ ক্ষেত্ৰতো আমুল পৰিৱৰ্তন ঘটিল। পূৰ্বৰ ব্ৰজাৱলী বা সুৰযুক্ত ভাষাৰ ঠাইত আধুনিক নাটকৰ সংলাপত গদ্য ভাষাৰ প্ৰচলন হ'ল।

পুৰণি নাট্য পৰম্পৰাক বিদায় দি গুণাভিৰাম বৰুৱাই (১৮৩৭-৯৪) আধুনিক নাট্য পৰম্পৰাক সুৱাগুৰি তুলি আনে 'ৰাম নৱমী' (১৮৫৭) নাটকৰ জৰিয়তে। সেই সময়ৰ অসমীয়া সমাজৰ প্ৰধান সমস্যা বাল্য বিবাহ আৰু বিধবা বিবাহৰ ক্ষেত্ৰতো বাধা- এই দুটা সমস্যা নাটকৰ বিষয়বস্তু। পাঁচটা অংকযুক্ত নাটকখনৰ পৰিণতি দুখাত্মক। সামাজিক কাহিনী সম্বলিত নাটক 'ৰাম নৱমী' প্ৰথম অসমীয়া ধৰ্ম নিৰপেক্ষ নাটক। অৰ্থাৎ গুণাভিৰাম বৰুৱাই 'ৰাম নৱমী' নাটক লিখি পৰম্পৰাগত অংকীয়া নাট্য ৰীতিক আনুষ্ঠানিকভাৱে বিদায় দিছে।

মুখ্যতঃ ইংৰাজ নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰৰ প্ৰভাৱৰ দ্বাৰা অসমীয়া নাট্য সাহিত্যই আধুনিকতাৰ পথত বাট বুলে। গুণাভিৰাম বৰুৱাই কাটি দিয়া পথ চিকুণাই মসৃণ কৰি দিলে কলিকতাত অধ্যয়ন কৰিবলৈ যোৱা অসমীয়া ডেকা ছাত্ৰ সকলে। ঘাইকৈ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা আদি ছাত্ৰ সকলে ইংৰাজী আৰু বঙলা ভাষাত শ্বেক্সপীয়েৰ আৰু আন আন পাশ্চাত্য লেখক বৰ্গক অধ্যয়ন কৰিব পাৰিছিল। তাৰোপৰি তেওঁলোকে মূল ইংৰাজী আৰু বঙলা অনুদিত শ্বেক্সপীয়েৰৰ নাটকৰ মঞ্চাভিনয় উপভোগ কৰাৰো এক বিশেষ সৌভাগ্য ঘটিছিল। সেই অভিনয় চাই আৰু নিজে অধ্যয়ন কৰি তেওঁলোকে অসমীয়া ভাষাতো পাশ্চাত্যৰ আদৰ্শত নাটক লিখিবলৈ অনুপ্ৰেৰণা পাইছিল।

গুণাভিৰাম বৰুৱাৰ সমসাময়িক নাট্যকাৰ হেমচন্দ্ৰ বৰুৱাৰ (১৮৩৫-১৮৯৬) 'কানীয়া কীৰ্তন' (১৮৬১) আধুনিক নাট্য সাহিত্যৰ লেখৰ নাটক। ঘাইকৈ সংস্কাৰধৰ্মী নাটক (প্ৰহসন)খনত অসমীয়া সমাজৰ সেই সময়ৰ এটা গুৰুত্বপূৰ্ণ সমস্যা কানি ৰবিহৰ অপকাৰিতাৰ বিষয়ে হাস্যব্যঙ্গ ভাষাৰে উপস্থাপন কৰিছে।

লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৮-১৯৩৮)ক অসমীয়াৰ মাজত নিচিনা নজনা লোক এজন বিচাৰি পোৱা নাযাব। যিয়ে অসমীয়া সাহিত্যৰ সকলো শূণ্যস্থান পূৰণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। সেই উদ্দেশ্য তেওঁ লিতিকাই (১৮৮৯), দেৱযানী (১৯১১) নোমল, পাঁচনি, চিকৰপতি-নিকৰপতি (১৯১৩) চক্ৰধ্বজ সিংহ, বেলিমাৰ, জয়মতী কুঁৱৰী (১৯১৫) আৰু গদাধৰ সিংহ (১৯১৮) আদি নাটক লিখিছিল।



বেজবৰুৱাৰ দৰে পদ্মনাথ গোহাঞি বৰুৱাৰ (১৮৭১-১৯৪৬) অৱদানো নাট্য সাহিত্যলৈ কম নহয়। তেৰো অসমীয়া নাটকৰ অভাৱ পূৰণ কৰিবলৈ গাঁওবুঢ়া (১৮৯৭), জয়মতী (১৯০০), গদাধৰ সিংহ (১৯০৭), টেটোন টামোলী (১৯০৯), সাধনী (১৯১০), লাচিত বৰফুকন (১৯১৫), ভূত নে ভ্ৰম (১৯২৪), আৰু বাণৰজা (১৯৩৩) নামেৰে মুঠতে আঠখন নাটক ৰচনা কৰিছিল।

আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণি কালৰ আন আন উল্লেখযোগ্য নাট্যকাৰ সকল হ'ল- দেৱনাথ বৰদলৈ, ৰুদ্ৰৰাম বৰদলৈ (১৮৩৬-১৮৯৯), ৰমাকান্ত চৌধুৰী (১৮৪৬-১৮৯৯), পূৰ্ণকান্ত শৰ্মা (১৮৫৬-১৯২০), দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা (১৮৭০-১৯২৮), বেণুধৰ ৰাজখোৱা (১৮৭২-১৮৫৫), ৰত্নেশ্বৰ মহন্ত (১৮৬৪-১৮৯৩), দুৰ্গেশ্বৰ শৰ্মা (১৮৮২-১৯৬১), নকুল চন্দ্ৰ ভূঞা (১৮৯৫-১৯৬৮), চন্দ্ৰধৰ বৰুৱা (১৮৭৪-১৯৬১), প্ৰসন্নলাল চৌধুৰী (১৯০০-১৯৮৬) আৰু দৈৱচন্দ্ৰ তালুকদাৰেই (১৯০০-১৯৬৭) প্ৰধান।

আগতেই উল্লেখ কৰা হৈছে যে আধুনিক অসমীয়া নাটকত শ্বেক্সপীয়েৰৰ প্ৰভাৱ সৰ্বত্ৰ বিৰাজমান। কাহিনী, চৰিত্ৰ, উপস্থাপন ৰীতি, পৰিণতি সকলো ক্ষেত্ৰতে নাট্যকাৰ সকলে শ্বেক্সপীয়েৰীয় নাট্যৰীতি অনুসৰণ কৰা দেখা যায়। নাটকৰ এটা প্ৰধান উপাদান সংলাপ। এই সংলাপৰ ক্ষেত্ৰতো শ্বেক্সপীয়েৰৰ প্ৰভাৱ মন কৰিবলগীয়া। পাশ্চাত্যৰ নাট্যকাৰ গৰাকীয়ে তেওঁৰ নাটকত চৰিত্ৰৰ সংলাপত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰিছিল। বিশেষকৈ অসমীয়া ঐতিহাসিক আৰু পৌৰাণিক নাটবোৰত অমিত্ৰাক্ষৰ ছন্দৰ সুন্দৰ প্ৰয়োগে নাটকীয়া ৰস সঞ্চাৰত সহায় কৰিছে। পদ্মনাথ গোহাঞি বৰুৱাৰ ঐতিহাসিক নাটক 'জয়মতী', 'গদাধৰ', 'সাধনী', 'লাচিত বৰফুকন' আৰু 'বাণৰজা' নামৰ পৌৰাণিক নাট কেইখনত অমিত্ৰাক্ষৰ ছন্দৰ সুন্দৰ প্ৰয়োগ ঘটিছে। 'জয়মতী' নাটকত জয়মতীয়ে গদাপাণিক দেশ এৰি পলাই যাবলৈ কোৱাত গদাপাণিয়ে কৈছিল—

নডৰাওঁ প্ৰিয়া হেৰা, নধৰিবা মোক।
নপলাওঁ কদাচিতো, কাপুৰুষ হই।
বীৰৰ শোভন কাৰ্য্য নহয় পলোৱা;
নোশোভে সি অযাচিত গদাপাণি লই।
আহক যতেক আহে ৰাজ সেনাদল;
জিনিম অকলে মই শতেক যুঁজাৰু।
আগে যুদ্ধ পাছে মৃত্যু, — বীৰৰ
কৰ্তব্য
অৱশ্যে পালিম মই।
(১ম অংক ৫ম গৰ্ভাংক)

'গদাধৰ' নাটকৰ ১ম অংকৰ ৪ৰ্থ গৰ্ভাংকৰ জয়মতীৰ সখী পদ্মাৰ মুখৰ বচন এফাঁকিও এই ক্ষেত্ৰত উল্লেখ কৰিব পৰা যায়। পদ্মাই জয়মতী আৰু গদাপাণিৰ বিচ্ছেদৰ কথা ভাবি এইদৰে দুখ কৰিছে—

নোৱাৰো একোতে
পাহৰিব প্ৰাণসখী!
শয়নে, সপোনে আৰু থাকি দিঠকত,
কেৱল সখীৰ ছবি দেখিছো আগত।
অহ, ৰূপে গুণে মায়া মমতাৰে কিনো
আদৰ্শ ৰমনী এটি! অতুলনা আৰু
সাধবী সতী বীৰ জায়া এই পৃথিৱীত।
পাতিছিল বিধাতাই কেনে এটি জোৱা
অনুপম জয়া গদাপাণি! কিয় বাৰু
অকালে ঘটালে হায় অযথা বিচ্ছেদ!

গোহাঞি বৰুৱাৰ পিছতে অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰি নাটক লিখা ব্যক্তি গৰাকী হ'ল দেৱনাথ বৰদলৈ। তেওঁৰ লৱ কুশৰ যুদ্ধৰ ঘটনা লৈ লিখা 'বৈদেহী বিচ্ছেদ' (১৯০১)ৰ কাহিনী মূল বাল্মিকী বা কন্দলী ৰামায়নত নাই, আছে কৃত্তিবাসী ৰামায়ন আৰু প্ৰাক শংকৰী কবি হৰিবৰ বিপ্ৰৰ কাব্য 'লৱ-কুশৰ যুদ্ধ'তহে। দেৱনাথ বৰদলৈৰ হাতত অমিত্ৰাক্ষৰ ছন্দই সহজ সৰল, কথিত অসমীয়া ভাষাৰ শব্দ সম্ভাৰেৰে পুষ্ট হৈছে। নাটকখনৰ এফাঁকি বচন এই ক্ষেত্ৰত উল্লেখৰ প্ৰয়োজন—

এই নাথ পথে
চাওঁতে চাওঁতে
দুধাৰি চকুলো
চকুতে এৰি
গুচি গ'ল,
কেও নাই
জগতত পাপিনীৰ
দুখ বুজাকেও নাই।
(১ম অংক ১ম দৃশ্য)

'বৈদেহী বিচ্ছেদ' অমিত্ৰাক্ষৰ ছন্দত লিখা এতিয়ালৈ প্ৰকাশিত অসমীয়া ভাষাৰ দ্বিতীয় নাটক। আধুনিক অসমীয়া নাটকৰ আৰম্ভণি কালৰ আন এজন নাট্যকাৰ চন্দ্ৰধৰ বৰুৱা। তেওঁৰ 'মেঘনাদ বধ' (১৯০০), 'তিলোত্তমা সম্ভৱ' (১৯২৯) 'ৰাজৰ্ষী' (১৯৩৭) তিনিখন পৌৰাণিক নাটক আৰু তিনিওখনেই অমিত্ৰাক্ষৰ ছন্দত লিখা। 'মেঘনাদ বধ' আৰু 'তিলোত্তমা সম্ভৱ' মাইকেল মধুসুধন দত্তৰ 'মেঘনাদ বধ' কাব্য আৰু 'তিলোত্তমা সম্ভৱ' কাব্যৰ আধাৰত ৰচিত। ৰামায়ণৰ কাহিনী

সম্বলিত 'মেঘনাদ বধ'ৰ সংলাপ বৰ ৰসাল। নাটকত ব্যৱহৃত মেঘনাদৰ পত্নী প্ৰমীলাৰ উক্তি চাওঁক—

কি কোৱা বাসন্তী
সাগৰত পৰো বুলি
ওলায় যেতিয়া নদী পৰ্বত বিচাৰি
কাৰ সাধ্য ৰোধে তাৰ গতি,
ৰক্ষৰ বোৱাৰী মই দানব জীয়াৰী
মেঘনাদ স্বামী মোৰ ৰাৱণ শহুৰ,
মইনো কৰোনে ভয় ভিক্ষুক ৰামক?
(১ম অংক ৫ম দৃশ্য)

একেদৰে 'ৰাজৰ্ষী' আৰু 'তিলোত্তমা সম্ভৱ' নাটকতো অমিত্ৰাক্ষৰ ছন্দ্ৰ প্ৰয়োগ চিত্ত পৰশা।

শ্বেক্সপীয়েৰৰ 'As You Like It' আৰু 'Cymbelin' নামৰ নাটকৰ অসমীয়া অনুবাদ কৰোতা দুৰ্গেশ্বৰ শৰ্মা (১৮৮২-১৯৬১) ই অমিত্ৰাক্ষৰ ছন্দত দুখন পৌৰাণিক নাটক লিখিছিল। নাটক দুখন হ'ল—'পাৰ্থ পৰাজয়' (১৯০৯) আৰু 'বালিবধ' (১৯১২)। দুয়োখন মঞ্চ সফল নাট। সেই সময়ত দৰ্শকৰ মাজত নাটক দুখনে বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

অসমীয়া নাট্য সাহিত্যলৈ দুকুৰিৰো অধিক নাটক লেখি অভিলেখ সৃষ্টি কৰা নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকাৰ পৌৰাণিক আৰু ঐতিহাসিক নাটবোৰত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ অতি সাৱলীল। সংগীতৰ প্ৰাধান্য থকা হাজৰিকাদেৱৰ নাটৰ ভাষা কাব্যিক আৰু আলংকাৰিক। 'নৰকাসুৰ' (১৯৩০), 'ছত্ৰপতি শিৱাজী' (১৯১৯), 'দাতাকৰ্ণ' (১৯২৯), 'বেউলা' (১৯৩৩), 'কুৰুক্ষেত্ৰ' (১৯৩৬), 'নন্দ দুলাল' (১৯৩৫), 'মাৰ্জিয়ানা' (১৯৩৯), আৰু 'ত্ৰিকেন্দ্ৰজিৎ' (১৯৫৯) অতুল হাজৰিকাৰ উল্লেখযোগ্য নাটক। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাৰে—"নাটক কেইখনৰ প্ৰকাশৰ প্ৰধান মাধ্যম হ'ল অমিত্ৰাক্ষৰ ছন্দ। অমিত্ৰাক্ষৰ ছন্দৰ সাৱলীল গতি, কাব্যিক বৰ্ণনা, ভক্তি ভাৱৰ প্ৰাধান্য, আদৰ্শাত্মক দৃষ্টিভংগী আৰু স্থান বিশেষে লৌকিক চৰিত্ৰৰ যোগেদি হাস্যৰস পৰিবেশনে হাজৰিকাৰ নাটবোৰ গভীৰতাৰ অভাব স্বত্বেও সুখপাঠ্য আৰু মঞ্চসফল কৰি তুলিছে।" [২]

অতুল চন্দ্ৰ হাজৰিকাৰ চাৰি অংকযুক্ত পৌৰাণিক নাটক 'নৰকাসুৰ' (১৯৩০) ত ব্যৱহৃত সংলাপবোৰ দৰ্শকৰ বাবে হৃদয়স্পৰ্শী। সুৰামত্ত ৰজা নৰকাসুৰে প্ৰজাৰ মঙ্গলৰ ফালে পিঠি দি নৰ্তকীৰ নৃত্য উপভোগত ব্যস্ত হৈ পত্নী মায়াদেৱীক কৈছে—

মায়া দেৱী! নকৰিবা অসন্তোষ
নুতুলিবা কোনো প্ৰশ্ন
নজনাবা ওজৰ আপত্তি।
নেজানানে তুমি
প্ৰশ্নৰ অতীত মই
ভুল ভ্ৰান্তি সবাৰে অতীত
সৰ্বশক্তিমান নাৰক অসুৰ!
(৪ ৰ্থ অংক ২য় দৰ্শন)

নাটকত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ শ্বেক্সপীয়েৰৰ নাটকৰ প্ৰত্যক্ষ প্ৰভাৱৰ ফল। কোনো কোনো সমালোচকে অৱশ্যে এই প্ৰভাৱ বাংলা নাটকৰ জৰিয়তে অহা বুলি কয়। তেওঁলোকৰ মতে বাংলা কবি নাট্যকাৰ মাইকেল মধুসূদন দত্ত, গিৰীশ ঘোষ, দ্বিজেন্দ্ৰলাল, ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু আন আন সমকালীন নাট্যকাৰ সকলৰ জৰিয়তেহে অসমীয়া নাট্য সাহিত্যলৈ শ্বেক্সপীয়েৰৰ আগমন ঘটে। ইয়াৰ পিছতো আমি এযাৰ কথা ক'ব পাৰো যে, যি সকল অসমীয়া ছাত্ৰই কলিকতালৈ অধ্যয়নৰ বাবে গৈছিল তেওঁলোক বঙালী সাহিত্যৰ জৰিয়তে নহয় পোনপটীয়াকৈ মূল ইংৰাজী ভাষাতেই শ্বেক্সপীয়েৰ বা অন্যান্য প্ৰাশ্চাত্য লেখকৰ সাহিত্য অধ্যয়ন কৰিছিল। এই কথাৰ সত্যাসত্য প্ৰতিষ্ঠাৰ কাৰণে আমি বেজবৰুৱাই শ্বেক্সপীয়েৰৰ শ্ৰেষ্ঠ নাটক 'হেমলেট'ৰ অসমীয়া অনুবাদ কৰিবলৈ যোৱাৰ কথা আঙুলিয়াব পাৰো। কিবা বিশেষ কাৰণ হেতু বেজবৰুৱাই নাটকখনৰ অনুবাদ সম্পূৰ্ণ কৰিবলৈ নোৱাৰিলে। মুঠৰ ওপৰত প্ৰত্যক্ষ ভাৱেই হওঁক বা পৰোক্ষ ভাবেই হওঁক অসমীয়া নাটকত শ্বেক্সপীয়েৰৰ প্ৰভাৱ অপৰিসীম।

টোকাঃ

১। দয়ানন্দ পাঠক- অসমীয়া নাটক আৰু পাশ্চাত্য প্ৰসংগ, পৃষ্ঠা-২৭

২। সত্যেন্দ্ৰ নাথ শৰ্মা- অসমীয়া নাট্য সাহিত্য, পৃষ্ঠা-১৬১

সহায়ক গ্ৰন্থ ঃ

১। অসমীয়া নাটক আৰু পাশ্চাত্য প্ৰসংগ- দয়ানন্দ পাঠক, চন্দ্ৰপ্ৰকাশ, ২য় প্ৰকাশ ২০০৮।

২। অসমীয়া নাট্য সাহিত্য- সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ, ৮ম সংস্কৰণ ২০০০।

৩। অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি- হৰিশচন্দ্ৰ ভট্টাচাৰ্য, লয়াৰ্চ বুক ষ্টল, পুনৰ মুদ্ৰণ ২০১১।

৪। গোহাঁই বৰুৱা ৰচনাৱলী-অসম প্ৰকাশন পৰিষদ, ৪ৰ্থ প্ৰকাশ ২০০৮।

৫। নৰকাসুৰ-অতুলচন্দ্ৰ হাজৰিকা, বৰুৱা এজেন্সী, ৮ম প্ৰকাশ ১৯৮৭ ****



**প্ৰবন্ধ —**

# ইংৰাজী ভাষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অহেতুক ভয়

**Abdur Rahim**
**HOD English**

"Teachers of English need to have a good command of the grammar of English simply because our student expect to learn standard English that will serve them in most situations. We need to remember that they are likely to be speaking to non-native as much as native speakers of English. This is not, therefore, a question of overly pendantic insistence on correct English, rather. the emphasis is on a more pragmatic approach that ensures the English they use, is not going to confuse the person they are writing or speaking to." (Principal Guide to English Grammar)

উপনিৱেশোত্তৰ কালছোৱাত ইংৰাজী ভাষাই ভাৰতীয় পটভূমিত অতি উচ্চ গুৰুত্ব লাভ কৰি আহিছে। গোলকীয় কৰণৰ যুগত ইংৰাজী ভাষাক সামাজিক, অৰ্থনৈতিক আৰু বৃত্তিগত সুযোগৰ চাবিকাঠি হিচাপে গণ্য কৰা হয়। কিন্তু, সাধাৰণতে আমাৰ দেশীয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইংৰাজীৰ প্ৰতি এক অহেতুক ভয় আৰু অনীহা পৰিলক্ষিত হয়। ফলস্বৰূপে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী বিষয়ত বুৎপত্তি লাভ কৰিব নোৱাৰে আৰু দুৰ্বল হৈ যায়। অলপ চিন্তা-চৰ্চা কৰিলে ইংৰাজী বিষয়ত দুৰ্বল হোৱাৰ কাৰণসমূহ বিভিন্ন হোৱা দেখা যায়। ইংৰাজী ভাষাৰ প্ৰতি অহেতুক ভয়ৰ কাৰণ সমূহ তলত আলোচনা কৰা হ'ল ঃ—

1. মাতৃভাষাৰ প্ৰতি সম্যক জ্ঞানৰ অভাৱ।
2. ইংৰাজী ভাষাৰ শব্দ জ্ঞানৰ অভাৱ।
3. কথোপকথনৰ অভ্যাসৰ অভাৱ।
4. লাজ আৰু ভয়ৰ মানসিকতা।

ওপৰত আলোচনা কৰা কাৰণসমূহৰ মূলশিপা হৈছে প্ৰাথমিক অৱস্থাত অনভিজ্ঞ শিক্ষকৰ প্ৰভাৱ। শিক্ষা জীৱনৰ পাতনিতে যদি ছাত্ৰ ছাত্ৰীসকলে অভিজ্ঞ শিক্ষকৰ পৰা Conjugation বা ক্ৰিয়াৰ ধাতুৰূপৰ জ্ঞান আয়ত্ব কৰিব পাৰিলেহেঁতেন তেনেহ'লে ইংৰাজীৰ প্ৰতি অহৈতুক ভয় নাথাকিলেহেঁতেন। Conjugation বা ধাতুৰূপ হৈছে Subject অৰ number আৰু person অনুসৰি বিভিন্ন ৰূপত দেখুৱাব। উদাহৰণস্বৰূপে যদি verb 'to go' present Indefinite tense অত ৰূপ কৰি দেখুৱাও তেনেহ'লে তলত দিয়া ধৰণে হ'ব —

| | Singular | plural |
|---|---|---|
| 1st person : | I go | We go |
| 2nd person : | You go<br>Thou goest | You go |
| 3rd person : | He goes<br>She goes<br>It goes<br>Ram goes | They go. |

ঠিক সেইদৰে Sentence pattern বা বাক্যৰ গাঁথনিৰ জ্ঞানৰ অভাৱ অহৈতুক ভয়ৰ আন এটা অন্যতম কাৰণ। অৰ্থাৎ বাক্য এটা গঠন কৰিবলৈ বাক্যৰ আৰম্ভণিতে কি হ'ব, মাজত কি হ'ব আৰু শেষত কি হ'ব সেই জ্ঞানৰ অভাৱ।

উদাহৰণ স্বৰূপে কেইটামান Sentence pattern তলত দিয়া হ'ল —

Sub + V + (Adjunct) : Birds fly (in the air)
Fire burns (everything)
S + V + Direct object + etc.
The girls know the answer to the question.
They explained what they saw at the place.
S + V + Indirect object + Direct object / etc.
He gave me the book.
Mr. Ahmed taught us English
S + V + Noun / Pronoun + present participle.
I can smell something burning.
Mother saw him rushing but of the house.
I saw the Old man crossing the road.
He tried to keep the ball rolling.
S + V + Noun / Pronoun ? adjective.
He tried to push the door open.
The judges set the prisoner free.
S + V + Past participle
We found the village deserted.
The officer wanted the work completed quickly.

সেইদৰে Syntax অৰ জ্ঞানৰ অভাৱেও ইংৰাজীৰ প্ৰতি অহেতুক ভয়ৰ ক্ষেত্ৰত অৰিহণা যোগায়। Syntax হৈছে verb এটাই subject আৰু number লগত agreement কৰণ বা সামজস্য ৰক্ষা কৰা বা ৰখা। যেনে —

He is ill. I am happy. They were happy.

কিন্তু One of the থকা বাক্যৰ noun বা pronoun টো plural হয় কিন্তু verb টো singular হয়। ঠিক সেইদৰে each of the আৰু everyone of the ৰ ক্ষেত্ৰতো noun টো plural আৰু verb টো singular হয়। যেনে —

He is one of the best boys in the class.
Each of the boys has got a prize.
Every one of the girls was given a prize.

কেতিয়াবা Collective number অত noun plural কিন্তু verb singular হয়। যেনে —

Fifty rupees is enough for me.
Twenty shillings make a pound.
Three miles is a long distance.

ঠিক সেইদৰে বস্তু বা দেশৰ নাম Plural হ'লেও verb টো singular হয়। যেনে —

Folk tales of Assam is very rich.
The United States of America is a rich country.

দুটা বা ততোধিক Singular subject and ৰ দ্বাৰা যোগ হ'লে বা and উহ্য থাকিলে verb আৰু pronoun plural হয়। যেনে —

Ram and shyam were there and they fold us the story.

কিন্তু As well as থাকিলে verb টো singular হয়। যেনে —

Ram as well as Hari was present there.

আকৌ যদি দুটা Subject এ একেজন ব্যক্তিক বুজায় verb টো singular হয়। যেনে —



The secretary and treasurer has arrived.

কিন্তু দুটা Subject এ দুজন বেলেগ বেলেগ ব্যক্তিক বুজালে verb টো plural হয়। যেনে —

The secretary and the treasurers have come.

Noun আৰু pronoun অৰ ক্ষেত্ৰত second person বাক্যৰ third person মাজত আৰু 1st person শেষত বহে। যেনে —

You, Ram or he and I have been rewarded.

দোষ স্বীকাৰ কৰাৰ ক্ষেত্ৰত Usual order টো reverse বা ওলোটা হয়। যেনে —

I, he and you are guilty.

আকৌ Relative pronoun এ ইয়াৰ antecedent বা পূৰ্বৱৰ্তী শব্দটোৰ number অৰ লগত agreement কৰে বা খাপ খায়। যেনে —

I, who, am your leader command you.
This is the lady who has lost her ring.
You are the person who helps me in need.

ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে Punctuation বা বিৰাম চিহ্নৰ ব্যৱহাৰ ভালদৰে আয়ত্ব কৰিব লাগিব। বিৰাম চিহ্ন ভালেকেইটা আছে। যেনে — (,) comma, (.) Full stop, (;) Semi column, (© Colon, (?) question mark, (!) Exclamation mark, (-) hyphen, (…) Dash [{( )}] bracket লগতে Capital letter. ইয়াত কেৱল Capital letter অৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কহা হ'ল।

Capital letter : বাক্য বা sentence অৰ প্ৰথম আখৰ পদ্যৰ শাৰীৰ প্ৰথম আখৰ, ভগৱান বা ঈশ্বৰ সূচক শব্দৰ প্ৰথম আখৰ, যিকোনো proper noun অৰ প্ৰথম আখৰ আৰু যিকোনো সংক্ষিপ্ত ৰূপৰ প্ৰথম আখৰটো capital letter হয়। যেনে—

Ram is leaving for Delhi next Sunday :

Poem :-

Oh! Look at the moon
She is shining up there
O, mother she looks
Like a lamp in the air,

Proper Noun : Hari is my friend.
He lives at Jorhat.
Mr. Sarma lives in the U.S.A.
Reena is an M.A., B. Ed. Etc.
God has created the universe.
We should respect him.
O, Lord! Please forgive us.

Preposition অৰ ব্যৱহাৰৰ সম্যক জ্ঞানৰ অভাৱেও ইংৰাজী ভাষাৰ প্ৰতি থকা অহেতুক ভয়ৰ কাৰণ। উপযুক্ত ঠাইত preposition অৰ উপযুক্ত ব্যৱহাৰ জ্ঞান আয়ত্ব কৰিব লাগিব। Appropriate preposition বোৰ verb আৰু adjective লগত noun বা pronoun অৰ আগত বহি বাক্যত থকা আন আন শব্দৰ লগত সম্পৰ্ক ৰক্ষা কৰে।

সাধাৰণতে বাধা দিয়া, বিৰত ৰখা বা থকা, আতৰত থকা, অনুপস্থিত থকা বুজাবলৈ Verb আৰু adjective ৰ লগত from ব্যৱহাৰ কৰা হয়।

Prevent, hinder, debar, obstruct, resist, refrain, abstain, absent, aloof, deviate, sepurate আদি শব্দৰ লগত from ব্যৱহাৰ কৰা হয়।

Strong বা irregular verb অৰ list মুখস্থ থাকিলে ইংৰাজীৰ প্ৰতি অহেতুক ভয় আঁতৰ হয় লগতে tense অৰ শুদ্ধ ব্যৱহাৰ আয়ত্বলৈ আহিহে। কিছুমান strong verb ৰ list তলত দেখুওৱা হ'ল।

| ক্ৰিয়াৰ মূল (Root) | present / present participle | past tense | past participle |
|---|---|---|---|
| to be | am / is / are / being | was / were | been |
| to have | have / has / having | had | had |
| to go | go / goes / going | went | gone |
| to come | come / comes / coming | came | come |
| to buy | buy / buys / buying | bought | bought |
| to bring | bring / brings / bringing | brought | bought |
| to think | think / thinks / thinking | thought | thought |
| to teach | teach / teaches / teaching | taught | taught |
| to seek | seek / seeks / seeking | sought | sought |
| to beseech | beseech / beseeches / beseeching | besought | besought |

Determiners আৰু article ৰ প্ৰয়োগৰ সম্যক জ্ঞান আহৰণ কৰিব পাৰিলে ইংৰাজী ভাষাৰ প্ৰতি অহৈতুক ভয় নোহোৱা হয়। বিশেষকৈ Indefinite article a আৰু an আৰু Definite article the ৰ ব্যৱহাৰ ভালদৰে জানিব লাগিব। যেনে— যিকোনো consonant বা ব্যঞ্জন বৰ্ণৰ উচ্চাৰণেৰে আৰম্ভ হোৱা শব্দৰ আগত a হয় আৰু vowel অৰ উচ্চাৰণেৰে আৰম্ভ হোৱা শব্দৰ আগত an বহে। যেনে —

a vowel a man, a tiger, a boy etc, an apple, an orange. an ant, an hour. an honest man, an honourable man.

কিন্তু ইউ, ৱা, য় উচ্চাৰণ হোৱা Vowel ৰ ক্ষেত্ৰত a হয়। যেনে —

a one rupee note, a university, a unik career, a union etc.

কোনো Countable noun প্ৰথমবাৰ ব্যৱহাৰ হ'লে তাৰ আগত a বা an বহে। পিছত যিমান বাৰ ব্যৱহাৰ হ'ব the হ'ব। যেনে —

This is a picture of a class room.
There is a chair and a table in the classroom.
There is a black board in the class room.
The chair is near the table.
The black board is an a stand.
The stand is made of wood.

সচৰাচৰ তলত দিয়া শব্দবোৰৰ আগত the ব্যৱহাৰ হয়।

Morning. afternoon, evening আগত the বহে। যেনে —

in the morning, in the afternoon, in the evening.

যিকোনো নদী, সাগৰ, উপসাগৰ-মহাসাগৰ, হ্ৰদ, পৰ্বতশ্ৰেণী, দ্বীপপুঞ্জ, আকাশ, দিগবলয় বা দিগন্ত ৰেখা, বিষুব ৰেখা, মজিয়া, মাজভাগ, চিলিং, ঐতিহাসিক অট্টালিকা, বাতৰি কাকত, জাহাজ, বা গাড়ীৰ নামৰ আগত the বহে। যেনে—

The Brahmaputra, the Dhansiri, The Gabharu, the Boy of Bengal, the Gulf of Persia. The



Pacific, The Atlantic, The cospean sea, The chilka, The Lagtak, The Himalayas, The Gorohills, The audamans, The West Indies, The sky, The Heaven, The Horizon, The Eguator, The floor, The middle, The ceiling, The Tajmahal, The Qutub Minar, The Victoria Memorial, The Assam Tribune, The Dainik Assam, The Khabor etc.

যিকোনো জাতি আৰু ৰাষ্ট্ৰীয়তা বুজাবলৈ the ব্যৱহাৰ কৰা হয়। যেনে —

The Ahoms, The Nagas, The Mizos, The Assamese, The Indians, The Arabs, The Americans, The English Etc.

Spelling বা বানান শুদ্ধকৈ লিখিব পৰাৰ উপৰিও উচ্চাৰণ শুদ্ধকৈ আয়ত্ব কৰিব লাগিব। তলত কেইটামান বাক্যৰ জৰিয়তে spelling আৰু pronunciation অৰ্থৰ ওপৰত কি পাৰ্থক্য আনি দিয়ে তাকে দেখুওৱা হ'ল।

What right has a wright to write against the rite of the church?
She sells sea shells on the sea share.
Did he consult a consulting consultant for consultation who had graduated in consultancy?

এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ শব্দকোষ বা Dictionary ৰ ব্যৱহাৰ শিকাৰ লগতে শব্দজ্ঞান বা Vocabulary আয়ত্ব কৰিব লাগিব। তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা ইংৰাজীৰ প্ৰতি থকা অহেতুক ভয় দূৰ হ'ব।

সদৌ শেষত, Verb 'to be' আৰু to have ৰ সামগ্ৰিক আৰু ব্যৱহাৰিক জ্ঞান আহৰণ কৰিব পাৰিলে ইংৰাজী ভাষাৰ প্ৰতি থকা অহৈতুক ভয় আঁতৰ হব আৰু ব্যুৎপত্তি লাভ কৰিব পৰা যাব। সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ মাজত "to be" verb ৰ অনাহক প্ৰয়োগ কৰা দেখা যায়। যেনে — He must be go. He must be do ইত্যাদি। এয়া হ'ল 'be' verb ৰ misuse যিটোৱে ভাষাৰ প্ৰতি থকা জ্ঞানৰ অভাৱকে সূচায়।

অসমীয়া ভাষাত "to be" ৰ সমাৰ্থক ধাতু হ'ল হ বা 'আছ্'। ইয়াৰ ধাতুৰূপ আয়ত্ব কৰিব পাৰিলে যিকোনো ক্ষেত্ৰত ইয়াৰ উপযুক্ত প্ৰয়োগ উজু হ'ব।

যিকোনো Continuous tense অত tenseঅনুসৰি "to be" verb ৰ form ৰ লগত মূল verb ৰ present participle বা ing যোগ কৰিলে সেই tense অৰ continuous গঠিত হ'ব। যেনে —

Present continuous : I am writing now.
Past continuous : He was reading a book then.
Future continuous : I shall be going to school this time next week.

সচৰাচৰ "to be" verb নোহোৱাকৈ passive voice কৰিব নোৱাৰি। passive voice অত "to be" verb অপৰিহাৰ্য্য।

Object টোক subject কৰাৰ পিছত বাক্যত থকা verb ৰ tense অনুসৰি "to be" verb ৰ form বহুৱাই মূল verb টোৰ past participle বহুৱাব লাগে আৰু subject টোক অধিকতৰ ক্ষেত্ৰত by preposition ৰ object কৰিব লাগে বা doer of the action উহ্য ৰাখিব লাগে। যেনে —

1. He gives me a book. (A)
   A book is given me. (P)
2. He is eating rice now. (A)
   Rice is being eaten by him now. (P)
3. He has eaten rice. (A)
   Rice has been eaten by him. (P)
4. Mr. Ahmed taught us English. (A)
   English is taught us by Mr. Ahmed.
5. Please help me. (A)

You are requested to help me.

6. Let him finish the work.

Let the work be finished by him.

7. Let's help the flood victims.

Let the flood victims be helped (by us).

ঠিক সেইদৰে Verb "to have" ৰ উপযুক্ত আৰু শুদ্ধ ব্যৱহাৰে ইংৰাজী ভাষাৰ প্ৰতি অহেতুক ভয় দূৰ কৰিব। Verb "to have" possession বা মালিকাধীনত থকা অৰ্থত আৰু auxiliary হিচাপে anomalous finite. যেনে —

I <u>have</u> love the work. He <u>has</u> read the novel. Rina has a red pencil. Beena had a gold chain.

ইয়াৰ উপৰিও "have verb' পোৱা, খোৱা, পান কৰা, লোৱা, ৰখা আৰু পাচনী অৰ্থত regular verb হিচাপে ব্যৱহাৰ হয়। যেনে —

I have had the book from my parents.

He had his meals from the hotel.

Don't have a igarette infront of your elders.

I have my hair cut once a month, please have patience.

He has had his data collected for his research. Etc.

ওপৰত আলোচনা কৰা ইংৰাজীৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অহৈতুক ভয়ৰ কাৰণ আৰু নিৰাময়ৰ উপায় বহুতো আছে। কিন্তু কলেবৰ বৃদ্ধি হোৱালৈ চাই ইয়াতে থমকি ৰ'বলৈ বাধ্য হ'লোঁ। অজানিতে ৰৈ যোৱা ভূলৰ শুধৰণীৰ বাবে সদায় সচেষ্ট থাকিম যাতে ছাত্ৰ-ছাত্ৰীসকল এই লেখাৰ দ্বাৰা প্ৰকৃতাৰ্থত উপকৃত হয় তাৰে আশাৰে এই লেখা সামৰিছোঁ।

*<u>সহায়ক</u> পুথি ঃ* — Higher English Grammar & composition. _ By : P.K. Dey Sarkar.

# মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ ছাদ্দাম হুছেইন
স্নাতক ১ য় বৰ্ষ

১। জ্ঞানতকৈ কল্পনা অধিক গুৰুত্বপূৰ্ণ। — এলবাৰ্ট আইনষ্টাইন।

২। ভগৱানৰ ওচৰত আমি আটাইবোৰ সমানেই জ্ঞানী, আৰু সমানেই মূৰ্খ। — এলবাৰ্ট আইনষ্টাইন।

৩। চেষ্টা কৰি থকালৈকে কোনেও নাজানে তেওঁ কি কৰিব পাৰে। — পাব্লিয়াছ।

৪। এখন যুদ্ধত হাৰক, কিন্তু একমিনিট সময় নেহেৰুৱাব। — নেপেলিয়ন বোনাপাৰ্ট।

৫। অতীতেই হ'ল ভৱিষ্যতৰ শ্ৰেষ্ঠ দূত। — লৰ্ড বাইৰন।

৬। এজন সৎ লোকৰ জন্ম হোৱা মানে ঈশ্বৰৰ মহৎ সৃষ্টি। — ৰবাৰ্ট বাৰ্নাছ।



প্ৰবন্ধ —

# প্ৰাৰ্থনা- এক মানসিক ব্যায়াম

শ্ৰীধনশ্ৰী শৰ্মা
প্ৰবক্তা (অমঞ্জুৰিকৃত), অসমীয়া বিভাগ (কমাৰ্চ)

প্ৰকৰ্ষেণ অৰ্থনা প্ৰাৰ্থনা। যিকোনো সমৰ্থবান জনৰ ওচৰত কোনো ইপ্সিত বিষয় বা বস্তু বিচাৰি কৰা আবেদনকে আমি 'প্ৰাৰ্থনা' বুলি ক'ব পাৰো। গভীৰভাৱে কিবা এটা বিচৰাৰ অৰ্থ 'প্ৰাৰ্থনা' শব্দটো প্ৰস্তুত কৰা হৈছে। ৰবাৰ্ট থৌলেছৰ 'The Psychology of Religion' গ্ৰন্থত কৈছে যে পূজা দুবিধ (১) বস্তুনিষ্ঠ আৰু (২) আত্মনিষ্ঠ। প্ৰথম বিধ পূজাত ঈশ্বৰক প্ৰভাবান্বিত কৰাৰ প্ৰবণতা থাকে আৰু আত্মনিষ্ঠ পূজাত নিজে প্ৰভাবান্বিত হয়, প্ৰাৰ্থনা বস্তুনিষ্ঠ স্বৰূপৰ। প্ৰাৰ্থনাৰ লক্ষ্য সদায় এক অতিমানৱিক সত্তা। ভবা হয় যে যেতিয়া এই সত্তাৰ প্ৰতি প্ৰাৰ্থনা জনোৱা হয় তেতিয়া ই সেই প্ৰাৰ্থনা শুনে। গতিকে প্ৰাৰ্থনাৰ স্বৰূপ বহুলাংশে বস্তুনিষ্ঠ।

সাধাৰণতে সকলো প্ৰকাৰৰ আকাঙ্খিত বিষয়, বস্তু, উন্নতি, শান্তি, নিষ্পত্তি আদি বিচাৰি ভগৱানৰ ওচৰত কৰা আবেদন নিবেদনকহে আমি 'প্ৰাৰ্থনা' শব্দৰ দ্বাৰা বুজাও। এনেদৰে কৰা প্ৰাৰ্থনাত তিনিটা উপাদান জড়িত হৈ থাকে- প্ৰাৰ্থীজন অৰ্থাৎ উপাসক, যাক প্ৰাৰ্থনা কৰা হয় অৰ্থাৎ উপাস্যজন আৰু প্ৰাৰ্থিত বিষয়। বিশ্বৰ সকলো জাতিৰ মাজতে বোধকৰো প্ৰাৰ্থনা কৰাৰ প্ৰথা প্ৰচলন আছে আৰু সকলো স্তৰৰ মানুহৰ প্ৰাৰ্থনা কৰাৰ অধিকাৰ আছে। ভিন ভিন আনুষ্ঠানিক, ধৰ্মীয় আৰু সামাজিক বিধি-বিধানৰ দ্বাৰা প্ৰাৰ্থনাৰ সুকীয়া-সুকীয়া পদ্ধতি আছে যদিও ব্যক্তিগত ৰুচি আৰু ৰীতিৰেও প্ৰাৰ্থনা কৰাৰ স্বাধীনতা প্ৰতিজন ব্যক্তিৰে আছে।

প্ৰাৰ্থনা এক মানসিক ব্যায়াম (এই ব্যায়াম বৌদ্ধ দৰ্শনৰ অষ্টমাৰ্গ পথৰ এটা মাৰ্গ) বুলি অভিহিত কৰিব পাৰি, যি মানসিক ব্যায়ামৰ লক্ষ্য ধৰ্মীয়। আনহাতে ইয়াকে ধৰ্মীয় চৰিত্ৰৰ যিকোনো মানসিক অৱস্থা বুলি অভিহিত কৰিব পাৰি, প্ৰাৰ্থনাত মানসিক ভাবে আত্ম-উন্নতি বা সংশোধন আৰু ঈশ্বৰৰ লগত যোগসূত্ৰ স্থাপন এই দুয়োটা কথাই জড়িত। ইয়াৰ দ্বাৰা বিশ্বাস, প্ৰেম, আত্ম-ত্যাগ আদি বাঞ্ছিত মানসিক প্ৰবণতাবোৰক শক্তিশালী কৰা হয়। ইয়াৰ মাজেৰে এক ভক্তিমূলক শিক্ষা আহৰণ কৰা হয়। আৰু ইয়াৰ জৰিয়তে মনৰ ভক্তিমূলক অভ্যাস বিকশিত হয়।

আগতে উল্লেখ কৰা হৈছে যে প্ৰাৰ্থনা শব্দটোতে যাচ্‌ঞাৰ অৰ্থ বা যিকোনো বিষয় বা বস্তু বিচৰাৰ অৰ্থ নিহিত হৈ আছে। সংসাৰী লোকে প্ৰাৰ্থিত বিষয়ৰ তালিকাত স্থাৱৰ-অস্থাৱৰ, মূৰ্ত-বিমূৰ্ত, ভাল-বেয়া আদি বিভিন্ন শিতানত বিভিন্ন বিষয় সন্নিৱিষ্ট কৰে। বিষয় বিমুখ, বীতৰাগ যোগীজনে ব্ৰহ্মজ্ঞান বা ব্ৰহ্মসন্নিধি বিচাৰি প্ৰাৰ্থনা কৰে। এই প্ৰাৰ্থনাৰ প্ৰকাৰ দীৰ্ঘকালীনো হ'ব পাৰে। অথবা তৎকাল ভিত্তিতো মানুহে কেতিয়াবা অভীষ্টি প্ৰাপ্তিৰ বাবে প্ৰাৰ্থনা কৰে, যেনে- পৰীক্ষা হলত প্ৰশ্নৰ উত্তৰ তৎক্ষণাত মনত পেলাই দিবলৈ, আলিবাটত ৰিক্সাখন পাবলৈ আৰু কোনোৰে কাউন্টাৰত থিয় হৈ চিনেমাৰ টিকট পাবলৈ ভগৱানক প্ৰাৰ্থনা কৰা শুনা যায়।

প্ৰাৰ্থনা ধৰ্মৰ সমানেই সাৰ্বজনিক। বহুতে প্ৰাৰ্থনাক ধৰ্মৰ সাৰবস্তু বুলি অভিহিত কৰে। এই সকলৰ বিশ্বাস যে প্ৰাৰ্থনা পদ্ধতি নোহোৱাকৈ ধৰ্ম বৰ্তিব নোৱাৰে। সেয়ে ছাবাটিয়াৰে ধৰ্মৰ সংজ্ঞা এইদৰে দিছে, "ধৰ্ম অন্তৰৰ প্ৰাৰ্থনা।" (The Philosophy of Religion পৃঃ ১২১) তেওঁ ধৰ্মক প্ৰাৰ্থনাৰ ভিত্তিতেই ধৰ্মৰ নিচিনা অন্যান্য ক্ৰিয়াকাণ্ডৰ পৰা পৃথক কৰিছে। সেয়ে তেওঁ মত পোষণ কৰে যে প্ৰাৰ্থনাৰ ইতিহাস জনা হ'লেই ধৰ্মৰ ইতিহাসো জনা হ'ব।

প্ৰাৰ্থনা মন্ত্ৰতকৈ (Spell) বেলেগ। মন্ত্ৰ প্ৰায় যাদুধৰ্মী হয়। যাদুমন্ত্ৰৰ দৰে প্ৰাৰ্থনাত দাবী নাই, আছে অনুনয়-বিনয়। অৱশ্যে প্ৰাচীন ধৰ্মত প্ৰাৰ্থনা মন্ত্ৰেৰে কৰাৰ নিয়ম আছিল। লাহে লাহে যাদু সদৃশ মন্ত্ৰৰ প্ৰাদুৰ্ভাৱ কমি আহিল। ইয়াৰ ঠাই ল'লে আবেদনযুক্ত প্ৰাৰ্থনা।

অতীজত প্ৰাৰ্থনাৰ অনুষ্ঠান কৰা হৈছিল কেৱল পাৰ্থিৱ সম্পদ আহৰণৰ হেতু। (আনকি আধুনিক প্ৰাৰ্থনাতো এনে প্ৰাৰ্থনা শুনা যায়.

"আজি আমাক আমাৰ দৈনিক আহাৰ দিয়াঁ।") অতীজত নৈতিক প্ৰাৰ্থনা মানুহৰ প্ৰায় অজ্ঞাত আছিল। শ্ৰেষ্ঠ জীৱন প্ৰদানৰ বাবে কোনো প্ৰাৰ্থনা কৰা নহৈছিল। সেইদৰে ঈশ্বৰত্ব বা দৈৱত্ব লাভৰ বাবেও কোনো প্ৰাৰ্থনা কৰা নহৈছিল। এই প্ৰাৰ্থনাত প্ৰকৃত প্ৰাৰ্থনাত থাকিব লগাৰ দৰে শুদ্ধ অন্তঃকৰণ বা চিন্তাৰ মনোযোগ নাছিল। অন্তৰৰ পবিত্ৰতা এই প্ৰাৰ্থনাৰ লগত সন্নিবিষ্ট নাছিল।

পাশ্চাত্যত প্লেটোৰ দিনত প্ৰাৰ্থনাই বিশুদ্ধ ৰূপ পৰিগ্ৰহ কৰে বুলি ভবা হয়। প্লেটোৰ Phoedruss নামৰ 'সংলাপ'ত ছক্ৰেটিছৰ মুখত এইদৰে প্ৰাৰ্থনা দিয়া হৈছে-"মৰমৰ 'পান', আৰু সকলো ইয়ালৈ অহা অন্যান্য দেৱতা মোৰ অন্তৰ্নিহিত আত্মাত সৌন্দৰ্য্য প্ৰদান কৰা, আৰু বাহ্য আৰু আন্তৰিক মানুহজন একে হওঁক।..........মোক সিমানহে সোণ দিয়া যি সোণ এজন মিতাচাৰী মানুহে বহন কৰিব পাৰে।" (The Philosophy of Religion পৃঃ-১২৩)

আধুনিক ধৰ্মবোৰতো প্ৰাৰ্থনা অপৰিহাৰ্য্য। ইছলাম ধৰ্মত দিনে পাঁচবাৰকৈ প্ৰাৰ্থনা কৰাৰ নিয়ম আছে। প্ৰাৰ্থনা কৰাৰ সময়ত সম্ভাৱনা আছে আৰু তেতিয়া হয়তো আমি ইপ্সিত বস্তুৰ পৰা বঞ্চিত হ'ব পাৰোঁ। প্ৰাৰ্থনাৰ প্ৰয়োজন আছে বুলি ভবা হয়। কোৱা হয় যে প্ৰাৰ্থনা ধাৰ্মিক মনৰ প্ৰকৃত প্ৰকাশ। ইয়াৰ দ্বাৰা মানুহে ঈশ্বৰৰ অসীম সৰ্বশক্তিমানতা আৰু শ্ৰেষ্ঠতাক স্বীকাৰ কৰে। লগতে নিজৰ সীমাবদ্ধতা আৰু নিকৃষ্টতাক স্বীকাৰ কৰে।

উপনিষদত প্ৰাৰ্থনা খুব উচ্চতম পৰ্য্যায়ৰ। ইয়াত এইদৰে প্ৰাৰ্থনা কৰা হৈছেঃ

"অসত্যৰ পৰা সত্যলৈ মোক লৈ যোৱা, আন্ধাৰৰ পৰা পোহৰলৈ মোক লৈ যোৱাঁ, মৃত্যুৰ পৰা অমৰত্বলৈ মোক লৈ যোৱাঁ। (বৃহদাৰণ্যক উপনিষদ)

ইয়াত কোনো ধন-পইচা খোজা হোৱা নাই। সত্যতা, পোহৰ অৰ্থাৎ জ্ঞান আৰু অমৰত্বৰহে ভিক্ষা কৰা হৈছে। নিষ্কাম ভক্তিত আনকি এইবোৰো খোজা নহয়। মানুহৰ পৰম পুৰুষাৰ্থ হ'ল মুক্তি। নিষ্কাম ভক্তিৰ প্ৰাৰ্থনাত আনকি ইয়াকো খোজা নহয়। আমাৰ বৈষ্ণৱ সাহিত্যত এইদৰে আছে-

"মুক্তিতো নিস্পৃহ যিটো সেই ভকতক নমো
ৰসময় মাগোহো ভকতি।"

গতিকে ভকতি মগা হৈছে, মুকুতি নহয়। ইয়াৰ দ্বাৰা বুজা যায় যে নিষ্কাম ভক্তিত প্ৰাৰ্থনা কেৱল প্ৰাৰ্থনাৰ বাবেই কৰা হয়, ইয়াৰ দ্বাৰা একোকে খোজা নহয়।

বহুতে কৰ্মকে প্ৰাৰ্থনা বুলি ধৰে। 'কৰ্মএৰ ধৰ্ম'- এনেকুৱা কথাই এই কথা সাব্যস্ত কৰে। গীতাত নিষ্কাম কৰ্মক ঈশ্বৰ লাভৰ এক পদ্ধতি বুলি কোৱা হৈছে। প্ৰাৰ্থনাৰ এটা ইতিবাচক দিশ আছে। সামূহিকভাবে কৰা প্ৰাৰ্থনাত বহুত ধৰণৰ মানুহ একেলগ হয়। ক্ষন্তেকৰ বাবে হ'লেও সকলোৰে বিভেদ পৰিহৰি একত্ৰিত হয়, কাৰণ প্ৰাৰ্থনাত সকলোৰে উদ্দেশ্য একেই। ইয়াত ইজনে সিজনৰ সঙ্গ লাভ কৰে। যদিও প্ৰথমতে প্ৰাৰ্থনা কিবা সহায়ৰ বাবে আবেদন কৰা হয় পিছলৈ ইয়ালৈ এক সামূহিক সঙ্গসুখৰ ভাব আহি পৰে। পাৰস্পৰিক আদান-প্ৰদান, পাৰস্পৰিক কথাবাৰ্তা আদিৰ দ্বাৰা মানুহে ইজন সিজনৰ কাষ চাপিব পাৰে।

প্ৰাৰ্থনা জনজাতীয় আৰু জাতীয় ধৰ্মত আশ্চৰ্য্য উৎপন্নকাৰী মন্ত্ৰ আছিল। কিন্তু ধৰ্মই যেতিয়া আধ্যাত্মিক ৰূপ ল'লে তেতিয়া প্ৰাৰ্থনা ভক্ত আৰু ভগবানৰ মাজৰ কথোপকথন স্বৰূপ হৈ পৰিল। প্ৰাৰ্থনাৰ লক্ষ্য হ'ল সত্য, শিৱ আৰু সুন্দৰ লাভ, প্ৰাৰ্থনা হৈ পৰিল অধ্যাত্মময় সত্তাৰ লগত মিলিবৰ বাবে আত্মাৰ ব্যাকুলতা, প্ৰাৰ্থনা হৈ পৰিল বিশুদ্ধ আধ্যাত্ম তাৎপৰ্যযুক্ত, যুক্তি বহিৰ্ভূত এক আনুভূতিক আকুলতা।

আমাৰ বেদকেইখনৰ মন্ত্ৰবোৰ প্ৰায়ে প্ৰাৰ্থনা ধৰ্মী। বেছিভাগ শ্লোকতে আয়ুস বৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰা দেখা যায়। বহুতৰ মতে প্ৰাৰ্থনা মানসিক চাপ নিৰসনৰ এক উপযুক্ত ব্যৱস্থা। আমেৰিকাৰ এজন ছাত্ৰই কৈছিল যে প্ৰাৰ্থনাই ভাল্‌ভৰ (Safety valve) দৰে কাম কৰে ই এক মনস্তাত্বিক চিকিৎসা বুলি ক'ব পাৰি। ই আচল বেমাৰটো ভাল নকৰে যদিও বিষ নাশক ঔষধৰ দৰে কাম কৰে।

প্ৰাৰ্থনা সাধাৰণতে এনে ভাষাৰে কৰা হয় যি ভাষাৰ অৰ্থ বেছিভাগ মানুহেই নুবুজে। হিন্দু ধৰ্মৰ বেছিভাগ প্ৰাৰ্থনাই সংস্কৃত ভাষাত কৰা হয়। সংস্কৃত, বাইবেল, কুৰ্‌আন শ্বৰীফৰ ভাষা বহুতে নুবুজে। শংকৰদেৱেও ভক্তি উদ্ৰেকৰ বাবে সহজতে নুবুজা ব্ৰজবুলি ভাষা ব্যৱহাৰ কৰিছিল। কীৰ্তন, দশম, নামঘোষা আদি অসমীয়া ভাষাত লিখিলেও এইবোৰৰ ভাষাও সৰহভাগ অসমীয়াই নুবুজে। ইয়াৰ কাৰণ হ'ল



গুপুত ৰহস্যক ফাচ নকৰাৰ বুদ্ধি, যাতে ধৰ্মৰ প্ৰতি মানুহৰ অন্ধ ভক্তি উদ্ৰেক হয়।প্ৰাৰ্থনা এক সাৰ্বজনিক প্ৰপঞ্চ। য'তেই ধৰ্ম আছে তাতেই প্ৰাৰ্থনা আছে। ই সম্ভৱ হৈছে যিহেতু মানুহে প্ৰবৃত্তিগত ভাবেই নিজকে ৰক্ষা কৰিবৰ বাবে কোনো অলৌকিক শক্তিৰ সহায় বিচাৰে। অতীতৰ ধৰ্মবোৰক অধ্যয়ন কৰিলে দেখা যায় যে মানুহে যাদুমন্ত্ৰৰ দ্বাৰা প্ৰাৰ্থনাৰ অনুষ্ঠান কৰি নিজৰ প্ৰাপ্য আদায় কৰিবলৈ যত্ন কৰিছিল। এনে প্ৰাৰ্থনাত যিবোৰ শব্দ ব্যৱহাৰ কৰা হয় সেইবোৰৰ কিবা ৰহস্যাত্মক শক্তি আছে বুলি ভবা হয় যি শক্তিয়ে প্ৰাৰ্থনীয় জনক কাবু কৰাৰ এটা সাধাৰণ বিশ্বাস মানুহৰ আছিল।

সেয়ে প্ৰাৰ্থনাত সদায় প্ৰায় একে ধৰণৰ শব্দৰাজিয়েই ব্যৱহৃত হৈছিল। ভবা হৈছিল যে এনে প্ৰথাই মানুহৰ মনত ভক্তি আৰু পবিত্ৰতাৰ ভাব জাগ্ৰত কৰিব আৰু দেৱতা জনক সন্তুষ্ট কৰিব। সেয়ে 'ৰাম', 'হৰে কৃষ্ণ হৰে ৰাম' আদি শব্দবোৰ ঘনে ঘনে উচ্চাৰিত হয়। এই প্ৰক্ৰিয়াত নিশ্চয় কিবা সন্মোহনী (hypnotic) শক্তি সৃষ্টি হয়, যি প্ৰাৰ্থিত দেৱতাজনক ওচৰলৈ অনাৰ পথ সুগম কৰে বুলি ভবা হয়, যিহেতু এই কথা মানুহৰ ক্ষেত্ৰত সত্য।মানুহৰ মনত নৈতিকতাৰ ভাব জাগৃত হোৱাৰ লগে লগে শ্ৰেয় (good) লাভৰ বাবে মানুহে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। সকলো মানুহৰে ভাল হোৱাৰ এটা প্ৰবণতা আছে। কিন্তু ভাল হোৱাৰ পথত লোভ, মোহ আদি নানা ধৰণৰ হেঙাৰ আছে। সেয়ে মানুহে ভাবে যে নিজৰ চেষ্টাৰে ভাল হ'ব নোৱাৰি। সেইবাবে মানুহে ভগবানৰ ওচৰ চাপে, যাক সৰ্বাত্মক ৰূপে ভাল বুলি ভবা হয়। ভবা হয় যে এই পৰম শ্ৰেয় ৰূপী ভগবানৰ অনুগ্ৰহত আমি ভাল হ'ব পাৰিম। পাৰ্চী ধৰ্মত সেয়ে শুদ্ধতাৰ (Righteousness) ৰাজ্যলৈ যোৱাৰ আকুতি আছে।

বিভিন্ন ধৰ্মৰ প্ৰাৰ্থনা পদ্ধতি বেলেগ বেলেগ। ইহুদী সকলে প্ৰাৰ্থনা কৰোতে এক নিৰ্দিষ্ট সাজ পিন্ধি ল'ব লাগে। হিন্দু ধৰ্মত প্ৰাৰ্থনাৰ প্ৰচলন পূজা বা যজ্ঞৰ লগত জড়িত। পদ্ধতি বেলেগ হ'লেও কিন্তু প্ৰাৰ্থনা সকলো ধৰ্মতে আছে।

প্ৰাৰ্থনাত সমাজ ব্যৱস্থাৰ চলি থকা প্ৰমূল্যবোৰে মূৰ্ত ৰূপ লাভ কৰে। মানুহে কি বিচাৰে, মানুহৰ আদৰ্শ কি এইবোৰ বহুত সময়ত অস্পষ্ট হৈ ৰয়। প্ৰাৰ্থনাৰ মাধ্যমেৰে মানুহে এইবোৰক স্পষ্ট ৰূপত দাঙি ধৰে। বিভিন্ন সমাজত প্ৰচলিত প্ৰাৰ্থনাবোৰ বিশ্লেষণ কৰিলে সেই সমাজখনৰ মানুহবোৰে কি বিচাৰে তাৰ এটা ধাৰণা হয় সেইদৰে বিৰ্বতনৰ বিভিন্ন সময়ত ৰচিত প্ৰাৰ্থনাবোৰে মানুহৰ চাহিদাৰ পৰিবৰ্তনৰো এক আভাস দিয়ে।

প্ৰাৰ্থনাই বিনম্ৰতা শিকায়। কাৰোবাৰ ওচৰত কিবা বিচাৰি প্ৰাৰ্থনা কৰা জনে নিজৰ দৈন্য স্বীকাৰ কৰি লয় বাবেহে প্ৰাৰ্থনা কৰিব পাৰে। আনৰ আগত নিজৰ দুৰ্বলতা প্ৰকাশ কৰিব নোৱাৰা অহংকাৰী জনেও ভগৱানৰ ওচৰত নিজৰ অহংকাৰ পাহৰি দীনতা প্ৰকাশ কৰিব পাৰে। অৰ্থাৎ নিজৰ অসমৰ্থতা বা অপাৰগতা নিজে নিজে স্বীকাৰ কৰি লয় আৰু সমৰ্থ হ'বৰ বাবে দৃঢ়ব্ৰত হ'বৰ সুবিধা পায় আচলতে এনে স্বীকাৰোক্তি আত্মবিশ্লেণৰ সুফল। বিনয়তাৰূপ এনে সুফলেই প্ৰকৃততে যোগ্যতা আৰু সাফল্যৰ সোপান। সংস্কৃতত কোৱাই আছে- 'ৱিনয়াদ্ যাতি পাত্ৰত্বাম্'। ****

# কৌতুক

**মিছ ঃ মুৰ্শিদা খাতুন, স্নাতক ২ য় বৰ্ষ**

১। অফিচাৰ ঃ আপুনি নাজানে নেকি, বিনা অনুমতিত ভিতৰলৈ সোমাব নালাগে বুলি?
ৰহিম ঃ জানো ছাৰ, সেয়েহে মই অনুমতি ল'বলৈহে ভিতৰলৈ সোমাই আহিলো।

২। বিটু ঃ মোৰ খুৰাই এটা বিৰাট ভাল চাকৰি কৰে। প্ৰতিদিনে দহ লাখটকীয়া গাড়ীত উঠি ফুৰে।
ৰিতু ঃ তোমাৰ খুৰাইনো কি চাকৰি কৰে?
বটু ঃ বাছৰ হেণ্ডিমেন।

# স্মৃতিৰ টুকুৰা ছবিৰে........

জীৱেন্দ্ৰমোহন দেৱশৰ্মা
গ্ৰন্থাগাৰিক

"মৃত্যুওটো এটা শিল্প,
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভি ভাস্কৰ্য্য।"

— হীৰেন ভট্টাচাৰ্য্য

যকৃতৰ এক কঠিন ৰোগত কিছুদিন আক্ৰান্ত হৈ ডাউন্ টাউন্ হস্পিতেলত চিকিৎসাধীন হৈ থাকি মৃত্যুক সাৱটি (২০ ডিচেম্বৰ, ২০১১) আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে বিদায় লোৱা প্ৰয়াত ৰূপজ্যোতি প্ৰসাদ দত্তলৈ প্ৰথমে অশ্ৰুশিক্ত শ্ৰদ্ধাঞ্জলি যাঁচিছো। প্ৰয়াত দত্তই খাৰুপেটীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ এজন দায়িত্বশীল সহকাৰী অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁ ১৯৯৮ চনত চাকৰিত যোগ দিয়াৰ পিছৰে পৰাই মোৰ সতে এক ব্যক্তিগত নিবিড়তম সম্পৰ্ক গঢ় লৈ উঠিছিল। বহুতো স্মৰণীয় কথাই পল-অনুপল মনৰ মাজত দোলা দি থাকে যদিও এই মহাবিদ্যালয় পৰিয়ালৰ এজন সক্ৰিয় আৰু নিষ্ঠাবান সদস্য আছিল বাবেই এই মহাবিদ্যালয় সম্পৃক্ত কিছু স্মৰণীয় কথা এই লেখাটোৰ জৰিয়তে ৰোমন্থন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

অনুজপ্ৰতীম ৰূপজ্যোতি মোৰ বন্ধু-ভাই সকলো আছিল। কিবা এটা ভাল লেখা পঢ়িলেও মোক ফোনযোগে জনাইছিল। ক'ৰবাত এটা ভালগান শুনিলেও মোক নকলে তেওঁৰ ভাল নালাগিছিল। নিজে লিখা কবিতা এটা প্ৰথমে মোক শুনাবই। ঘড়ীৰ সময়ৰ লগত কথা নাই। .... এবাৰ একেলগে গুৱাহাটীৰ পৰা কিবা কামত গৈ ঘূৰি আহোঁতে ৰাতি বহু দেৰী হ'ল। মোক মোৰ ঘৰত নমাই থৈ তেওঁ গাড়ী চলাই গৈ ঘৰ পাইছে ১২ বজাৰ পিছত। খাইবৈ মই শুইছো। এটা ফোন কল বাজি আছে। অনিচ্ছা স্বত্বেও টোপনিৰ পৰা উঠি গৈ ফোনটো ৰিচিভ কৰিছো। সিমূৰৰ পৰা বাজি উঠিল ৰূপজ্যোতিৰ কণ্ঠ —"জীৱেন দা শুইছিল নেকি? Sorry হাঁ! এটা কবিতা লিখিলো, শুনকচোন, ফোন নাকাটিব দেই! .....সেই দোভাগ ৰাতি মোক এটা সুন্দৰ কবিতা শুনাইছিল ৰূপজ্যোতিয়ে। ....আকৌ শুই থাকিলো। আকৌ ফোন কল। ঘড়ীটো চালো পুৱা ৪-৪৫ বাজিছে। "জীৱেন্ দা গুডমৰ্ণিং। উঠিলেনে নাই? কিমান শোৱেহে বাহিৰখনলৈ ওলাই আহকচোন, কিমান ভাল লাগিছে......" মই কেতিয়াবা বেয়া পাম, মোৰ অসুবিধা হ'ব- এই জাতীয় তেওঁৰ মনত মোক লৈ কোনো দ্বিধা নাছিল। এইজনেই ৰূপজ্যোতি।

আমি সকলোৱেই জানো ৰূপজ্যোতিৰ লগত এবাৰ সান্নিধ্যলৈ অহা যিকোনো মানুহৰেই তেওঁৰ সৈতে সম্পৰ্কটো কিমান আন্তৰিক, মধুৰ আৰু গভীৰ হৈ জীৱনলৈ শিপাব পাৰে!...... ৰূপজ্যোতিয়ে মানুহক ভাল পাইছিল। মানুহৰ বাবে কাম কৰি, মানুহক বিপদত সহায় কৰি আনন্দ পাইছিল। দুৰ্গতজনৰ অসহায় অৱস্থাই ৰূপজ্যোতিৰ অন্তৰ চুই গৈছিল। আৰু তেনে মানুহক যিকোনো ধৰণে সহায়ৰ হাত আগবঢ়াই বা লঘোনীয়াজনক এসাজ খুৱাই শান্তি লভিছিল। ঘৰৰ পুখুৰীৰ মাছ বা বাৰীৰ পাচলি নেমু আদি গাড়ীখনত ভৰাইলৈ বাটত লগ পোৱা বন্ধু বা আত্মীয়ক বিলাই ফুৰিছিল কেতিয়াবা। সাগৰৰ দৰে বহল আৰু গভীৰ আছিল তেওঁৰ মন। কোনোদিন সৰু সুৱা বা লঘু বিষয়ত বেছি সময় লাগি নাথাকিছিল। নিৰ্বোধ শিশুৰ দৰে অথচ আৱেগিক ৰূপজ্যোতিয়ে মানুহক সন্মান কৰিব জানিছিল। মানুহক আজলি ভৰাই দিব পৰা মন এটাৰ গৰাকী আছিল তেওঁ। সেইদৰে অকলেও খাব নোৱাৰিছিল। মুঠতে সকলোতে তেওঁ মানুহক কাষত বিচাৰিছিল। সকলো পৰিবেশত সুন্দৰভাৱে মিলি যাব পৰা ৰূপজ্যোতিয়ে কৃত্ৰিমতাক একেবাৰে পছন্দ কৰা নাছিল। কৃত্ৰিম মনৰ মানুহৰ লগত তেওঁৰ সম্পৰ্কও নৰজিছিল।

আমাৰ মাহবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষক হিচাপে তেওঁ জনপ্ৰিয় আছিল। শিক্ষকতাৰ লগতে তেওঁ ছাত্ৰক অভিভাৱকৰ দৰে আৰু বন্ধুসুলভ মমতাৰে ব্যৱহাৰ কৰিছিল। বহুতো দুখীয়া ছাত্ৰক তেওঁ কিতাপৰ উপৰিও আৰ্থিকভাৱেও সহায় কৰিছিল। আকৌ বহু ছাত্ৰক নিজৰ নামত লৈ গ্ৰন্থাগাৰৰ পৰা কিতাপ দিছিল। তেওঁৰ দেহাৱসানৰ পিছত বহুতো ছাত্ৰই সেই কিতাপ ঘূৰাই দি কান্দি কান্দি



"ৰূপজ্যোতি ছাৰে আমাক তেখেতৰ নামত লৈ আমাক পঢ়িব দিছিল।" বুলি কৈছিল। অকল সেয়াই নহয়, পঢ়াশুনাৰ উপৰিও ছাত্ৰ-ছাত্ৰীক গান-বাজনা, নাটক, শৰীৰ-চৰ্চ্চা, বিভিন্ন খেল ধেমালি আদি ক্ষেত্ৰত আগভাগ লবলৈ অনুপ্ৰেৰণা দিছিল।

শিক্ষক-কৰ্মচাৰী সকলোৰে লগতেই ৰূপজ্যোতিৰ এক সৌহাদ্যপূৰ্ণ সু-সম্পৰ্ক আছিল। সদা ৰসিক মানুহজনৰ উপস্থিতিত আড্ডা জমি উঠিছিল। আমাৰ মহাবিদ্যালয়ৰ বিভাগীয় কোঠা (Departmental Room) বোৰত য'তেই ৰূপজ্যোতি সোমাইছে ত'তেই এক হাঁহিৰ ৰহঘৰাৰ সৃষ্টি হৈছিল, বিমল হাঁহি আনন্দৰ এক ক্ষণিক জোৱাৰৰ সৃষ্টি কৰিছিল তেওঁ। যিবোৰ অঙ্গী-ভঙ্গীৰে তেওঁ বিষয় এটাৰ উপস্থাপন কৰিছিল তাতেই সকলো হাঁহিত আত্মহাৰা হৈ পৰিছিল। ৰূপজ্যোতিৰ অনুপস্থিতি এতিয়া প্ৰায়েই অনুভৱ হয় এই ক্ষেত্ৰত।...

সদা স্পষ্টবাদী ৰূপজ্যোতিয়ে প্ৰয়েজনত যিবোৰ মত দিছিল সি কাৰোবাৰ ব্যক্তিগত স্বাৰ্থক আঘাত কৰিলেও তাক গুৰত্ব দিয়া নাছিল। সমূহীয়া স্বাৰ্থৰ বিপৰীতে তেওঁ কোনো দিন আপোচ কৰা নাছিল। তেওঁ সাহসী আছিল আৰু আছিল পৰোপকাৰী। সেয়ে হয়তো আমাৰ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী দুই এজনৰ চাকৰি হোৱাৰ ক্ষেত্ৰতো নিজে দেহেকেহে খাতিছিল।

মহাবিদ্যালয়ত পাঠ্যক্ৰমমুখী কেৱল নিজৰ দায়িত্বখিনিৰ ওপৰিও সৰ্বতোমুখী ছাত্ৰ কল্যাণৰ বাবে, বিশেষকৈ তেওঁ সাংস্কৃতিক বিভাগৰ কাৰ্য্যসূচীসমূহত লাগি গৈছিল ব্যস্ততাৰে। ইং ২০০২-২০০৩ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়েও অংশগ্ৰহণ কৰিছিল নাটক, মুকাভিনয় আৰু ৰবীন্দ্ৰ সংগীতত। এই বিষয়ত ৰূপজ্যোতিক মোৰ সোঁহাত স্বৰূপে পাইছিলো। ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা নাটকৰ চৰিত্ৰ বাচনিৰ পৰা নাটকৰ পাণ্ডুলিপি বিচৰালৈকে, আকৌ নাটকৰ প্ৰশিক্ষক নিযুক্তিৰ পৰা (এতিয়াৰ News Live ৰ Cultural Director মঙ্গলদৈৰ শ্ৰীযুত জয়ন্ত ডেকাক দায়িত্ব দিয়া হৈছিল) নাটকৰ সংলাপৰ শুদ্ধ পৰিবেশনলৈকে সকলো দিশ চোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। তিনিমাহ আগৰ পৰা কৰা অহোপুৰুষাৰ্থৰ আমি ফল পালো। শ্ৰেষ্ঠ নাট আৰু আৰু শ্ৰেষ্ঠ অভিনেতাৰ বাবে দুটা সোণৰ পদকৰ সন্মান। তত্বাৱধায়কৰ দায়িত্বত মই, ৰূপজ্যোতি আৰু শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক আমজাদ হুছেইন মজুমদাৰ। আমি তিনিওজনে ছাত্ৰ সকলৰ লগত নাটকৰ ফলাফল পাই কিযে আনন্দত আত্মহাৰা হৈ চকুলো মচিছিলো — সেই স্মৃতি সদায় সজীৱ হৈ থাকিব।

২০০৪ চনৰ বিগত NAAC ৰ দ্বাৰা আমাৰ মহাবিদ্যালয়খন পৰিদৰ্শনৰ বাবে মহাবিদ্যালয়ত যি যুদ্ধ সদৃশ কামৰ ব্যস্ততা, সেইখিনি সময়ত আমাৰ পুথিভঁড়ালত কিতাপৰ কামকে ধৰি বিভিন্ন তথ্যৰ প্ৰস্তুতিৰ লগতে পুথিভঁড়ালটো সজোৱাৰ ক্ষেত্ৰত ৰূপজ্যোতিয়ে নিজৰ বিভাগৰ কাম সামৰি উঠি দৈনিক পুথিভঁড়াললৈ আহি একেৰাহে কিতাপৰ লিখা কাম কৰিছিল। কেতিয়াবা ৭ মান বাজি যায় - মম জ্বলাই লৈ কাম কৰিছিলো। মাজে মাজে বিভিন্ন প্ৰসংগৰ আলোচনা আদি হৈছিল। কৌতুকৰ পৰা ৰাজনীতিলৈ, সংগীতৰ পৰা বনভোজলৈ আৰু যে কিমান! তেওঁৰ দৰদী আৰু সুৰীয়া কণ্ঠেৰে কামৰ মাজে মাজে গুণগুণাই ছিল অথচ চিৰিয়াচ্‌লি কোনোদিনে গোৱা নাছিল।

NAAC Peer Team ক উদ্দেশ্যি আমি যি আদৰণিসূচক সংগীত অনুষ্ঠান পৰিবেশন কৰিছিলো (৮ নং হলঘৰত) সেইদিনা ৰূপজ্যোতিয়ে সুন্দৰ তবলা সংগীত কৰিছিল। আকৌ নাকৰ উক্ত বিশেষজ্ঞ দলটোৰ পৰিদৰ্শনৰ অন্তত বিদায়ৰ মুহূৰ্ত্তত আমাৰ পৰিচালনাত মহাবিদ্যালয়ৰ মাজৰ পৰা মহাবিদ্যালয়ৰ মূল তোৰণ পৰ্য্যন্ত পথৰ দুয়োকাষে ছাত্ৰ-ছাত্ৰীক শাৰী শাৰীকৈ থিয় কৰাই শিক্ষক, ছাত্ৰ-ছাত্ৰী সমন্বিতে "We shall overcome" গীতটো ইংৰাজী, হিন্দী আৰু অসমীয়া এই তিনিওটা ভাষাত সুন্দৰকৈ পৰিবেশন কৰা হৈছিল। দুখন মূলগীতাৰ ৰূপজ্যোতি আৰু মই ডিঙিত আঁৰি লৈ বজাই বজাই গাইছিলো ইফালে সিফালে সকলোৰে মাজত ঘূৰি ফুৰি। এসপ্তাহ আগৰ পৰা ছাত্ৰ-ছাত্ৰীক ফিল্ডত গোট খুৱাই গীতটো শিকোৱাকে ধৰি ১২ জন ছাত্ৰক সেইদৰে গীতটোৰ লগত সংগত কৰিব পৰাকৈ গীতাৰৰ 'Chord' আৰু 'Rhythm' শিকাই সেইদিনাৰ উক্ত বিদায় সংগীতটোত একেলগে বজাবলৈ দিয়া হৈছিল আমাৰ লগত। প্ৰায় পাঁচশ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী সমন্বিতে গোটেই কলেজ চৌহদত গীতাৰৰ মিঠা ঝংকাৰৰ সৈতে একেলগে বাজি উঠিছিল উক্ত গীতটো। মুখৰিত গীতটোৰে এনে এটা আন্তৰিক

আৰু গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি কৰিছিল যে উক্ত গীতটোৰ পৰিবেশনাটোক শ্ৰদ্ধা জনাই উক্ত পীয়েৰ টীমৰ সদস্যসকল গাড়ীৰে নগৈ কলেজ গেটলৈ আমাৰ লগে লগে খোজকাঢ়ি গৈছিল আৰু গাড়ীত উঠাৰ সময়ত পীয়েৰ টিমৰ মহাৰাষ্ট্ৰীয়ান ‘মেডাম’জনীয়ে "If I could have sung, I would have joined with you." বুলি কৈ আৱেগত চকুলো মচা দৃশ্য আৰু আমাক কৰা প্ৰশংসাৰ কথা চিৰস্মৰণীয় হৈ ৰ’ব। এই কৃতিত্ব যে আমি ৰূপজ্যোতিৰ অহোপুৰুষাৰ্থৰ বাবেই পাইছিলো সি অনস্বীকাৰ্য্য। মনত পৰে, NAACৰ পীয়েৰ টীমৰ সদস্যসকলক পৰিদৰ্শনৰ অন্তত গুৱাহাটীত শেষ বিদায় জনোৱাৰ দায়িত্ব ভূগোল বিভাগৰ শিক্ষক ডঃ কালিদাস শৰ্মা, ৰূপজ্যোতি আৰু মোৰ ওপৰত পৰিছিল। ৰূপজ্যোতিৰ ৰসিকতাত উক্ত পীয়েৰ টীমৰ মহামান্য ব্যক্তি কেইজনে আপ্লুত হৈ প্ৰশংসাসূচক কৰমৰ্দন কৰি গৈছিল।

.... লাইব্ৰেৰীত ৰূপজ্যোতিয়ে কাম কৰা দিন কেইটাত আমাৰ মাজত সংগীত আৰু বৰ্ত্তমানৰ কবিতা বিষয়ক বিভিন্ন কথা আলোচনা হৈছিল। তাৰ মাজতে এদিন মোক গান এটা দি (গীতৰ কথা) কৈছিল —“জীৱেন দা, এইটো সুৰ কৰিব পাৰি নেকি চাবচোন!” সেইটো কোনে লিখা সোধাত- “কোনে লিখিছে বাদ দিয়ক, ভাল লাগে যদি সুৰ কৰিব” বুলি চমু উত্তৰ এটা দি থৈছিল। পিছত সুৰটো এদিন শুনোৱাত গীতটো তেওঁৰ যে লিখা হয় তাক প্ৰকাশ কৰিছিল। গীতটোৰ কথাখিনি এনেকুৱা

“ফাগুণ তুমি অভিসাৰিণী
যৌৱন ৰঙা মনৰ মালিনী
তুমিয়েই তুলিলা হৃদয় বীণাত
কামনাৰ মধু ৰাগিনী”.....

পিছত এদিন আকৌ এটা গীতৰ কথা দিলে —

“আজি কাকেনো সুঁৱৰি
এই ফুল বছা
কোৱা মনোৰমা কোৱা
আজি কিয় জানো এই গীত গোৱা
কোৱা মনোৰমা কোৱা”.........

উপৰোক্ত দুয়োটা গীতেই সুৰ কৰি বিভিন্ন অনুষ্ঠানত পৰিবেশনো কৰিছো। শ্ৰোতাই ভালপোৱা বুলি যথেষ্ট সঁহাৰিও দিছে। ৰূপজ্যোতি হঠাৎ আহি মাজতে মোৰ ঘৰত সোমাই “মোৰ গান দুটা এবাৰ শুনি যাওঁ বুলি সোমালো। বেয়া নাপায় যদি এবাৰ গাব নেকি?...... গীত দুটি শুনি কেনেকুৱা লাগিল একো মুখেৰে নকয় বহু সময় মৌন হৈ মাথো চকুলো মচি ফেঁকুৰি উঠে। আমি দুয়ো এনে মুহূৰ্তবোৰত বৰ আৱেগিক হৈ পৰিছিলো আৰু এনেকুৱা বহুমুহূৰ্ত মই তেওঁৰ লগত পাৰ কৰিছো। আনকি বহু ৰাতি এই বোৰেই আলচি আমাৰ নোশোৱাকৈয়ে ৰাতি পুৱাই দিয়া কাহিনীও আছে সজীৱ সোঁৱৰণী হৈ। মাৰ্জিত ৰুচিবোধ সম্পন্ন ৰূপজ্যোতিৰ সংগীতৰ বাচনীও চমৎকাৰ। গভীৰ অৰ্থবহ অথচ অন্তস্পৰ্শী সুৰৰ আবেদন থকা দৰদী গীতবোৰ তেওঁ ভাল পাইছিল। অসমৰ ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, পুলক বেনাৰ্জী, বীৰেণ ভট্টাচাৰ্য্য, জ্যোতিষ ভট্টাচাৰ্য্য, দলি ঘোষ, মন্দিৰা লাহিৰী, শান্তা উজীৰ আদিৰ দৰদী গীতবোৰ ভাল পাইছিল। বাংলা গায়কৰ ভিতৰত ৰাগপ্ৰধান গীতত অজয় চক্ৰৱৰ্তী, শ্ৰেয়া ঘোষাল, সুভমিতা বেনাৰ্জী আকৌ আধুনিক সংগীতৰ ক্ষেত্ৰত সলিল চৌধুৰী, হেমন্ত মুখোপাধ্যায়, সুমন চেতাৰ্জী, নচিকেতা আদিৰ জীৱনমুখী গীতবোৰ ভাল পাইছিল। পশ্চিমীয়া গায়ক বব্ মাৰ্লীৰ গানৰ বিশেষকৈ Imagine, No woman No cry, Buffallo Soldier, Bittlesৰ Hotel California, Brayn Adamsৰ Summer of 69 আদি বিখ্যাত গীতবোৰ প্ৰায়েই তেওঁৰ মুখত শুনিছিলো। শোষিত দাসসকলৰ শোষণ বঞ্চনাৰ অন্ত পেলাই তেওঁলোকক জগাই তোলাৰ বাবে ববমাৰ্লীয়ে গোৱা গীতৰ মাজৰ কেইশাৰীমান কথা ৰূপজ্যোতিয়ে প্ৰায়েই আওৰাইছিল—

"You can make fool people
for sometime
But you cann't make fool
all the people all the
time....
Now see the light, Don't
give up the fight
get up, stand up, sand up
for your Right."

অন্ত:সাৰশূণ্য আজিকালিৰ Electronic বাদ্যৰ কোলাহলপূৰ্ণ সংগীত তেওঁ মুঠেই পছন্দ কৰা নাছিল। “কথা/ সুৰৰ কোনো আবেদন য’ত নাই সেয়া সুস্থ সংগীত হ’ব নোৱাৰে কেতিয়াও..... আৰু আজিকালিৰ Re-mix গানে প্ৰয়াত সেই স্বনামধন্য শিল্পীসকলৰ আকৌ এবাৰ মৃত্যু মাতি আনে” — এয়া ৰূপজ্যোতিৰ সচেতন এক সু-সংস্কৃত মনৰ পৰিচায়ক অভিব্যক্তি। তেওঁ আৰু কৈছিল— “মানুহৰ মানসিক খাদ্য বা পথ্যৰ



ভিতৰত ৰুচিবান সংগীত হৈছে অন্যতম।”

... শ্ৰোতাৰ গাত দোষ নাই। মানুহে এতিয়া সুখাদ্যৰ অভাৱত অখাদ্য খাবলৈ আৰম্ভ কৰিছে। এই দোষ সামাজিক বা সাংস্কৃতিক ক্ষেত্ৰখনত কোনো দায়বদ্ধতা নথকা আজিকালিৰ তৰল মনৰ একাংশ শিল্পীৰ....মানুহৰ ৰুচিবোধটো বৰ দৰকাৰি বস্তু...।” অন্যায় অবিচাৰৰ বিৰুদ্ধে তেওঁ সদায় প্ৰতিবাদমুখৰ আছিল, সেই প্ৰতিবাদৰ কণ্ঠস্বৰ আৰু ভাষা আছিল স্পষ্ট।

খেল, সংগীত আদি বিষয়বোৰৰ দৰে তেওঁ কবিতা ভাল পাইছিল। নিজেও লিখিছিল আৰু আনৰ কবিতাও পঢ়ি সোৱাদ লৈছিল। হীৰেন ভট্টাচাৰ্য্য দেৱৰ কবিতাৰ পংক্তিবোৰ প্ৰায়েই আওৰাইছিল —

“মমডাল এনেদৰে গলি যোৱা দেখিলে
বৰ দুখ লাগে....”
“হাতৰ মুঠিতেই ভাল, মেলি দিলেই
উৰি যায়
স্মৃতিৰ ৰঙীণ ৰুমাল” ইত্যাদি

বাংলা কবি সুকান্তৰ কবিতাৰ ভিতৰত “আমি সুধু একটা দিয়াচলাই কাঠি” শীৰ্ষক কবিতাৰ শাৰীটো প্ৰায়ে আওৰাই ছিল। জ্যোতিপ্ৰসাদৰ “অসমীয়া ডেকাৰ উক্তি” অথবা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ “বিষ্ণুৰাভা এতিয়া কিমান ৰাতি” কবিতাটি তেওঁৰ প্ৰিয় আছিল। ৰূপজ্যোতিয়ে এটা স্বৰচিত কবিতা প্ৰায়েই গাইছিল, মোৰ লগত পাৰ কৰা নিবিড় মুহূৰ্তবোৰত —

“এতিয়া হঠাৎ যে মুখামুখি
পিছে বহিবা ক’ত?
নিকটিন লাগি ক’লাপৰা
কলিজাটোতে খন্তেক বহা।
মাথোঁ নিস্তব্ধতাক আমনি নকৰিবা।
কাণপাতি শুনা,
মোৰ বুকুৰ ভিতৰত আজিও বয়
মোৰ শৈশৱ, কৈশোৰ যৌৱনৰ
সুখাজানি নৈ।”

বেছিমাৰীৰ হৰমুজ আলী ৰূপজ্যোতিৰ বন্ধু। ব্যৱসায়-খেতিবাতি কৰে। তেওঁ পিছতগৈ মোৰো বন্ধু হ’ল। এই হৰমুজৰ জীৱনটোক ৰূপজ্যোতিয়ে এটা কবিতাৰে প্ৰকাশ কৰিছিল। মোৰেই দুৰ্ভাগ্য গোটেই কবিতাটি মনত নাই। মাথোঁ তাৰে দুশাৰীমান এনেধৰণৰ —

“বেছিমাৰীৰ হৰমুজ আলীয়ে
তৰমুজৰ বেপাৰ কৰে...
...কেতিয়াবা হাতত উঠি
কেতিয়াবা হাতীত উঠি
পাৰ হ’ব খোজে সি
ভোকৰ বৈতৰণী....”

ৰূপজ্যোতিয়ে সুন্দৰ অভিনয়ো কৰিছিল। কাৰণ তেওঁৰ খুৰাক, স্বনামধন্য নাট্যকাৰ, অভিনেতা, গীতিকাৰ শ্ৰীযুত হেমন্ত দত্ত দেৱৰ নাট্যকৰ্মৰ দ্বাৰা প্ৰভাৱিত হৈছিল হয়তো। দিল্লী দূৰদৰ্শনৰ পৰা সম্প্ৰচাৰিত হৈ যোৱা আইভান টুৰ্গেনিভৰ ‘মম’ত (হিন্দী ৰূপান্তৰ) ‘গংগা’ নামৰ প্ৰধান চৰিত্ৰটোত কৰা সাৱলিল অভিনয়ৰে ৰূপজ্যোতিয়ে যি নিদৰ্শন ৰাখি গৈছে সি অতুলনীয়।

সংগীতক তেওঁ খুব ভাল পাইছিল। সুন্দৰকৈ তবলা, ঢোলক, আদি বজোৱা ৰূপজ্যোতিয়ে মেণ্ডোলিনত সুৰৰ মায়াজাল সৃষ্টি কৰিছিল। অসমৰ প্ৰখ্যাত মেণ্ডোলিন বাদক প্ৰয়াত গোপাল বড়ো দেৱৰ ওচৰত তেওঁ কিছুদিন মেণ্ডোলিনৰ তালিম লৈছিল। অন্তৰ্মুখী (Introvert) ভাৱৰ আছিল বাবেই তেওঁ প্ৰচাৰ বেয়া পাইছিল যাৰ বাবে তেওঁ কবিতা বা গান এটা তেওঁৰ দ্বাৰা লিখা কথাটো আনক জনোৱাৰ পৰা বিৰত আছিল। তেওঁ কাৰো প্ৰশংসা নিবিচাৰি নিৰৱে কৰি গৈছিল সুন্দৰৰ সাধনা।

কিতাপ পঢ়াতো তেওঁৰ ভ্ৰমণৰ দৰেই প্ৰিয় বিষয় আছিল। তেওঁ পঢ়ি ভালপোৱা কিতাপবোৰ পঢ়াৰ বাবে আনকো উদগনি দিছিল। সেইদৰে তেওঁ সমৰ কলা (Martial Art)ৰ বিভিন্ন বিভাগ যেনে টাইকোৱান্দো, কংফু আদিতো পাৰদৰ্শিতা দেখুৱাইছিল। ক্ৰিকেট, ফুটবল, বেড্‌মিন্টন আদি খেলত তেওঁ সিদ্ধহস্ত আছিল। বৰযুগত তিতি ফুটবল খেলা তেওঁৰ একধৰণৰ চখ আছিল। খেলাধূলা আদি ক্ষেত্ৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁ বিভিন্নধৰণে উৎসাহিত কৰিছিল।

যদি কোনোবা এজন চিনাকী বা বন্ধু চিকিৎসাধীন হৈ থকাৰ কথা ৰূপজ্যোতিয়ে গম পায় তেন্তে তেওঁ যিকোনো উপায়ে গৈ হস্পিতেল ওলাবই। আকাশবাণীৰ সু গায়ক, তেজপুৰৰ প্ৰয়াত দিলীপ চৌধুৰী চিকিৎসাধীন হৈ থকা অৱস্থাত ৰূপজ্যোতিয়ে তেওঁৰ খবৰ কৰি পাঁচহাজাৰ টকা আৰোগ্যৰ বাবে আগবঢ়াইছিল। সেইদৰে অসমৰ প্ৰথিতযশা সাহিত্যিক প্ৰয়াত ডঃ নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউৰো চিকিৎসালয়লৈ গৈ বা-বাতৰি লৈ আহিছিল। আনৰ উপকাৰৰ বাবেই যেন ৰূপজ্যোতি আহিছিল - ভাবিলে এনে লাগে।

ৰূপজ্যোতিৰ উৎসাহতেই আমাৰ মহাবিদ্যালয়ৰ পৰা এক প্ৰীতি বনভোজৰ আয়োজন হৈছিল দুই-

তিনিবাৰ। মুঠতে ৰূপজ্যোতি এক বহুমুখী প্ৰতিভাৰ আকৰ আছিল। ইমান ব্যস্ত, ইমান আশা মনৰ, ইমান কল্পনা — জীৱনটো সুন্দৰকৈ উপভোগ কৰাৰ কি দুৰ্বাৰ বাসনা আছিল।

আজিৰ বস্তুবাদী মানুহৰ সস্তীয়া ঢঙৰ বিপৰীতে তেওঁ এক নিৰ্মোহ আৰু সাধাৰণ জীৱন ভাল পাইছিল। ৰাজকীয়তাৰ পৰিবৰ্তে এক আড়ম্বৰ বিহীন সাধাৰণ আয়োজন পছন্দ কৰিছিল সকলো ক্ষেত্ৰতে। সেইবাবেই হয়তো তেওঁক লৈ কোনোবা অহেতুক ব্যস্ত হ'লে বৰ ইত:স্তত: বোধ কৰিছিল।

ৰূপজ্যোতিৰ বন্ধুৰ অভাৱ নাছিল। দেশ-বিদেশৰ বাহিৰেও পাহাৰ-ভৈয়াম সকলোতে তেওঁৰ বিভিন্ন ধৰণৰ সংযোগ আছিল মানুহৰ লগত। জাতি-ভাষা-ধৰ্মৰ বিভিন্ন দৃষ্টিকোণৰ পৰা চালে এনে লাগে যেন ৰূপজ্যোতিয়ে এক সমন্বয়কৰ দৰে কাম কৰি গৈছিল সমাজত। .... কোনোবা এটা ঘটনাক উপৰুৱাকৈ কোনোদিন তেওঁ পৰ্য্যবেক্ষণ কৰা নাই। যিকোনো এখন ঠাইৰ মানুহক লগ পালে সেই ঠাইৰ ইতিহাস বা বুৰঞ্জী প্ৰসিদ্ধ ঘটনাৰ ইতিবৃত্ত জনাৰ ক্ষেত্ৰত তেওঁৰ আছিল এক প্ৰৱল কৌতুহলী মন। এবাৰ মনত আছে, আমি Refresher Course কৰিবলৈ দুয়ো বৰ্দ্ধমান বিশ্ববিদ্যালয়লৈ গৈছিলো আৰু তাতে নাইজেৰিয়ান গৱেষক পণ্ডিত এজনক লগ পালো। আমাৰ Guest Houseতে তেখেতো আছিল। ৰূপজ্যোতিৰ উৎসাহতেই তেখেতৰ লগত চিনাকী হ'লো। কিবা গৱেষণাৰ কামত আহিছে। চিনাকীৰ প্ৰথম পৰ্বৰ আলোচনাতে সেই দেশৰ মূল জনগাঁঠনি সম্পৰ্কে, সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক ইত্যাদি বিভিন্ন প্ৰসংগ, প্ৰব্ৰজন, উগ্ৰবাদ আদি বিভিন্ন ঐতিহাসিক বিষয়ৰ অৱতাৰণাৰে ৰূপজ্যোতিয়ে মানুহজনক এনেদৰে মোহিত কৰিলে যে তাৰ পিছৰ পৰা প্ৰায়ে তেখেতে ৰূপজ্যোতিৰ লগত সন্মূখৰ ঘাঁহনিত বহি আড্ডাত মিলিত হৈছিল। মানুহক আপোন কৰাৰ এক যাদু আছিল ৰূপজ্যোতিৰ কথা আৰু তেওঁৰ ব্যৱহাৰত। সৰু সৰু মানুহবোৰৰ লগত তেওঁৰ অকৃত্ৰিম ভালপোৱাৰ নিভাজ সম্পৰ্ক আছিল।

পুণে বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত অসমৰ ছাত্ৰ-ছাত্ৰীসকলে মিলি ASAPIAN নামৰ এখন পত্ৰিকা উলিয়াইছিল। তাত ৰূপজ্যোতিয়ে সমসাময়ীক কেতবোৰ বিষয়লৈ লিখা লিখনিত প্ৰগতিবাদী মনৰ পৰিচয় দিছিল। অত্যন্ত সংবেদনশীল (Sensitive) মনৰ ৰূপজ্যোতিৰ প্ৰবল আত্মসন্মানবোধ আছিল। কথা-চিন্তা আৰু প্ৰাত্যহিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে তেওঁৰ মাৰ্জিত ৰুচিবোধ এটা প্ৰকাশ পাইছিল। গছ-ফুল-জীৱজন্তুৰ প্ৰতি তেওঁৰ আছিল অপৰিসীম ভালপোৱা। বিভিন্ন প্ৰজাতিৰ কুকুৰ, শহা, ছাগলী, মইনা, ভাটৌ, কুকুৰা চৰাই, হাঁহ-পাৰ আদিৰে ঘৰখন ভৰাই ৰাখিছিল। সেইবোৰৰ মাত-কথা মৰমৰ মাজতেই ৰূপজ্যোতি জীয়াই আছিল প্ৰকৃতিৰ সতে। মানুহটোও সেইদৰেই অকৃত্ৰিম আৰু সহজ সৰল আছিল। ৰূপজ্যোতিৰ এটা শিশু সুলভ স্বভাৱ আছিল আৰু সিয়েই তেওঁৰ যেন বিশেষত্ব ৰূপে প্ৰকাশ পাইছিল।

অতি ব্যস্ততাভৰা চঞ্চলতা এটা অনবৰতে ছাঁৰ দৰে লাগি আছিল তেওঁৰ সতে। কোনো এটা নিৰস বিষয়ত তেওঁ বেছি সময় একেৰাহে লাগি থাকিব নোৱাৰিছিল। সকলোতে ৰূপজ্যোতিয়ে Conclusion টো খুব সোনকালে বিচাৰিছিল। তেওঁ ধেমালী কৰি কৈছিল — " মোৰ নাম R.P Dutta আৰু R.P Dutta ৰ Full Form টো কি জানে? - "Restless, Patienceless Dutta" আকৌ এবাৰ সেই পৰিবেশটো হাঁহিৰে মুখৰ হৈ উঠিছিল.....।

তেওঁ হয়তো আগতীয়াকৈ জানিছিল তেওঁ যে বৰ বেছিদিন জীয়াই নাথাকে। হয়তো জানিছিল তেওঁৰ জীৱন ঘড়ীৰ কাটা কেতিয়া থমকি ৰ'ব! সঁচাকৈয়ে ৰূপজ্যোতিৰ ৰ'বৰ সময় নাই। অতি ব্যস্ত তেওঁ। যাৰ গতি ধুমুহাৰ দৰে ত্বৰিৎ। এক নিৰ্বাক শ্বাশ্বত ধৈৰ্য্যহীন ব্যস্ততাৰ ধামখুমীয়াত এক আধৰুৱা, অপূৰ্ণ স্বপ্নেৰে মোহাবিষ্ট কৰি চিৰদিনৰ বাবে আমাক কন্দুৱাই ৰূপজ্যোতি গুছি গ'ল গৈ অজান কোনো দেশলৈ .......

"যোৱাৰ পৰত সৰা শেৱালি বুটলি  
কি হ'ব কোৱা  
নাই যে সময় উভতি চোৱাৰ  
এতিয়া বিদায় দিয়া......."

তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

****



# কবিতাৰ শৰাই —



## তুমি

মিছ ঃ আৰিফা আখতাৰ
উঃ মাঃ ২ য় বৰ্ষ

শব্দৰে বুজাব নোৱাৰো  
তুমি এটা টান অঙ্ক  
মই সমাধান কৰিব বিচাৰো  
সৰল সমীকৰণৰ মাজেৰে।  
বহুদিন, বহুবাৰ  
তোমাক মই পূৰণ কৰিছোঁ  
মোৰ সমস্ত সূত্ৰৰে  
তুমি হৰণ নোযোৱা  
এটা জটিল অস্তিত্ব।  
তুমি সচাঁই এটা অঙ্কৰ দৰে  
যোগ-বিয়োগ অথবা পূৰণ-হৰণ  
কোন সূত্ৰৰ অঙ্ক তুমি?  
মই যে ধৰিব নোৱাৰো  
সমাধানৰ বাবে।

****

# ভাইৰাছ

আশ্ৰাফুল আলম চৌধুৰী
স্নাতক ১ ম বৰ্ষ

দুৰ্গন্ধই আৱৰি ৰখা মনৰ কোঠালীত
নেদেখা অচিন ভাইৰাছ,
সঘন অস্থিৰ অন্তৰত
বিষাক্ত হয় য'ত দেহ-মন
মাতিম বুলিও য'ত মাতিব নোৱাৰি,
ভাল পাওঁ যদিও য'ত ক'ব নোৱাৰি মনৰ ব্যথা
আৰু হাঁহিব খুজিও য'ত হাঁহিব নোৱাৰি।
চকুৰ আগত য'ত ভালপোৱাৰ কথা ক'ব
নোৱাৰি।
দুখ আৰু বিষাদে এন্ধাৰ কৰা
আমাৰ মন-প্ৰাণবোৰ
কলা শত্ৰু হৈ বেঢ়ি ধৰিছে
হিয়াৰ ফাঁকে ফাঁকে বিষাক্ত ভাৱনা।

****

# যি তোমাক নুবুজে

মিছ উম্মোহানী বেগম
স্নাতক ১ ম বৰ্ষ

যি তোমাক নুবুজে
তেওঁক যাবলৈ দিয়া এইখন পৃথিৱীৰ পৰা।
যি তোমাৰ বিশ্বাসক
লুণ্ঠিত কৰি
বিতত কৰি তুলিছে
তোমাৰ দৈনন্দিন সময়।
তেওঁক লৈ ব্যস্ত নহ'বা,
কিয়নো
তোমাৰ বুকুৰ অৰণ্যলৈ তেওঁ আহে
কেৱল গুচি যোৱাৰ বাবেহে।

****

# তুমি অবিহনে

(প্ৰয়াত ৰূপজ্যোতি প্ৰসাদ দত্ত ছাৰৰ সোঁৱৰণত)

শ্বেখ আশ্ৰাফুল নাহাৰ
স্নাতক ৩ য় বৰ্ষ

লহপহকৈ ফুলিছিলা তুমি
এপাহ পদুমৰ দৰে
জীৱনবোধৰ সৰল ব্যঞ্জনাৰে
সকলোৰে হৈ পৰিছিলা হিয়াৰ আমঠু!
তোমাৰ সেউজ কবিতাৰে
আৰু গীতাৰ তবলাৰ ঝংকাৰেৰে
মোহিত কৰিলা সুৰৰ মূৰ্চনাৰে
তোমাৰ ক'তযে প্ৰিয়জনক!
ক'তযে প্ৰয়াস আছিল জীৱনটোক
সুন্দৰ সাৱলীলভাৱে সজাবলৈ
আৰু যে ক'তজনৰ ভাগি পৰা সত্বাক
জীপাল কৰি তুলিলা।
তোমাৰ অমৰ প্ৰেৰণাৰে
আৰু দি গ'লা ক'তজনক
জীয়াই থকাৰ তীব্ৰ বাসনা!!
তোমাৰ অবৰ্ত্তমানত কিবাযেন উকা হৈ ৰ'ল
সখীয়তিয়ে যেন মতা নাই
বিহু ঢোল যেন বজা নাই
কিবা যেন অনুজ্জ্বল আবেলিৰ ৰান্ধনী ৰ'দ
ময়ো কেৱল শূণ্য
তুমি অবিহনে।

****



কবিতা —

# বন্ধুৰ অকাল মৃত্যু

ওমৰ আলী
স্নাতক ১ ম বৰ্ষ

পূৰ্ণিমাৰ জোনটি যেন হৈ
আহিছিলা তুমি এই পৃথিৱীলৈ,
বুকুত বহু আশা বান্ধি
আহিছিলা তুমি আমাৰ মাজলৈ।
সকলোৰে লগত তুমি
আছিলা মিলিজুলি,
সেয়েহে সকলোৱে আজি
তোমাৰ গুণ গাই কান্দিছে উচুপি।
একেলগে পাতিছিলো
বহু মনৰ কথা,
হাঁহি ধেমালিৰে কটাইছিলো
তুমি থকা দিনকেইটা।
তোমাৰ সেই মিচিকিয়া হাঁহিটি
সদায় থাকিব মোৰ মনত,
তুমি যে এনেকৈ অকালতে গুচি যাবা
ভবা নাছিলো মই কেতিয়াও সপোনত।
জন্মিলে যে মানুহ মৰিব লাগে
সকলোৱে জানে,
কিন্তু তোমাৰ এই অকাল মৃত্যু
কোনেও সহিব নোৱাৰে।
সেয়েহে ভগৱানক মই
কৰিছো মিনতি,
তুমি য'তেই নাথাকা কিয়?
তাতেই থাকা যেন চিৰশান্তিত।।



# উপলব্ধি

নুৰনেহাৰ বেগম
স্নাতক ১ ম বৰ্ষ

মনত আছে মোৰ
সেই নিৰন্ন ৰজনীৰ কথা
শৰতৰ শেৱালী ফুলা বতৰত
সংগোপনে তুমি আহিছিলা
মোৰ বুকুৰ মাজলৈ
তোমাৰ ওঁঠৰ অমিয়া হাঁহিত
গোপনে গাইছিল হৃদয়ে।
তুমি কথা দিছিলা!
আজীৱন মোৰ হোৱাৰ,
তলভৰা শুকুলা শেৱালীৰ ওপৰত
তুমিয়েই দিছিলা মোক
জীৱনৰ প্ৰথম প্ৰেমৰ
উত্ৰাৱল প্ৰণয়পাশ উন্মেষ।
সেইদিনা নদীৰ স্বচ্ছ বুকুত
শান্ত হৈ শুই আছিল
পূৰ্ণিমা ৰাতিৰ গাভৰু জোন
তোমাৰ মিথ্যা প্ৰতিশ্ৰুতিৰ
নীৰৱ সাক্ষী হৈ।

****

# জীৱনৰ সিপাৰে

অবিৰ আলী
কৰ্মচাৰী, ৪ৰ্থ বৰ্গ

অ' মোৰ জীৱন!!
তুমি কিমান দিন বাৰু থাকিবা মোৰ হৈ
এদিন মোৰ এই দেহা এৰি
গুছি যাবা অশৰীৰি হৈ
কোনো অজান দেশলৈ
মোৰ এই মাটিৰ দেহাই
ক'ত আশাৰে ক'ত মোহেৰে
তোমাক ধাৰণ কৰি ৰাখিছে প্ৰতি মুহূৰ্ত্ত
মোৰ পাৰ্থিৱ অৱস্থিতিয়ে
স্মৃতি হেৰুৱাই উৰি যাব ভুৰুংকৈ
অপাৰ্থিৱ ডেউকা কোবাই!!
তেনে হে মোহান্ধ যান্ত্ৰিক মানৱ
কিয় এবাৰো ভবা নাই দুঃখজনৰ, আৰ্তজনৰ কথা?
কিয় এৰা নাই স্বভাৱজাত স্বাৰ্থপৰ আকুতি
এবাৰো কিয় গোৱা নাই মানৱতাৰ জয়গান?
ধৰ্ষণ, ধোৱা-বাৰুদেৰে কিয় ৰচিলা
সমাজত কালিমাৰ নাট?
জীৱন তুমি মুক্তিকামী
গঢ়াৰ বাবে সেউজ ধৰণী।

****



# সংসাৰ বেদনা নহয়

মিছঃ মুৰ্শিদা খাতুন
স্নাতক ২ য় বৰ্ষ

8. Abdullah Al-Mamun
9. Sultan Ahmed
10. Din Islam Oliullah
11. Amir Hussain
12. Akhtar Hussain
13. Enamul Mazid
14. Khurshid Jahan
15. Nazrul Islam

Runners Up B.A Part-III

1. Mehdi Alam Siddique (Captain)
2. Nashim Akram
3. Fulmahmud Ahmed
4. Abdul Karim
5. Shahidur Rahman
6. Baki Billah
7. Alam Shah Ahmed
8. Saiful Islam
9. Rafique Ali
10. Muddasir Ahmed
11. Abdus Sattar
12. Abul Kalam Azad
13. Fazlur Alam
14. Musaraf Sheikh

Best-Sports Man of the College Week
(Boys) 1. Md. Siddique Ali– H.S 1st yr
Roll No—190

Best-Sports Man of the College Week
1. Miss Rahena Khatun — H.S 1st yr

Best Volley-ball player of the Week
1. Salim Akhtar — B.A 1st semester

Best Football player of the Week
1. Sultan Ahmed- B.A 1st Semester

Best Cricket player of the Week
1. Sri Ratan Das—— B.A Part-II

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন —

## ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন



আৰম্ভণিতে আই জননীৰ হকে জীৱনক তুচ্ছ জ্ঞান কৰি শ্বহীদ বৰণ কৰা বীৰ সকললৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ। খাৰুপেটীয়াৰ দৰে অখ্যাত ঠাইত জন্মা যিসকল ব্যক্তিয়ে অশেষ ত্যাগ কৰি এই মহান অনুষ্ঠানটিৰ জন্ম দিলে তেখেত সকললৈ এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইহ সংসাৰ ত্যাগ কৰা সকলৰ আত্মাই চিৰশান্তি লাভ কৰক আৰু জীৱিত সকলৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন যোগে মোক উপ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদবীত নিৰ্বাচন কৰি দি ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়লৈ সেৱা কৰাৰ সুযোগ দিয়াত তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইং ২৫-১০-২০১১ তাৰিখত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ আনুষ্ঠানিক ফলাফলৰ পিছত ইং ১-১১-২০১১ তাৰিখে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত দীপক কলিতাৰ অধ্যক্ষতাত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত সভাৰ অন্যান্য বিষয়ববীয়াৰ সতে ময়ো শপত বাক্য পাঠ কৰো।

উদ্‌যাপিত অনুষ্ঠান ঃ

(১) খাৰুপেটীয়া মহাবিদ্যালয়ত প্ৰত্যেক বছৰৰ দৰে এইবেলিও ইং ২০-০১-২০১২ তাৰিখৰ পৰা ইং ২৫-০১-২০১২ তাৰিখলৈ এক সপ্তাহ সময় "মহাবিদ্যালয় সপ্তাহ" হিচাপে নানান ধৰণৰ প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতা সমূহত বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ প্ৰতিভা দাঙি ধৰে। প্ৰতিযোগিতা সমূহৰ অন্তত মুকলি সভাৰ জৰিয়তে স্থানপ্ৰাপ্ত সকলক মানপত্ৰ পুৰস্কাৰ আদি প্ৰদান কৰা হয়।

(২) অইন বছৰৰ দৰে এইবেলিও খাৰুপেটীয়া মহাবিদ্যালয়ত সৰস্বতী পূজা আৰু ফাতিহা-ই-দোৱাজ দহম দুটি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কৰ্মচাৰী আৰু শিক্ষক সকলক লৈ উলহ মালহেৰে উদ্‌যাপন কৰো। উক্ত অনুষ্ঠান দুটি লঘু আহাৰ বিতৰণৰ জৰিয়তে সফল সামৰণি পৰে।

(৩) নৱাগত ছাত্ৰ-ছাত্ৰী সকলক আদৰণি জনোৱা উদ্দেশ্য ছাত্ৰ একতা সভাৰ উদ্যোগত ইং ১৫-০৯-২০১২ তাৰিখে 'নৱাগত আদৰণী সভা' অনুষ্ঠিত কৰা হয়। উক্ত সভাত মুখ্য অতিথিৰ আসন শুৱনি কৰে দৰং জিলাৰ মাননীয় উপায়ুক্ত মহোদয়ে আৰু সভাৰ অন্তত সাংস্কৃতিক সমাৰোহৰ জৰিয়তে মহাবিদ্যালয় চৌহদ উৎসৱ মুখৰ হৈ উঠে আৰু অনুষ্ঠানটিৰ সফল সামৰণি পৰে।

**মোৰ কাৰ্য্যকালত সম্পন্ন হোৱা কামবোৰ ঃ**

(১) মোৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰীৰ চাইকেল, মটৰ চাইকেল ৰখাৰ সুবিধাৰ্থে এটি চাইকেল ষ্টেণ্ডৰ কাম সম্পূৰ্ণ কৰা হয়।

(২) ছাত্ৰ-ছাত্ৰীৰ দাবীত সঁহাৰি জনাই আমি ছাত্ৰ একতা সভাই শৰীৰ চৰ্চাৰ এটি ব্যায়মগাৰ আৰু সা-সঁজুলি ক্ৰয় কৰো।

(৩) ছাত্ৰ-ছাত্ৰীৰ বহুদিনীয়া অভাব বিশুদ্ধ খোৱাপানীৰ টেংক আৰু পয্যাপ্ত পৰিমাণে পানীৰ টেপ নিৰ্মাণ কৰি তোলা হয়।



(৪) ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰী ক্ৰয় কৰা হয় আৰু লগতে ছাত্ৰ একতা সভাৰ প্ৰয়োজনীয় এটি দমকলৰ ব্যৱস্থা কৰা হয়।

(৫) মোৰ কাৰ্য্যকালত মহাবিদ্যালয় প্ৰশাসনীয় ভৱন এটি নিৰ্মানৰ কাম আৰম্ভ কৰা হয়।

(৬) মহাবিদ্যালয়ৰ বহুদিনীয়া অভাৱ এটি 'স্থানীয় বাছ আস্থান'ৰ কাম কম দিনৰ ভিতৰত আৰম্ভ হ'ব।

(৭) অন্য বছৰৰ দৰে এই বেলিওঁ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা ছাত্ৰ-ছাত্ৰীক দৰিদ্ৰ পুঁজিৰ আৰ্থিক অনুদান প্ৰদান কৰা হয়।

(৮) আন-আন বছৰৰ দৰে ভাৰতবৰ্ষৰ স্বাধীনতা দিৱস আৰু গণতন্ত্ৰ দিৱস এই উৎসৱ দুটি উলহ মালহৰে পালন কৰা হয়।

(৯) মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰচেষ্টাত ষষ্ঠ সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শুভকাংক্ষীৰ মনোবাঞ্ছা পূৰ্ণ কৰা হয়।

(১০) মহাবিদ্যালয়ত অডিটৰিয়াম এটাৰ কাম অতি সোনকালেই আৰম্ভ হ'ব বুলি আমাক অধ্যক্ষ মহোদয়ে জনাইছে। এই ক্ষেত্ৰত আমাৰ দ্বাৰা বহুবাৰ অনুৰোধ ও দাবী জনোৱা হৈছিল।

(১১) মোৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰীৰ খেলৰ কাৰণে টেবুল টেনিজ ক্ৰয় কৰা হয়।

**মহাবিদ্যালয়ে কৰিবলগীয়া ঃ**

(১) বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ শ্ৰেণী কোঠা বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে।

(২) মহাবিদ্যালয়ত এটি এডিটৰিয়াম খুব প্ৰয়োজন তাৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে।

(৩) মহাবিদ্যালয়ৰ চাৰিসীমাৰ পকী দেৱালৰ কোনো ব্যৱস্থা নাই। মহাবিদ্যালয় কতৃপক্ষই চাৰিসীমাৰ দেৱাল নিৰ্মাণৰ ব্যৱস্থা হাতত লব লাগে।

(৪) মহাবিদ্যালয়ত কম্পিউটাৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

(৫) মহাবিদ্যালয়ত স্কাউট গাইডৰ লগতে শাৰীৰিক শিক্ষাৰ প্ৰৱৰ্তন কৰিব লাগে।

**সামৰণি ঃ**

মোৰ কাৰ্য্যকালত বিভিন্ন দিশৰ পৰা বহুমূলীয়া পৰামৰ্শ আৰু সহযোগ কৰা সকলৰ ভিতৰত প্ৰথমেই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ নাম লব লাগিব। ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক মঃ নুৰুল ইছলাম ছাৰৰ লগতে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি নুৰ জামান ছাৰ, মঃ আব্দুৰ ৰহমান ছাৰ, দীপক কলিতা ছাৰ বিভাগীয় তত্বাৱধায়ক আদি সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল আৰু বন্ধু-বান্ধৱী সকলক কৃতজ্ঞতা নজনালে ভুল হৈ যাব। তেওঁলোকৰ ভিতৰত — মঃ আমজাদ ফাৰুক, আমিৰ হামজা, আবুল হাশেম, খুৰ্ছিদ, ফাৰহাদ আলী, ছাজিদুল, শ্বহিদুল ইছলাম, আজাহাৰ, দাদুল, আব্দুৰ ৰহমান, আব্দুল হান্নান, মফিজুদ্দিন, ছাইফুল, নজৰুল, কাইয়্যুম, ছাদ্দাম, চুলতান, ৰোকছানা, শ্বাহনাজ চুলতানা, নাছৰিণ, জেছমিন, ছাহিদা, ৰেজিনা, মঞ্জুৱাৰা, মহছিনা, আইশ্বা, বিতু, মোবাৰক আৰু দাদা আমানুল হকলৈ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আলোচনী সম্পাদক তথা সম্পাদনাৰ সতে জড়িত প্ৰত্যেকজন ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰি বিগত এক বছৰ কাল জানি অথবা অজানিতে হোৱা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি এই মহান অনুষ্ঠান 'খাৰুপেটীয়া মহাবিদ্যালয়খনৰ উজ্বল ভৱিষ্যতৰ কামনা কৰি মোৰ এক ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয় আই অসম

জয় হিন্দ

— শ্ৰদ্ধাৰে —

মহঃ আব্দুল ওৱাদুদ

উপ-সভাপতি, ছাত্ৰ একতা সভা

# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ২০১১-২০১২ চন



জয় জয়তে পৰম কৰুণাময় ঈশ্বৰৰ নাম স্মৰণ কৰি মই মোৰ বছৰেকীয়া সাধাৰণ সম্পাদকৰ প্ৰতিবেদন লিখনিৰ পাতনি মেলিলো।

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জাতীয় বীৰ দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে সেইসকল দেশ প্ৰেমিকৰ লগতে যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিয়ে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন গঢ় দিলে সেইসকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাঁচিলো।

সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে আহ্বান জনাওঁ — জাতি বৰ্ণ ধৰ্ম ভাষা নিৰ্বিশেষে সকলোৱে ভেদ ভাব পৰিহাৰ কৰি সমাজৰ এজন সক্ৰিয় ব্যক্তি বা সদস্য হৈ সুস্থিৰ শান্ত আৰু প্ৰেম-ভাতৃত্ববোধেৰে সমাজ এখন গঢ়াৰ লগতে নিজৰ জীৱনৰ সৰ্বাঙ্গীন উন্নতি সাধন কৰিবলৈ আমি সকলোৱেই বদ্ধ পৰিকৰ হওঁ আহক

**মোৰ এবছৰীয়া কাৰ্য্য বিৱৰণী ঃ-**

(১) মই সাধাৰণ সম্পাদক হিচাপে ০১/১১/২০১১ তাৰিখে শপত গ্ৰহণ কৰো আৰু সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ৬ (ছয়) দিনীয়া কাৰ্যসূচীৰে ২০-০১-২০১২ তাৰিখৰ পৰা ২৫-০১-২০১২ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো ছাত্ৰ একতা সভাৰ সহযোগত। মহাবিদ্যালয় সপ্তাহত নানা প্ৰতিযোগিতাত ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা দেখুৱায় এই প্ৰতিযোগিতা সমূহত স্থান পোৱা ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰষ্কৃত কৰা হয়।

(২) মোৰ কাৰ্যকালত দ্বিতীয় পদক্ষেপ আহে সৰস্বতী পূজা শ্ৰীশ্ৰী সৰস্বতী পূজা উদ্‌যাপনৰ বাবে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি সৰস্বতী পূজা উদ্‌যাপন সমিতি গঠন কৰা হয় আৰু সৰস্বতী পূজা সমূহ অধ্যাপক কৰ্মচাৰী তথা ছাত্ৰ একতা সভা ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত সুকলমে পালন কৰা হয়। উক্ত পূজাত প্ৰীতি ভোজনৰে সমাপ্ত কৰা হয়।

(৩) অন্যান্য বছৰৰ দৰে মোৰ কাৰ্যকালৰ সময়ছোৱাত ফাতিহা-ই-দোৱাজ দহম উৎসৱটি পালন কৰাৰ কাৰণে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি ফাতিহা-ই-দোৱাজ দহম পৰিচালনা সমিতি গঠন কৰি উৎসৱটি পালন কৰা হয়।

উক্ত উৎসৱটি কেৰাত গজল জিকিৰ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি প্ৰতিযোগিতাত জয়ী হোৱা প্ৰতিযোগী সকলক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয় আৰু ফাতিহা-ই-দোৱাজ দহম উৎসৱটি প্ৰীতি ভোজনেৰে সামৰণি মৰা হয়।

(৪) মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত ষষ্ঠ সংখ্যা আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালযৰ সমূহ ছাত্ৰ-ছাত্ৰী ও কৰ্মচাৰীৰ মনোবাঞ্চা পূৰ্ণ কৰা হয়।

(৫) মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ Turning ত নিজাববীয়াকৈ এটি বাছ আস্থানৰ বাবে বিভাগীয় আৰু উপায়ুক্ত দৰং মহোদয়ৰ ওচৰত এখন স্মাৰক পত্ৰ (Mamorandum) দিয়া হয় আৰু উপায়ুক্ত মহোদয়ক আমাৰ মহাবিদ্যালয়ত অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হয়। উপায়ুক্ত মহোদয়ে আমাৰ মহাবিদ্যালয়খনৰ সকলো দিশ পৰিদৰ্শন কৰি যায় আৰু কিছুদিন পিছতে বাছ আস্থান হ'ব বুলি উপায়ুক্ত মহোদয়ে অধ্যক্ষ মহোদয়, ছাত্ৰ একতা সভাৰ সম্পাদকৰ আগত খাৰুপেটীয়াৰ পৰিদৰ্শন বাংলো (IB)ত হোৱা এক অনুষ্ঠানত প্ৰকাশ কৰে। আমি বিদায়ী ছাত্ৰ একতা সভাই অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ যে অহা নৱাগত ছাত্ৰ একতা সভাক লৈ বাছ আস্থানৰ কাম অতি সোনকালে আৰম্ভ কৰিব বুলি আমি বিদায়ী ছাত্ৰ একতা সভা আশা ৰাখিলো।

(৬) ইং ১৫/০৯/২০১২ তাৰিখে এই বৰ্ষৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰোহেৰে এক বৰ্ণাঢ্য পৰিবেশৰ এই সভাখনি আনন্দমুখৰ



হৈ পৰিছিল। মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা দেৱে। মুকলি সভাত মুখ্য অতিথিৰ আসন শুৱনি কৰে মঃ চোহৰাব আলী মাননীয় উপায়ুক্ত দৰং, বিশিষ্ট অতিথি ডঃ সুভাষ চন্দ্ৰ বিশ্বাস, অধিবক্তা গুৱাহাটী উচ্চ ন্যায়ালয়, ডঃ ৰামচন্দ্ৰ ডেকা অধ্যাপক, ছিপাঝাৰ মহাবিদ্যালয়, মঃ আব্দুল মজিদ সভাপতি, খাৰুপেটীয়া মহাবিদ্যালয় পৰিচালনা সমিতি। উক্ত সভাত মাননীয় উপায়ুক্ত দৰং খাৰুপেটীয়া কলেজৰ নানা সমস্যাৰ বুজ লয় আৰু ডঃ সুভাষ চন্দ্ৰ বিশ্বাস অধিবক্তা গুৱাহাটী উচ্চ ন্যায়ালয় আমাৰ মহাবিদ্যালয়লৈ ৫০০০.০০ (পাঁচ হাজাৰ) টকাৰ কিতাপ আগবঢ়াব বুলি মত পোষণ কৰে।

(৭) মোৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়ৰ বাবে ভালেমান সামগ্ৰী কিনা হয়।

(৮) আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বহুদিনীয়া অভাৱ আছিল টেবুল টেনিছ খেলৰ সামগ্ৰীৰ। মোৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে 'টেবুল টেনিছ'ৰ দুটা চেট কিনা হয়।

(৯) আমাৰ মহাবিদ্যালয়ৰ এটা দীৰ্ঘদিনীয়া সমস্যা হ'ল খোৱা পানীৰ সমস্যা। আমাৰ কাৰ্যকালত খাৰুপেটীয়া মহাবিদ্যালয়ত এটা ডাঙৰ পানীৰ টেংক বনোৱা হয় আৰু মহাবিদ্যালয়ৰ চুকে কোণে পানীৰ টেপৰ সংযোগ কৰি ছাত্ৰ-ছাত্ৰীৰে বাবে খোৱা পানী যোগান আঁচনিৰ সফলভাৱে মুকলি কৰা হয়।

(১০) খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটা বহুদিনীয়া অভাৱ আছিল শৰীৰ চৰ্চাৰ ব্যৱস্থা। মোৰ কাৰ্য্যকালত ছাত্ৰ একতা সভাৰ সহযোগত খাৰুপেটীয়া মহাবিদ্যালয়ত ব্যায়ামৰ বাবে কেতবোৰ সঁজুলি কিনা হয়।

(১১) মোৰ কাৰ্য্যকালত ছাত্ৰী জিৰণি কোঠা টাইলছ সহকাৰে নতুনকৈ মেৰামতি কৰা হয় আৰু টাইলছ সহকাৰে Toilet বনোৱা হয় লগতে ছাত্ৰী জিৰণি কোঠাত কিছু সামগ্ৰী কিনা হয়।

(১২) আন আন বছৰৰ দৰে মোৰ কাৰ্য্যকালতো সংখ্যালঘু এলেকাধীন খাৰুপেটীয়া মহাবিদ্যালয়ৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক দৰিদ্ৰ সাহাৰ্য্য পুঁজিৰ পৰা অনুদান আগবঢ়োৱা হয়।

(১৩) মোৰ কাৰ্য্যকালত ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে এখন নতুনকৈ চাইকেল ষ্টেণ্ড মহাবিদ্যালয়ৰ সন্মুখত নিৰ্মাণ কৰা হয়।

(১৪) মোৰ কাৰ্য্যকালত খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰা আন্তঃ মহাবিদ্যালয়ৰ যুৱ মহোৎসৱ, গুৱাহাটী বিশ্ববিদ্যালয়ত অংশগ্ৰহণ কৰা হয়।

(১৫) মোৰ কাৰ্য্যকালত তৰ্ক বিভাগৰ সম্পাদকৰ অশেষ প্ৰচেষ্টাৰ ফলত দৰং জিলা আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু আমন্ত্ৰিত অতিথিৰ দ্বাৰা ট্ৰফী প্ৰদান কৰা হয়।

(১৬) আমাৰ মহাবিদ্যালয়ত বহুদিনীয়া এটা অভাৱ আছিল প্ৰশাসনীয় ভৱন মোৰ কাৰ্যকালত মহাবিদ্যালয় চৌহদত উন্নয়ন পুঁজিৰ পৰা এটা প্ৰশাসনীয় ভৱনৰ কামকাজ আৰম্ভ কৰা হয়।

**মহাবিদ্যালয়ৰ অভাৱ অভিযোগ সমূহ ঃ**

(১) আমাৰ কাৰ্য্যকালত কেইবাটাও অভাৱ অভিযোগৰ বিষয়ে মহাবিদ্যালয় অধ্যক্ষ দেৱক অৱগত কৰা হয়।

(২) মহাবিদ্যালয়ৰ স্কাউট আৰু গাইডৰ কাৰণে প্ৰতিবছৰে ছাত্ৰী-ছাত্ৰীসকলে মাচুল আদায় দিয়ে কিন্তু পৰিতাপৰ বিষয় এয়ে আছিল স্কাউট আৰু গাইডৰ কোনো ধৰণৰ সা-সুবিধা ছাত্ৰ-ছাত্ৰীসকলে পোৱা নাই স্কাউট আৰু গাইড আৰু এন চিচিৰ সা-সুবিধা নথকা বাবে মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰী বহুতো সা-সুবিধাৰ পৰা বঞ্চিত হয়। মই মহাবিদ্যালয়ৰ কতৃপক্ষক অনুৰোধ জনাওঁ যে উক্ত বিষয় দুটাৰ ওপৰত যেন গুৰুত্ব দিয়ে।

(৩) মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সংলগ্ন শৌচাগাৰ আৰু প্ৰস্রাৱগাৰ নাই, ইয়াৰ ব্যৱস্থা কৰি দিয়ে যেন।

(৪) মহাবিদ্যালয়ত এটি Auditorium হলৰ অতি প্ৰয়োজন গতিকে ইয়াৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীৰ ও অন্যান্য সভা সমিতি কৰাৰ সুবিধা কৰে যেন।

(৫) মহাবিদ্যালয়ত এটি সাহিত্য চ'ৰাৰ অভাৱ অতি বাৰুকৈয়ে পৰিলক্ষিত হৈছে। উক্ত সাহিত্য চ'ৰা নথকাৰ বাবে ছাত্ৰ-ছাত্ৰী সকল সাহিত্যৰ জ্ঞান লাভ কৰাৰ পৰা বঞ্চিত হৈ আছে। গতিকে ইয়াৰ ব্যৱস্থা কৰি দিয়ে যেন।

(৬) যোৱা ইং ২০-১১-২০১০ তাৰিখে দুস্কৃতিকাৰীৰ দ্বাৰা সংঘটিত অগ্নিসংযোগ ধ্বংস হোৱা

মহাবিদ্যালয়খনিক অতি তৎপৰতাৰে পৰিচালনা সমিতি সমন্বিতে তেতিয়াৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত দিপক কলিতা দেৱ, অধ্যক্ষ শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা দেৱে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সু-ব্যৱস্থা কৰি দিয়ে। নানা সমস্যাৰ বাবে আমাৰ নৱ নিযুক্ত ছাত্ৰ একতা সভাই বহুতো উন্নয়নমূলক কাম কৰিব পৰা নাই। পৰৱৰ্তী বৰ্ষৰ ছাত্ৰ একতা সভাই বলিষ্ঠ পদক্ষেপ লৈ মহাবিদ্যালয়ৰ অভাৱ সমূহ পূৰণ কৰে যেন।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

যোৱা ইংৰাজী ২৫-১০-১২ তাৰিখে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ জৰেয়তে এই অভাজনৰ হাতত মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে সেই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ জ্ঞাপন কৰিলো অশেষ ধন্যবাদ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ মঃ বাহাৰুল ইছলাম, মঃ মিনাল আহমেদ, মঃ শ্বাহানুৰ খান, মঃ ইস্ৰাফিল, মঃ নুৰজামান, মঃ নিজামউদ্দিন আহমেদ, মঃ মমিন আলী (আমছুৰ সম্পাদক), মঃ বাকিবিল্লাহ (মামা), মঃ হামিদুৰ ৰহমান, মঃ ছাদিক আলী, মঃ গোলাম নবী আজাদ (মামা), মঃ আছাদ আলী, মঃ বিল্লাল (মিতা), মঃ আলী হুছেইন, মঃ ছিয়াৰুল হক, মিছ ছমজিদা খাতুন, মিছ মন্নি, মছি মিৰজিনা বেগম, মঃ ইয়াছিন আলী, মঃ শ্বহিদুল ইছলাম, মঃ অহিজল হক, মঃ আনোৱাৰ হুছেইন, মঃ ইয়াদ আলী, মঃ জিয়াৰুল হক, মনিৰ আহমেদ, মঃ ৰুস্তম আলী, মিছ মমতাজ খাতুন, মঃ জহিদ আলী, মঃ শাৰিজন হক, মঃ আমিৰ হামজা, মঃ বাবুল আলী, মঃ আজাহাৰ উদ্দিন (মামা)

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এবছৰীয়া কাৰ্য্যকালত মোক বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা দেৱ, প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত দীপক কলিতা, প্ৰাক্তন অধ্যক্ষ মঃ নুৰুল ইছলাম আৰু শিক্ষাগুৰু সকলৰ তৰফৰ পৰা ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় মঃ নুৰজামান ছাৰ আলোচনী তত্বাৱধায়ক মঃ জালালউদ্দিন আহমেদ ছাৰ, মঃ আব্দুল আওৱাল ছাৰ, মঃ আব্দুল কৰিম ছাৰ, মঃ নাজিৰ হুছেইন সৰকাৰ, ডঃ আছমানাৰা বেগম, শ্ৰীজ্যোতিষ চহৰীয়া, মঃ হবিবুৰ ৰহমান, মঃ আঃ হান্নান, আব্দুৰ ৰহমান আদি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ লগতে মঃ আক্ৰাম হুছেইন (আলোচনী সম্পাদক), মঃ আব্দুল ওৱাদুদ (ভি.পি), সমূহ কৰ্মচাৰী, মুখ্য সহায়ক মঃ দিলোৱাৰ হুছেইন, মঃ আবুবক্কৰ ছিদ্দীক আলী (উচ্চ বৰ্গ সহায়ক), মঃ শ্বহিদ আলী, মঃ ইছলামুদ্দিন (ফেৰান) সকলোলৈ যাচিলো হিয়াভৰা অভিনন্দন।

অৰাজনৈতিক ছাত্ৰ সংগঠন সমূহে মোক নানা বিষয়ে পৰামৰ্শ দিয়াৰ বাবে তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

মঃ শ্বাহাজামাল হক
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

# প্ৰতিবেদন সহঃ সাধাৰণ সম্পাদক



জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্ত্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি বিগত দিন সমূহ জাতীয় স্বকীয়তা ৰক্ষাৰ বাবে দেশ মাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। মোৰ পূজনীয় মা-দেউতা আৰু শিক্ষাগুৰুসকল তথা মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকলৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰাৰ উপৰিও যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই খাৰুপেটীয়া মহাবিদ্যালয়ত ২০১১-২০১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মনোনীত হৈ মহাবিদ্যালয়ৰ পৰিয়ালক সেৱা আগবঢ়াবলৈ যি মহান সুযোগ লাভ কৰিলো সেই সকলক মই হিয়াভৰা ওলগ জনাই মই মোৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলো। বিগত নিৰ্বাচনত ২৫-১০-২০১১ তাৰিখে মোক সহঃ সাধাৰণ সম্পাদকৰ পদত মনোনীত কৰা হৈছিল আৰু যোৱা ১-১১-১১ তাৰিখে শপত বাক্য পাঠ কৰাই ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীদীপক কলিতা ছাৰে মোৰ হাতত অৰ্পন কৰিছিল এক গুৰু দায়িত্ব। এই ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ ছাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি মাননীয় অধ্যাপক নূৰ জামান ছাৰৰ পৰা বহুতো ধৰণৰ সু-পৰামৰ্শ পাইছো। তেওঁ বহু ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়াইছে। লগতে শিক্ষাগুৰু সকলৰ পৰাও সদায় সুপৰামৰ্শ পাইছো। অন্যান্য বছৰৰ দৰে এই বছৰতো যোৱা ইং ২০-০১-২০১২ তাৰিখৰ পৰা ইং ২৫-০১-২০১২ তাৰিখলৈ আমি ছাত্ৰ একতা সভাই ছয়দিনীয়া কাৰ্যসূচীৰে ময়হাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশ গ্ৰহণ কৰে আৰু লগতে বিভিন্ন ধৰণৰ খেল-ধেমালি, গীত-মাত, কবিতা আবৃত্তি, কেৰম, ক্ৰিকেট, ফুটবল, ভলিবল, ভেশছ্ন, জিকিৰ, বেডমিন্টন, টেবুল টেনিছ খেল আদিত অংশগ্ৰহণ কৰে। মহাবিদ্যালয় সপ্তাহৰ অন্তত মুকলি সভা অনুষ্ঠিত কৰা হয় আৰু এদিনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিজয়ী ছাত্ৰ-ছাত্ৰী সমূহক নানা বঁটাৰে পুৰস্কৃত কৰি তেওঁলোকক উৎসাহ ও প্ৰেৰণা দিয়া হয়। ইয়াৰ পিছে পিছে এই বছৰতো শ্ৰীশ্ৰী সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। এই উৎসৱো সুকলমে পাৰ কৰা হয়। তাৰোপৰি ফাতিহা-ই-দোৱাজ দাহম উদ্‌যাপন কৰা হয়। ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত যোৱা ১৫-০৯-১২ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। সদৌ দৰং আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰা Gauhati University Youth Festival ত অংশগ্ৰহণ কৰা হয়। বিগত নিৰ্বাচনৰ সময়ৰ মোৰ সোঁহাত স্বৰূপে সহায় কৰা মঃ হাকিম আলী প্ৰাক্তন সাধাৰণ সম্পাদক খাৰুপেটীয়া মহাবিদ্যালয় হাফিজুৰ ৰহমান দাদা, ৰেহেনা বেগম, আছমত আলী আহমেদ, ইঞ্জামুল হক, মজিবৰ ৰহমান, শ্বহিদুল ইছলাম, ছিদ্দীক আলী, নজৰুল ইছলাম, আব্দুল হাই, ফাৰুকহঁতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও অশেষ মৰম থাকিল।

সদৌ শেষত খাৰুপেটীয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তি সকল তথা প্ৰবক্তাবৃন্দ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী তথা দাদা বাইদেউ বন্ধু-বান্ধৱী বৰ্গলৈ শ্ৰদ্ধা ও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই নিৰস প্ৰতিবেদনৰ মোখনি মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয় আই অসম

মঃ জিয়াৰুল হক
সহঃ সাধাৰণ সম্পাদক
খাৰুপেটীয়া মহাবিদ্যালয়

# খেল সম্পাদক (আন্তঃবিভাগ) প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে আমাক স্বাধীন দেশৰ নাগৰিক হিচাপে পৰিচয় দিয়াবলৈ সক্ষম হোৱা পুন্যাত্মা সকললৈ মোৰ সহস্ৰ প্ৰণাম নিবেদিছোঁ। যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত দৰং জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰূপে চিহ্নিত খাৰুপেটীয়াত এই মহান অনুষ্ঠানটি গঢ়ি উঠিছে সেই সকললৈ সহস্ৰ প্ৰণিপাত যাচিলো।

২০১১-১২ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভালৈ খেল আন্তঃ বিভাগত মোক বিনা প্ৰতিদ্বন্দিতাৰে যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত কৰি এই বিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ প্ৰদান কৰিলে তেওঁলোকলৈ এই চেগতে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। ইং ১/১১/২০১১ তাৰিখে পৰম কৰুণাময় আল্লাহৰ নামত শপতলৈ কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ।

খেল শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ। সমাজ এখন সঠিক দিশত আগবাঢ়ি যাবলৈ যেনেদৰে শিক্ষাৰ প্ৰয়োজন ঠিক তেনেদৰে শিক্ষাক সঠিক দিশত আগুৱাই নিবলৈও খেলা-

ধুলাৰ প্ৰয়োজন। ইয়াৰ উপৰিও খেল ধেমালীয়ে শৰীৰৰ উৎকৰ্ষ সাধন কৰে। আজিৰ এই বৈজ্ঞানিক যুগত আমি কেৱল পুথিগত বিদ্যাৰ জড়িয়তে সমাজত আগবাঢ়ি যাব নোৱাৰি কেৱল ভাল চাকৰিয়াল বা বৈজ্ঞানিক সকলে যে সমাজত সন্মানীয় তেনে নহয়। ডাঙৰ খেলুৱৈ সকলেও তেওঁলোকৰ তুলনাত কম নহয় আৰু ভাল খেলুৱৈ হৈও আৰ্থিক দিশত উন্নতি লাভ কৰিব পৰা যায়।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই ইং ২০/০১/১২ তাৰিখৰ পৰা ২৫/০১/১২ তাৰিখলৈ মহাবিদ্যালয়ত আকৰ্ষণীয় মহাবিদ্যালয় সপ্তাহত আন্তঃ খেল বিভাগৰ খেলসমূহ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে মোৰ বিভাগীয় তত্বাৱধায়ক জ্যোতিষ চহৰীয়া ছাৰৰ লগতে মইয়ো পৰিচালনা কৰো। ইয়াৰ উপৰিও আন বিভাগৰ বিভাগীয় তত্বাৱধায়ক আৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

ইং ২৫/০১/১২ তাৰিখত অনুষ্ঠিত মুকলি সভাত খেলত পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথিৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ, মোৰ বিভাগীয় তত্বাৱধায়ক মাননীয় শ্ৰীযুত জ্যোতিষ চহৰীয়া ছাৰ আৰু ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি মাননীয় মঃ নুৰজামান ছাৰ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু বিভাগীয় তত্বাৱধায়ক সকল, বন্ধু-বান্ধবীৰ ভিতৰত — জিয়াৰুল হক, জাকিৰ হুছেইন, মোবাৰক পাঠান, জাহিদ আলী, বাকিবিল্লাহ, ছফিকুল ইছলাম, আব্দুৰ ৰহমান (ৰিয়াজ), ৰফিকুল ইছলাম খান (প্ৰাক্তন আলোচনী সম্পাদক ২০০৯-১০), মজিবুৰ ৰহমান, খইবৰ আলী, মোজাম্মিল হক, ছাদ্দাম হুছেইন, জিল্লুল হক, আমিৰ আলী, ফৰিদা বেগম, ছানিয়াৰা পাৰবিন, মল্লিকা বেগম, তাকলিমা খাতুন, নাজিমা, ছানোৱাৰ, আজিমা আদিলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমাৰ মহাবিদ্যায়খন পিছপৰা ঠাইত অৱস্থিত। ইয়াত বিভিন্ন অভাৱ অভিযোগ আৰু ঘাত প্ৰতিঘাটৰ মাজেৰে জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে গঢ় লৈ উঠা এটা উচ্চ শিক্ষানুষ্ঠান আৰু ইয়াত কিছুমান অভাৱ থকা স্বাভাৱিক। যেনে খেল পথাৰ, নিম্নমানৰ ক্ৰীড়া সামগ্ৰী উপযুক্ত প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱ ইত্যাদি। তথাপিতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নানা অভাৱৰ মাজতো উন্নত খেলত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যাতে ক্ৰীড়া সম্পৰ্কীয় অভাৱবোৰ সোনকালে দূৰ কৰে তাকে কামনা কৰিলোঁ। এই ছেগতে আলোচনীখনৰ সম্পাদনা সমিতিলৈ কৃতজ্ঞতা যাচিলো সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ খেল আন্তঃ বিভাগৰ তথা মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ চুটি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু খাৰুপেটীয়া মহাবিদ্যালয়।।

।। জয় আই অসম।।

— শ্ৰদ্ধা আৰু সেৱাৰে —

মঃ মুক্তাৰুল হুছেইন

সম্পাদক খেল অঃ বিভাগ

## ক্ৰীড়া বহিঃ বিভাগ সম্পাদকীয়া প্ৰতিবেদন ২০১১-১২



জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তালৈ মোৰ ভক্তি জ্ঞাপন কৰি খাৰুপেটীয়া মহাবিদ্যায়লৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আন্তৰিক শুভেচ্ছাৰে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃখেল বিভাগৰ পদত নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আমি বেছিমাৰিত অনুষ্ঠিত দিবা-নৈশ খেলত খাৰুপেটীয়া মহাবিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰিছিলো। তাৰ পিছতেই আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ প্ৰতিটো খেলতেই বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দিতা কৰে। তাৰ বাবে মই সমূহ প্ৰতিযোগীলৈ আন্তৰিক ধন্যবাদ জনাইছো। সপ্তাহজোৱা কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। তাৰে ভিতৰত পাঁচ দিনীয়া খেল-ধেমালি আৰু ষষ্ঠদিনা বঁটা বিতৰণী সভা পতা হয় আৰু শেষৰ দিনা দিনজোৱা কাৰ্য্যসূচীৰে সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰা হয়। বঁটা বিতৰণী সভাত বহুতো সন্মানীয় ব্যক্তিৰ উপস্থিতিত বঁটা সমূহ বিতৰণ কৰা হয়।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া অনুষ্ঠানত বিভিন্ন ধৰণৰ খেলৰ আয়োজন কৰা হয়। তাৰে ভিতৰত বহিঃ বিভাগৰ খেল সমূহৰ ভিতৰত ল'ৰা শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মঃ ছিদ্দীক আলী আৰু ছোৱালী শাখাত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে মিছ ৰেহেনা খাতুন। এই খেল সমূহ হ'ল ১০০ মিঃ, ২০০ মিঃ, ৪০০ মিঃ দৌৰ প্ৰতিযোগিতা, যাঠি দলিওৱা, ওজন দলিওৱা, কাঁহী দলিওৱা, দীঘল জাপ, ওখ জাপ, ক্ৰিকেট প্ৰতিযোগিতা, ফুটবল প্ৰতিযোগিতা, কলহ ভঙা ইত্যাদি খেল।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা দেৱ আৰু খেল বহিঃ বিভাগৰ তত্বাৱধায়ক সহ অধ্যাপক মাননীয় আব্দুল হান্নান ছাৰে বিভিন্ন দিশৰ পৰা সৎ পৰামৰ্শ আগবঢ়োৱা বাবে তেখেত সকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে আমাৰ মহাবিদ্যালয়খনৰ শিক্ষাগুৰু সকলক আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। ইয়াৰ বাহিৰেও ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়া মোৰ সহযোগী বন্ধু-বান্ধবী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ হিয়াভৰা শুভেচ্ছা যাঁচি এই প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ।

মঃ জুলহাস আলী

সম্পাদক ক্ৰীড়া বিভাগ

## সাংস্কৃতিক সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন
## (২০১১-২০১২ শিক্ষাবৰ্ষ)



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিছো। যিসকল মহান ব্যক্তিয়ে নিজৰ সৰ্বোচ্চ বিসৰ্জন দি আমাৰ দেশ মাতৃৰ সেৱাত নিজৰ জীৱন বলিদান দিলে আৰু অনেক ত্যাগ, অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত খাৰুপেটীয়াৰ দৰে পিছপৰা অঞ্চলত উচ্চ শিক্ষাৰ অনুষ্ঠান "খাৰুপেটীয়া মহাবিদ্যালয়" প্ৰতিষ্ঠা কৰি এই অঞ্চলত এক শৈক্ষিক আন্দোলনৰ সূচনা কৰিলে তাৰ বাবে তেখেত সকললৈ মোৰ হিয়াভৰা গভীৰ শ্ৰদ্ধা নিবেদিছোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১১-১২ শিক্ষাবৰ্ষৰ সাধাৰণ নিৰ্বাচন (ইং ২৫/১০/২০১১) ৰ জৰিয়তে মোৰ দৰে এজন অনভিজ্ঞৰ হাতত সাংস্কৃতিক সম্পাদকৰ দৰেগুৰুত্বপূৰ্ণ পদৰ দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰতিবেদনৰ আদিতে সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক তথা ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক প্ৰয়াত ৰূপজ্যোতি প্ৰসাদ দত্ত ছাৰৰ অকাল মৃত্যুত তেখেতলৈ মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিছো। মই ইং ১/১১/২০১১ তাৰিখে শপত গ্ৰহণ কৰো। তাৰ কেইদিনমান পিছতেই সংগীতসূৰ্য ডঃ ভূপেন হাজৰিকাৰ মৃত্যুত গোটেই পৃথিৱীৰ লগতে আমিও চকুলো মচি তেখেতলৈ মহাবিদ্যালয়ত এক অনুষ্ঠানৰ যোগেদি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

কলা আৰু জীৱন গভীৰভাৱে সংপৃক্ত। জীৱনৰ অসহায়তা, অক্ষমতা কিম্বা আশাৰ পূৰ্ণ প্ৰকাশ ঘটে কলাৰ মাজেৰে। সংগীতা এবিধ শ্ৰৱণীয় কলা। আপাততঃ কলা আৰু জীৱন গভীৰভাৱে একাত্ম যেন বোধ হ'লেও মূলতঃ কলা আৰু জীৱনৰ মাজত এডাল নেদেখা সীমাৰেখা বিৰাজমান।

"গীতম, বাদ্যম তথা নৃত্যম, ত্ৰয়ম, সংগীত মূচ্যতে" অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য তিনিও কলাৰ এক সংমিশ্ৰিত ৰূপকে সংগীত বুলি কোৱা হয়।

মহাবিদ্যালয়ত পৰম্পৰাগতভাৱে চলি অহা মহাবিদ্যালয়ৰ সপ্তাহ যোৱা ইং ২০/০১/২০১২ তাৰিখৰ পৰা ইং ২৫/০১/২০১২ তাৰিখলৈ চলিছিল। উক্ত মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। বিশেষকৈ গীতৰ প্ৰতিযোগিতাত কেৰায়েত, জিকিৰ, ভজন, গজল, আধুনিক গীত, লোকগীত, জ্যোতি সংগীত, বিষ্ণুৰাভা সংগীত, ভূপেন হাজৰিকাৰ গীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, জয়ন্ত হাজৰিকাৰ গীত, বিয়ানাম, বিহুগীত, আধুনিক নৃত্য, কাৱালী আদি সুচাৰুৰূপে সম্পন্ন হয় আৰু বিশেষভাৱে আকৰ্ষনীয় আছিল একাংকিকা নাটক প্ৰতিযোগিতা।

তাৰ উপৰিও ইং ২৫/০১/২০১২ তাৰিখত দিনজোৰা সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্য্যসূচীৰ আয়োজন কৰা হয়, সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰণ কৰি অনা বিশিষ্ট কণ্ঠশিল্পী জুন আহমেদ আৰু মালবিকাই বিভিন্ন ধৰণৰ গীত-মাত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে আৰু আনন্দপূৰ্ণ এই অনুষ্ঠানৰ সন্ধিয়া ৬ বজাত অন্ত পৰে।

মই অতিকৈ গৌৰৱ অনুভৱ কৰোঁ যে, খাৰুপেটীয়া মহাবিদ্যালয়ত এইবাৰ প্ৰতিটো প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা তুলনামূলকভাৱে বেছি হৈছিল। এইয়া শুভ লক্ষণ। সাংস্কৃতিক প্ৰতিযোগিতা সমূহ মই চলাই অহা অৱস্থাত অনুষ্ঠানৰ অনুভৱৰ বিষয়ে মই মোৰ মনৰ কথা ব্যক্ত কৰি থৈ যাওঁ — "চৌদিশে হিংসা, সন্ত্ৰাস, মৃত্যুৰ বিভীষিকা, অস্থিৰতাৰ মাজতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰৰ আৰাধনাত ব্ৰতী হৈছে। মই ভাবো এই কথাটোৱেই পৰম আনন্দৰ। মই কামনা কৰোঁ ছাত্ৰ-ছাত্ৰী সকলৰ এই সাধনা জীৱন যোৱা হওঁক।" আৰু এই অনুষ্ঠানবোৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সদায় প্ৰেৰণা হৈ ৰ'ব।

সংস্কৃতি অবিহনে এটা জাতিৰ অস্তিত্ব নিৰূপন কৰা সম্ভৱ নহয়। সংগীতে মানুহক দিব পাৰে এক অনাবিল আনন্দ, জীয়াই থকাৰ প্ৰেৰণা। এটি শিশু জন্মৰ পিছৰ পৰাই মাতৃয়ে নিচুকোৱা গীত শুনি শুনি এটা সময়ত নিদ্ৰাত ঢলি পৰে। অৰ্থাৎ শিশু মনেও সংগীতৰ এই মাধুৰ্যতাক উপলব্ধি কৰিব শিকে। এয়া সংগতীৰ এক মায়া। খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সংগীত সাধনাত ব্ৰতী হৈ থকাটো মই সদায় কামনা কৰোঁ।

খাৰুপেটীয়া মহাবিদ্যালয়ৰ বাবে অতি গৌৰৱ আৰু আনন্দৰ কথা এই যে, ইং ২০/০৬/২০১২ তাৰিখে 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস'ৰ লগত সংগতি ৰাখি খাৰুপেটীয়া মহাবিদ্যালয়ত পোনপ্ৰথম বাৰৰ বাবে থিতাতে লিখা ৰচনা প্ৰতিযোগিতা, 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' শীৰ্ষক কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

যোৱা ইং ১৫/০৯/২০১২ তাৰিখত নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা ৮-৪৫ বজাত নৱাগত ছাত্ৰ-ছাত্ৰীৰ চা-চিনাকী ও মিলনবৰ্গ অনুষ্ঠিত কৰা হয়, মুকলি সভা শেষ হোৱাৰ লগে লগে ২-০০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উলহ-মালহেৰে বিভিন্ন ধৰণৰ গীত-মাত পৰিবেশন কৰে। তাৰ লগে লগে মঞ্চত বিশেষ আকৰ্ষনীয় একাংকিকা নাটক আৰম্ভ কৰা হয়। নাটক শেষ হোৱাৰ লগে লগে সন্ধিয়া ৭ বজাত সাংস্কৃতিক অনুষ্ঠানৰ অন্ত পৰে।

তাৰ পিছত যোৱা ইং ১/১০/২০১২ তাৰিখৰ পৰা ৫/১০/২০১২ তাৰিখলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ২০১১-২০১২ ৰ সমূহ প্ৰতিযোগীতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰে। অন্যান্য প্ৰতিযোগিতাৰ উপৰিও সংগীত বিভাগৰ প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰা হয়।

মোৰ কাৰ্যকালৰ প্ৰতিটো খোজতে মোক অনুপ্ৰাণিত কৰা সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীজীৱেন্দ্ৰ মোহন দেৱ শৰ্মা ছাৰলৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি নূৰ জামান ছাৰ, দীপক কলিতা ছাৰ, আবুল বাসাৰ আহমেদ ছাৰ, ওৱাহেদুদ জামান (কৰ্মচাৰী) ডঃ আছমানাৱা বেগম বাইদেউ, মিছ জাহিদা চুলতানা বাইদেউলৈ মোৰ কৃতজ্ঞতাৰ কৰণি আগবঢ়ালো।

মোৰ কাৰ্যকালত মোৰ প্ৰতিটো চিন্তা কামতে ইতিবাচক সঁহাৰি জনোৱা ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়া তথা সদস্যলৈ মোৰ কৃতজ্ঞতা ভৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোক সকলো দিশতে সহায়-সহযোগ আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী মঃ চাইদুৰ ৰহমান (স্নাতক দ্বিতীয় বৰ্ষ), মঃ আবিদুৰ ৰহমান (স্নাতক তৃতীয় বৰ্ষ), মঃ আনছুৰ আলী (স্নাতক প্ৰথম বৰ্ষ), মিছ ছেহেনাজ (স্নাতক দ্বিতীয় বৰ্ষ) মিছ মিৰজিনা বেগম (স্নাতক দ্বিতীয় বৰ্ষ) মঃ আমিনুৰ ৰহমান (স্নাতক দ্বিতীয় বৰ্ষ), মঃ আনুৱাৰ (স্নাতক দ্বিতীয় বৰ্ষ), মিছ আশ্ৰাফুন নাহাৰ (স্নাতক দ্বিতীয় বৰ্ষ), মিছ নাছৰিন (স্নাতক দ্বিতীয় বৰ্ষ), মিছ নুৰেদা বেগম (স্নাতক প্ৰথম বৰ্ষ), মিছ ৰেহেনা বেগম (স্নাতক দ্বিতীয় বৰ্ষ), মিছ ৰেছমিন আৰা বেগম (স্নাতক দ্বিতীয় বৰ্ষ), মঃ হাকিম আলী (স্নাতক তৃতীয় বৰ্ষ), মঃ হাকিম আলী (স্নাতক দ্বিতীয় বৰ্ষ), মঃ ছোবাহান আলী (স্নাতক দ্বিতীয় বৰ্ষ), মঃ আশ্ৰফ আলী (স্নাতক দ্বিতীয় বৰ্ষ), মঃ আশ্ৰাফুল আলম চৌধুৰী (স্নাতক তৃতীয় বৰ্ষ) আৰু খাৰুপেটীয়া মহাবিদ্যালয়ৰ মোৰ শুভাকাংখী প্ৰতিজন ছাত্ৰ-ছাত্ৰীলৈ মোৰ অকৃত্ৰিম ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণিত আলোচনী সম্পাদক মঃ আক্ৰাম হুছেইন আৰু সম্পাদনা সমিতিৰ সমূহ সদস্য তথা বিষয়ববীয়ালৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি "খাৰুপেটীয়া মহাবিদ্যালয়ত সংগীত তথা সু-সংস্কৃতিৰ এক জয়যাত্ৰা" সদায় অব্যাহত থাকক — এই আন্তৰিক কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম

— শ্ৰদ্ধা আৰু সেৱাৰে —

আশ্ৰাফুল আলম চৌধুৰী

সম্পাদক, সাংস্কৃতিক বিভাগ

## তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল ব্যক্তিয়ে নিজৰ স্বাৰ্থক পৰিহাৰ কৰি এই পিছপৰা অঞ্চলত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলে, তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই মই মোৰ বছৰেকীয়া তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাই তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগত মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাত যিসকল ছাত্ৰ-ছাত্ৰীয়ে সুযোগ প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটি ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে কিমান প্ৰয়োজনীয় তাক পুনৰাবৃত্তি কৰাৰ প্ৰয়োজন নাই। আজিৰ সমাজৰ প্ৰতিটো দিশতে সুস্থিৰভাৱে আগুৱাই যাবলৈ হলে আমাক যুক্তিপূৰ্ণ মনোবল আৰু সাফল্যময় পৰিবেশৰ প্ৰয়োজন। এই গুৰুত্বপূৰ্ণ বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক বিকাশৰ সাধন কৰা হয়। সঠিক চিন্তা আৰু শুদ্ধ ভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি। সিদ্ধান্তৰ বৈধতা আৰু যুক্তিযুক্ততা নিৰ্ণয় কৰাই হৈছে তৰ্কৰ কাৰ্য্য।

মহাবিদ্যালয়ৰ ২০১১-১২ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই তৰ্ক আৰু বক্তৃতা বিভাগৰ পদৰ বাবে প্ৰতিদ্বন্দিতা কৰিছিলো। এই নিৰ্বাচনত মই বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ যোৱা ১/১১/২০১১ তাৰিখে পৰম কৰুণাময়

আল্লাহৰ ওচৰত শপত গ্ৰহণ কৰি মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি উক্ত বিভাগটো নিয়াৰিকৈ চলাই যাবৰ বাবে সংকল্পবদ্ধ হওঁ।

মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত ২০১১-১২ বৰ্ষৰ বাবে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয় আৰু এই মহাবিদ্যালয় সপ্তাহ যোৱা ২০/০১/১২ তাৰিখৰ পৰা ২৫/০১/১২ তাৰিখলৈ ছয় দিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। মোৰ বিভাগত থকা তৰ্ক প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতা নিয়াৰিকৈ অনুষ্ঠিত কৰো। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰ মতে — "ষান্মাসিক পদ্ধতিয়ে শিক্ষাৰ গুণগত মান উন্নত কৰিব।"

মোৰ কাৰ্যকালত মহাবিদ্যালয়খনত দৰং জিলা ভিত্তিত এখনি তৰ্ক প্ৰতিযোগিতা যোৱা ৬/১০/১২ তাৰিখে অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত তৰ্কৰ বিষয় আছিল সদনৰ মতে — "সৰ্ব্বশিক্ষাই অসমৰ গুণগত মানদণ্ড অৱনমিত কৰিছে।"

মোৰ কাৰ্য্যকাল ২০১১-১২ বৰ্ষত হোৱা প্ৰতিযোগিতাৰ ফলাফল সমূহ তলত দিয়া হ'ল —

<u>মহাবিদ্যালয় সপ্তাহ ২০১১-১২ বৰ্ষ</u>

<u>তৰ্ক প্ৰতিযোগিতাৰ ফলাফল</u>

১ম স্থান ঃ- মঃ হুছেইন আলী
(স্নাতক তৃতীয় বৰ্ষ)

২য় স্থান ঃ- মঃ পিয়াৰুল ইছলাম
(স্নাতক প্ৰথম যান্মাসিক)

৩য় স্থান ঃ- মঃ মফিদুল ইছলাম খলিফা
(স্নাতক প্ৰথম যান্মাসিক)

<u>আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ ফলাফল</u>

১ম স্থান ঃ- শ্ৰীমতী হিমাশ্ৰী শইকীয়া,
মঙ্গলদৈ মহাবিদ্যালয়

২য় স্থান ঃ- মঃ হুছেইন আলী (স্নাতক তৃতীয় বৰ্ষ),
খাৰুপেটীয়া মহাবিদ্যালয়

৩য় স্থান ঃ- মঃ পিয়াৰুল ইছলাম
(স্নাতক প্ৰথম যান্মাসিক), খাৰুপেটীয়া মহাবিদ্যালয়

মোৰ কাৰ্য্যকালৰ প্ৰতিটো খোজতে দিহা পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্দিন চন্দ্ৰ হাজৰিকা দেৱ, ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভাপতি অধ্যাপক মঃ নুৰ জামান মহোদয়, তৰ্ক বিভাগৰ তত্বাৱধায়ক অধ্যাপক মঃ আব্দুল আওৱাল মহোদয় আৰু অসমীয়া বিভাগৰ অংশকালীন প্ৰৱক্তা শ্ৰীনীলক ৰাজবংশী মদোহয়লৈ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

লগতে মই আন্তৰিক অভিনন্দন ও ধন্যবাদ জনাব বিচাৰিছো মোৰ বন্ধু-বান্ধবীবোৰ ক্ৰমে — মঃ আব্দুল কায়ুম, মঃ আব্দুৰ ৰহমান লস্কৰ, মঃ আখতাৰ হুছেইন, চুলতান আহমেদ, মঃ ছফিকুল ইছলাম, মঃ ছাদ্দাম হুছেইন আনচাৰী (পুতি), খুৰ্শ্বিদ জাহান নুৰুল্লাহ প্ৰামাণিক (ৰাজা), চেলিম আখতাৰ, দ্বীন ইছলাম, ৱালিউল্লাহ প্ৰামাণিক (ৰাজু), ছফিকুল ইছলাম (গিৰিল), নৌচাদ আলী, মোকাদ্দিছ বিল্লাহ, জিয়াউল হক, নজৰুল ইছলাম, চাইদুৰ ৰহমান (ভাতিজা), ৰেজাউল হক (ভাগিন), শ্বহিদুল ইছলাম, হামেদ আলী, হজৰত আলী, ৰফিকুল ইছলাম (আপেল), মহিজল হক, নুৰুল আমিন প্ৰামাণিক (গ্ৰুপ বছ), খালেদা ইয়াছমিন, মুৰশ্বিদা পাৰবিন, জেচমিনা খাতুন, ছাহিদা বেগম, নাচৰিণ আখতাৰ আহমেদ, নাজমা (মইনা) বিশেষকৈ মঃ আব্দুল কাইয়ুম আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ।

সদৌ শেষত তৰ্ক আৰু বক্তৃতাৰ দৰে গুৰুত্বপূৰ্ণ বিভাগটিত সম্পাদকীয় দায়িত্ব আৰু কৰ্তব্য পালন কৰোতে জ্ঞাতে-অজ্ঞাতে কৰা ভূল-ত্ৰুটিৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী আৰু কৰ্ম কৰ্তালৈ ক্ষমা-প্ৰাৰ্থনা কৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি প্ৰতিবেদন ইতিৰেখা টানিলোঁ।

"জয়তু খাৰুপেটীয়া মহাবিদ্যালয়"

—জয় আই অসম—

শ্ৰদ্ধা আৰু সেৱাৰে

ইনামুল মজিদ
সম্পাদক
তৰ্ক আৰু বক্তৃতা বিভাগ



# ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে পৰম কৰুণাময় আল্লাহ তাআ'লাৰ নাম স্মৰণ কৰি মোৰ বছৰেকীয়া প্ৰতিবেদন আৰম্ভ কৰিলোঁ। মোৰ এই প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ জিৰণি কোঠা সম্পাদক হিচাপে সেৱা কৰিবলৈ সুবিধা দিলে সেই সকললৈ মই ধন্যবাদ জ্ঞাপন কৰিলো আৰু যিসকল মহান ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই খাৰুপেটীয়া মহাবিদ্যালয় গঢ়ি উঠিছিল তেওঁলোকলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু মোৰ বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিলো।

২০১১-১২ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ বাবে ২০১১ চনৰ ২৫ তাৰিখে সাধাৰণ নিৰ্বাচন হয়। উক্ত নিৰ্বাচনত মই ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ পদত নিৰ্বাচিত হওঁ ২০১১ চনৰ ১ তাৰিখে পৰম কৰুণাময় আল্লাহৰ নামত শপতলৈ কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। মই কাৰ্য্যভাৰ গ্ৰহণ কৰি মহা বিদ্যালয়ৰ উক্ত বিভাগৰ মানদণ্ড কিমান দূৰ ৰক্ষা কৰিব পাৰিছো আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই অন্যান্য বছৰৰ দৰে এই বছৰতো ২০১১-১২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, ফাতিহা-ই দোৱাজ দহমৰ লগতে গনতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস আৰু ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত এই বছৰত নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়।

মই সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছতে ছাত্ৰ জিৰণি কোঠাৰ নানা সমস্যাৰ সন্মুখীন হওঁ। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত এটা ছাত্ৰ জিৰণি কোঠা নাই। মহাবিদ্যালয়ত যি এটা ছাত্ৰ জিৰণি কোঠা আছে সেয়াও যথেষ্ট কম পৰিসৰৰ আৰু ছাত্ৰ অনুপাতে পৰ্যাপ্ত নহয়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত যদিও এটা ছাত্ৰ জিৰণি কোঠা পাওঁ। বিগত বছৰৰ সম্পাদক সকলৰ কোনো সা-সঁজুলি পোৱা নাছিলো। সেইবোৰ সমস্যা মই ক্ৰমান্বয়ে পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত দশখন আৰামী চকী, এখন ডাঙৰ টেবুল, দুযোৰ ডেক্স-বেন্স, এটা ফিল্টাৰ, এটা দেৱাল ঘড়ী, দুটা জগ, দুটা গিলাচ, এখন দাপোণ, দুখন তাৰেল, এখন কেৰম বোৰ্ড, দুখন চেচ, দুখন লুডু, দুটা বাল্টি, ওৱাল ৰিং দুখন ইত্যাদি যোগান ধৰো। মোৰ কাৰ্যকালতে বিদ্যুতৰ ব্যৱস্থা কৰা হয় আৰু জিৰণি কোঠা ৰং কৰা আৰু শৌচাগাৰৰ মেৰামতি কৰা হয়। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সা-সঁজুলিৰ বহুত অভাৱ আছে তাৰে ভিতৰত দমকল, গড্ৰেজ আৰু খেলৰ কিছুমান সামগ্ৰী ইত্যাদি। মোৰ কাৰ্যকালত সততে দিহা পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত বুদ্ধিন হাজৰিকা ছাৰ তথা ছাত্ৰ জিৰণি কোঠাৰ তত্বাৱধায়ক মাননীয় মঃ জাকিৰ ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ সোঁ-হাত স্বৰূপে সহায় আগবঢ়াইছিল সেইসকল আগবঢ়োৱা মঃ খলিলুৰ ৰহমান, ছোলতান আহমেদ, ছৈয়দ ছাদ্দাম আনছাৰি, আব্দুল কাইয়্যুম, মঃ আকতাৰ হুছেইন, মঃ ছাদ্দাম হুছেইন, আব্দুৰ ৰহমান, মঃ মহিজল হক, মঃ আমিৰ হুছেইন. মঃ আল মামুন, মঃ চাইদুৰ ৰহমান, মঃ দীন ইছলাম, অলিউল্লাহ, মঃ ৰাজা, মঃ ছেকান আলী, মঃ জাকিৰ আলী,

মিছ নাছৰিণ, মিছ খালিদা ইয়াছমিন, শ্বেখ আশ্ৰাফুন নেহাৰ, মিছ মুৰ্শ্বিদা পাৰবিন, আকলিমা ইয়াছমিন, জেছমিন, ছাজিদা, মাজনী, নাজমা পাৰবিন, মইনা আটাইকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্ত্তত আলোচনী সম্পাদক আক্ৰাম হুছেইন আৰু সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিছো লগতে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ত্ৰুটিবোৰৰ মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

।। জয়তু খাৰুপেটীয়া মহাবিদ্যালয়।।

।। জয় আই অসম।।

মঃ ছফিকুল ইছলাম
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে পৰম কৰুণাময় তথা সৰ্বশক্তিমান সৃষ্টি কৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল তথা মোৰ বন্ধু-বান্ধৱী সকল আৰু যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদকৰ পদত নিৰ্বাচিত কৰিছিল। তেওঁলোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মই মোৰ সমাজ সেৱা সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিছো।

মানুহ সামাজিক জীৱ। সমাজ অবিহনে মানুহ বৰ্ত্তি থাকিব নোৱাৰে। সম্পূৰ্ণকৈ অকলশৰীয়া ব্যক্তিৰ কল্পনা অবাস্তৱ। সমাজৰ দৰে শিক্ষানুষ্ঠানবোৰো একোখন ক্ষুদ্ৰ সমাজ। এই ক্ষুদ্ৰ বোৰৰ ভিতৰত আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়খনো এখন। বিখ্যাত দাৰ্শনিক Aristotle কৈছিল যে মানুহ সামাজিক প্ৰাণী সমাজ বাদ দি যিজনে অকলশৰে জীৱন-যাপন কৰে। তেওঁ হয় পশু নহয় দেৱতা (Angel), কিয়নো লগৰীয়া বা সঙ্গী অবিহনে মানৱ জীৱন অসহ্যকৰ। জীৱনৰ প্ৰতিটো পদক্ষেপতে মানুহৰ সংগৰ প্ৰয়োজন। অন্যথা জীৱন সমস্যা বহুল হৈ পৰে। দেশ বা সমাজ এখনক আগুৱাই নিবলৈ হ'লে আমি ছাত্ৰ অৱস্থাৰ পৰাই মনত দৃঢ় মনোভাৱ জগাই তুলিব পাৰে।

যোৱা ইং ২০১১-১২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বানত তিনিজন প্ৰতিদ্বন্দীৰ মাজৰ পৰা মই সমাজ সেৱা সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। ইং ১-১১-২০১১ তাৰিখে ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়া সকলৰ লগত শপত গ্ৰহণ কৰো। এখন মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদকৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। এই কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ মানদণ্ড কিমান দুৰ ৰক্ষা কৰিব পাৰিছো এইটো আপোনা লোকৰ বিচাৰ্য বিষয়। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অন্যান্য বছৰৰ দৰে এই বছৰতো ২০১১-২০১২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ শ্ৰীস্ৰৰস্বতী পূজা, ফাতিহা -ই- দোৱাজ দহমৰ লগতে গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস আৰু আমাৰ ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত এই বছৰতো নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হৈছিল।

মই, সমাজ সেৱা সম্পাদক হিচাপে মোৰ কাৰ্য কালত সময় সাপেক্ষে খেল পথাৰ ছাফা কৰা, ফুলনিৰ মেৰামতি কৰা বৃক্ষৰোপন কৰা, মহাবিদ্যালয়ৰ চৌহদ পৰিস্কাৰ কৰি ৰখা, শ্বহিদ বেদী মেৰামতি কৰা আদি কামবোৰ সুকলমে পৰিচালিত কৰা হয়।

মোক সকলো দিশতে দিহা পৰামৰ্শ দিয়া আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীদীপক কলিতা আৰু বৰ্তমানৰ অধ্যক্ষ শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে মোৰ তত্বাবধায়ক আব্দুৰ ৰহমান ছাৰলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মোক সকলো দিশতে দিহা-পৰামৰ্শ দি যি সকল বন্ধু-বান্ধৱীয়ে মোক সমাজ সেৱা সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নয়ণমূলক কাম কৰিবলৈ সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকললৈ মোৰ হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিলো। মোক সকলো দিশতে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ সহপাঠী প্ৰাক্তন আলোচনী সম্পাদক মঃ ৰফিকুল ইছলাম খান, আজিজা, আৰ্জিনা, হুছেইন খইবৰ আলী, মানিক, ছেলিমা ও কিলৰ লগতে অন্যান্য বন্ধুবৰ্গলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত সু-পৰামৰ্শ দিয়া আমাৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়াক আৰু আলোচনী সম্পাদক তথা আলোচনী সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিছাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।
শ্ৰদ্ধা আৰু সেৱাৰে—

মঃ বাকিবিল্লাহ
সমাজ সেৱা সম্পাদক



## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰথমেই অন্তৰভৰা কৃতজ্ঞতাৰে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো। মোক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দৰে এক গুৰু বিভাগত বিনা প্ৰতিদন্দিতাৰে মোক জিকাই আনিলে সেইসকল ছাত্ৰ-ছাত্ৰী দাদা, বাইদেউলৈ মই চিৰকৃতজ্ঞ। যাৰ মহান অহোপুৰুষাৰ্থ চেষ্টাত এই পবিত্ৰ জ্ঞানমন্দিৰ প্ৰতিষ্ঠা হৈছিল সেইসকল জীৱিত বা প্ৰয়াত মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো বৰ্ত্তমান সু-দৃশ্যমান ভাবে ন কৈ নিৰ্মাণ হ'লেও তাত ছাত্ৰীসকলে যিবোৰ অভাৱ অনুভৱ কৰি আছে তাৰ কিছুসংখ্যক মোৰ সম্পাদকীয় কাৰ্য্যকালত পূৰণ কৰিবলৈ চেষ্টা কৰা হৈছে আৰু বাকীখিনি পৰৱৰ্তী কালত ক্ৰমান্বয়ে পূৰণ কৰা হ'ব বুলি আমি আশাবাদী। বিশেষকৈ আমাৰ ৰুমত মনোৰঞ্জনৰ বাবে দুই এখন বাতৰি কাগজ, ালোচনীৰ লগতে টিভি এটাৰ অতি প্ৰয়োজন বুলি ভাবো। আশা কৰো পৰৱৰ্ত্তী সম্পাদককে ইয়াত জোৰ দি এই অভাৱ পূৰ কৰিব।

শেষত মোৰ বিভাগৰ তত্ত্বাবধায়িকা মাননীয়া ডঃ আচমান আৰা বেগম বাইদেউ, সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ আন্তৰিক শ্ৰদ্ধা-কৃতজ্ঞতা স্নেহ জনাই লিখনি সামৰিছো।

ৰুকচানা বেগম
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

## LIST OF PRINCIPALS, KHARUPETIA COLLEGE

| Sl. | Name of the Principals | From | To |
|---|---|---|---|
| 01. | B.M. Hamidur Rahman- M.A,LL.B | 01-01-1981 | 20-07-1997 |
| 02. | Nazir Hussain Sarkar- M.A | 20-07- 1997 | 03-11-1997 |
| 03. | Abdul Karim, M.A,B.Ed. | 03-11-1997 | 31-12-1999 |
| 04. | Jalal Uddin Ahmed, M.A. | 01-01-2000 | 10-09-2002 |
| 05. | B.M.Hamidur Rahman, M.A, LL.B. | 10-09-2002 | 30-04-2005 |
| 06. | Asma Ara Begum, M.A. | 30-04-2005 | 19-05-2005 |
| 07. | Dr. Khargeswar Deka, M.Com, B.Ed, Ph.D | 19-05-2005 | 10-09-2007 |
| 08. | Md. Nurul Islam, M.A,B.Ed, M.Phil. | 10-09-2007 | 25-11-2010 |
| 09. | Shri Deepak Kalita,M.A. | 25-11-2010 | 18-01-2012 |
| **10.** | **Dr. Buddhin Ch. Hazarika, M.Sc, B.Ed, Ph.D.** | **18-01-2012** | ............... |

## LIST OF TEACHERS IN-CHARGE AND EDITORS

Kharupetia College Magazine

(Year wise)

| Sl.No. | Yr. of Publication | Name of in-Charge | Name of Editors |
|---|---|---|---|
| 1st | 1999 | Nurul Islam | Kajimuddin Ahmed |
| 2nd | 2000-01 | Nurul Islam | Amzad Ali |
| 3rd | 2005-06 | Nurul Islam | Ruhul Amin |
| 4th | 2007-2008, 2008-2009 | Abdul Awal | Mahidul Islam |
| 5th | 2009-2010 | Dr. Parimal kumar Dutta | Rofiqul Islam Khan |
| **6th** | **2011-2012** | **Jalal Uddin Ahmed** | **Akram Hussain** |

— আলোচনীখন প্ৰকাশৰ প্ৰচেষ্টাত বৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে পঢুৱৈ সমাজৰ ওচৰত আমি ক্ষমা বিচাৰিছোঁ। — সম্পাদনা সমিতি।



## মহাবিদ্যালয়ৰ গৌৰৱ — উচ্চতৰ মাধ্যমিক কলা শাখাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকল (২০১১-২০১২)


S. Ashrafun Nahar
407-81.4%


Manjuwara Begum
391-79.4%


Ibrahim Ali
381-76.2%


Saddam Hussain
379-75.4%


Akhtara Alam
371-74.2%


Hafijur Rahman
365-73%


Suleiman Ali
350-70%


Nasrin Akhtara
350-70%


Abbas Ali Ansary
349-69.8%


Abdul Quium
334-66.8%


Mirjina Begum
334-66.8%


Amir Hussain
325-65%


Aminul Hoque
325-65%


Jamyshedur Rahman
301-60.2%

Without Photograph: Salim Akhter Khan (367-73.4%), Hemanga Saha (352-704%), Jahangir Iqubal (346-69.2%), Gajubur Rahman (319-63.8%), Jesminara Begum (308-61.8%), Mofidul Islam (301-60.2%), Rezauz Zaman (300-60%)

## মহাবিদ্যালয়ৰ গৌৰৱ — মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকল (২০১১-২০১২)


Sultan Ahmed
Best Football Player


Salim Akhter
Best Volleyball Player


Md.Hussain Ali
Best Debater


Mujammil Hoque
Best Actor


Anisha Khatun
Best Actress


Nazlin Sultana
Best Singer


Sheikh Ashrafun Nahar
Badminton Champion


Alom Shah Ahmed
Badminton Champion

Without Photograph: Siddique Ali (Best Player), Rahena Khatun (Best Player), Ratan Das (Best Cricket Player)

## আলোকচিত্রত মহাবিদ্যালয়ৰ অধ্যক্ষৰসতে শিক্ষক-শিক্ষয়িত্ৰীসকল —



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ আব্দুৰ ৰহমান (মুৰব্বী অধ্যাপক, গণিত বিভাগ), মঃ নুৰ জামান (মুৰব্বী অধ্যাপক, আৰবী বিভাগ), হবিবুৰ ৰহমান (সহ
কাৰী অধ্যাপক ৰাজনীতি বিভাগ), মঃ নুৰুল ইছলাম (মুৰব্বী অধ্যাপক, ৰাজনীতি বিভাগ), শ্ৰীদীপক কলিতা (মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ),
আব্দুল কৰিম (মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ), ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা (অধ্যক্ষ), জাহিদা চুলতানা (সহঃ অধ্যাপিকা, শিক্ষা বিভাগ), প্ৰণতি দত্ত
(সহঃ অধ্যাপিকা, দৰ্শণ বিভাগ), মঃ নাজিৰ হুছেইন সৰকাৰ (সহঃ অধ্যাপক, অসমীয়া বিভাগ), ডঃ পৰিমল কুমাৰ দত্ত (মুৰব্বী অধ্যাপক, সংস্কৃত
বিভাগ), মঃ আব্দুৰ ৰহিম (মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ), মালা চক্ৰৱৰ্ত্তী (সহঃ অধ্যাপিকা, ইংৰাজী বিভাগ)

বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ আবুল বাসাৰ আহমেদ (মুৰব্বী অধ্যাপক, শিক্ষা বিভাগ), ৰুকনউদ্দিন আহমেদ (সহঃ অধ্যাপক, ইংৰাজী বিভাগ
(অমঞ্জুৰীকৃত), আব্দুল হান্নান (সহঃ অধ্যাপক, বুৰঞ্জী বিভাগ), আব্দুল আউৱাল (সহঃ অধ্যাপক, ইংৰাজী বিভাগ), আব্দুল ওৱাহেদ (সহঃ অধ্যাপক,
ৰাজনীতি বিভাগ (অমঞ্জুৰীকৃত), ছিকদাৰ আনোৱাৰুল ইছলাম (মুৰব্বী অধ্যাপক, হিন্দী বিভাগ), আব্দুল আজিজ (সহঃ অধ্যাপক, বানিজ্য বিভাগ
(অমঞ্জুৰীকৃত), হবিবৰ ৰহমান (সহঃ অধ্যাপক, বানিজ্য বিভাগ (অমঞ্জুৰীকৃত) আব্দুল মতিন (সহঃ অধ্যাপক, হিন্দী বিভাগ), জ্যোতিষ চহৰীয়া (মুৰব্বী
অধ্যাপক, দৰ্শন বিভাগ), নিলক ৰাজবংশী (প্ৰৱক্তা, অসমীয়া বিভাগ (অংশকালীন), জাকিৰ হুছেইন আহমেদ (সহকাৰী অধ্যাপক, আৰবী বিভাগ),
জাবেৰ আহমেদ (সহঃ অধ্যাপক, আৰবী বিভাগ (অমঞ্জুৰীকৃত), মঃ ইমৰাণ আলি (সহঃ অধ্যাপক আৰবী বিভাগ), শ্ৰীমতী জুৰি প্ৰিয়া দেৱী (সহঃ
অধ্যাপিকা, অসমীয়া বিভাগ (অংশ কালীন), মৌচুমী সাহা কলিতা (সহঃ অধ্যাপিকা, অৰ্থনীতি বিভাগ), মঃ জালাল উদ্দিন আহমেদ (সহঃ অধ্যাপক,
বুৰঞ্জী বিভাগ)



গ্ৰন্থগাৰৰ কৰ্মকৰ্ত্তাসকল (বাওঁফালৰ পৰা ক্ৰমে) ঃ আবু তালেব (গ্ৰন্থগাৰ বাহক), জীৱেন্দ্ৰ মোহন দেৱ শৰ্ম্মা (গ্ৰন্থগাৰিক),
মঃ শ্বাহ আলম (গ্ৰন্থগাৰ সহায়ক, অমঞ্জুৰিকৃত), মঃ অবীৰ আলী (চতুৰ্থ বৰ্গ কৰ্মচাৰী, অমঞ্জুৰীকৃত)





**বিভাগীয় তত্ত্বাৱধায়ৰ সতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল (বহি বাওঁফালৰ পৰা ক্ৰমে)** ঃ জ্যোতিষ চহৰীয়া (তত্ত্বাৱধায়ক ক্ৰীড়া অন্তঃ বিভাগ),
আব্দুল হান্নান (তত্ত্বাৱধায়ক, ক্ৰীড়া বহিঃ বিভাগ), জাকিৰ হুছেইন (তত্ত্বাৱধায়ক ছাত্ৰ জিৰণি কোঠা), মঃ নুৰ জামান (কাৰ্যকৰী সভাপতি, ছাত্ৰ একতা সভা)
ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা (সভাপতি তথা অধ্যক্ষ), আব্দুল আউৱাল (তত্ত্বাৱধায়ক, তৰ্ক আৰু বক্তৃতা বিভাগ), জালাল উদ্দিন আহমেদ (তত্ত্বাৱধায়ক ,
আলোচনী বিভাগ) আব্দুৰ ৰহমান (তত্ত্বাৱধায়ক, সমাজ সেৱা বিভাগ), জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ)

**(থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে)** ঃ মুক্তাৰুল হুছেইন (সম্পাদক, ক্ৰীড়া অন্তঃ বিভাগ), জুলহাছ আলী (সম্পাদক, ক্ৰীড়া বহিঃ বিভাগ), ছফিকুল ইছলাম
(সম্পাদক, ছাত্ৰ জিৰণি কোঠা), জিয়াৰুল হক (সহঃ সাধাৰণ সম্পাদক), শ্বাহাজামাল হক (সাধাৰণ সম্পাদক), আব্দুল ওৱাদুদ (উপ সভাপতি), ইনামূল
মজিদ (সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ), আক্ৰাম হুছেইন (সম্পাদক, আলোচনী বিভাগ) মঃ বাকিবিল্লাহ (সম্পাদক, সমাজ সেৱা বিভাগ), আশ্ৰাফুল
আলম চৌধুৰী (সম্পাদক, সাংস্কৃতিক বিভাগ)। ফটোত দেখা নগ'ল — ডঃ আচমান আৰা বেগম (তত্ত্বাৱধায়িকা ছাত্ৰী জিৰণি কোঠা), ৰুকচানা বেগম
(সম্পাদিকা ছাত্ৰী জিৰণি কোঠা),



অধ্যক্ষৰ সতে কৰ্মচাৰী সকল (বহি বাওঁফালৰ পৰা ক্ৰমে) ঃ ছামিজুৰ ৰহমান, কিনাল আলী, ইছলামুদ্দিন আহমেদ, খণ্ডকাৰ দিলোৱাৰ হুছেইন, ডঃ বুদ্ধিন
চন্দ্ৰ হাজৰিকা (অধ্যক্ষ), আবুবক্কৰ ছিদ্দিক, লাল মিএগ, আব্দুছ ছামাদ খণ্ডকাৰ, আব্দুল খালেক।
(থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে) ঃ ইব্ৰাহীম আলী, নুৰ মহম্মদ।